# Assam Legislative Assembly Debates

## OFFICIAL REPORT

THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE TENTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

**BUDGET SESSION**

**NO. 4**

The 12th March, 1997

Price Rs.42·00

# CONTENTS

## BUDGET SESSION

## NO.4

### Dated, the 12 March, 1997


| | | Page |
|---|---|---|
| 1. | QUESTIONS AND ANSWERS | 1 - 62 |
| 2. | DISCUSSION ON - ZERO HOUR MATTER | 63 - 73 |
| 3. | CALL ATTENTION NOTICE | 74 - 76 |
| 4. | MATER UNDER RULE-301 | 77 - 86 |
| 5. | LAYING OF NOTIFICATIONS AND REPORTS | 87 |
| 6. | DEBATE ON GOVERNOR'S ADDRESS | 88 - 114 |
| 7. | ADJOURNMENT | 115 |
| 9. | ANNEXURE- I TO X | 116- 132 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY
## Wednesday, the 12th March, 1997

The House met at 9.00 AM of the Clock in the Assembly Chamber at Dispur with Shri Ganesh Kutum, Speaker, in the Chair.

## STARRED
## QUESTIONS AND ANSWERS
(To which oral replies were given)

**Mr. Speaker :** Now, Starred Question No. 41, Hon'ble Member, Shri Gohin Ch. Das.

**বিষয় ঃ কাঠৰ মূল্য**

**শ্ৰীগহীন চন্দ্ৰ দাসে সুধিছে ঃ**

*৪১। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ বিভিন্ন বন নিৰীক্ষণ চকী আৰু কাৰ্য্যালয়বোৰত জব্দ কৰা বহুটো মূল্যবান কাঠ পচি থকাটো চৰকাৰৰ অৱগতনে?

(খ) এই কাঠবোৰৰ বহুটো বছৰ বছৰ ধৰি পৰি থকাৰ বাবে নষ্ট হৈ গৈছে চৰকাৰে জানেনে ?

(গ) গোটেই অসমত এনেকৈ পৰি থকা কাঠৰ পৰিমাণ কিমান আৰু ইয়াৰ মূল্য কিমান ?

**শ্ৰীনগেন শৰ্মা (বন মন্ত্ৰী)য়ে উত্তৰ দিছে;**

(ক) আংশিক ভাবে সত্য।

(খ) হয়।

(গ) মুঠ কাঠৰ পৰিমাণ = ১৭০৮৬.৬৯৪ ঘন মিটাৰ

আৰু ইয়াৰ মূল্য = ৬,০৩,০৩,৪৩৬.০০ টকা।

* **শ্ৰীগহীন চন্দ্ৰ দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় মন্ত্ৰীয়ে যিটো উত্তৰ দিছে তাত 'ক' প্ৰশ্নৰ উত্তৰত আংশিকভাবে সত্য বুলি কৈছে। ইমান বিলাক কাঠ কাৰ্য্যালয়ত পৰি আছে আৰু এই কাঠ বিলাক পচি গৈছে বুলি আৰু

* Speech not corrected

বহুতো কাঠ নষ্ট হৈছে বুলি মন্ত্ৰীয়ে স্বীকাৰ কৰিছে আৰু ইয়াৰ মূল্য ৬,৯৩,৯৩,৪৩৬ টকা বুলি কৈছে। ৰাজ্য খনৰ আজি যিটো বিত্তীয় সংকট এই বিত্তীয় সংকটৰ দিনত ইমান টকা অপচয় হোৱাটো সহনীয় নহয়। বছৰ বছৰ ধৰি এই কাঠ বিলাক পচি গৈছে এই ক্ষেত্ৰত আইনক দোহাই দিলে নহয়। এতিয়া মোৰ প্ৰশ্ন হৈছে বৃটিচৰ দিনতে যি আইন বনাইছে সেই আইন আমাৰ চৰকাৰে 'এমেণ্ড' কৰি জব্দ কৰা কাঠ বিলাক বিক্ৰী কৰি দি তাৰ মূল্য চৰকাৰেঁ জমা ৰখাৰ ব্যৱস্থা কৰিব লাগে।

* **শ্ৰীনগেন শৰ্ম্মা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যি পৰিপূৰক প্ৰশ্ন উত্থাপন কৰিছে এই সম্পৰ্কত কওঁ, যে আমাৰ বিভিন্ন ডিপো বা কাৰ্য্যালয়ত থকা কাঠ সমূহ সময়ে সময়ে আমাৰ নিবিদাৰ যোগেদি বিক্ৰী কৰি থকা হৈছে। অৱশ্যে কিছুমান কাঠ বিক্ৰী কৰিব পৰা নাই, যি বিলাকৰ আদালতত গোচৰ চলি আছে। আদালতৰ গোচৰ নিস্পত্তি নোহোৱাকৈ বিক্ৰী কৰিব পৰা নাযায়। ১৯৮০ চনৰ 'ফৰেষ্ট কনজাৰভেশ্যন এক্ট' মতে আমি বহুতো বাধাৰ সন্মুখীন হৈছো।

* **শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাব নেকি এনেকুৱা কিমান কেচ আছে আৰু কোন কোন ডিভিজনত কিমান কেচ পৰি আছে। আৰু কেগৰ ৰিৰ্পটত ১৯৯৫-৯৬ চনত সৰ্ব্বমুঠ কিমান টকা লোকচান দেখুৱা হৈছে। কেগে চৰকাৰৰ পৰা প্ৰতিবেদন এই সম্পৰ্কত মন্ত্ৰী মহোদয়ে জনাব লাগে।

* **শ্ৰীনগেন শৰ্ম্মা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বন বিভাগত কিমান কেচ আছে বৰ্ত্তমান মোৰ ওচৰত তথ্য নাই। আৰু কেগৰ ৰিৰ্পট সম্পৰ্কত প্ৰতিবেদন যুগুত কৰি থকা হৈছে।

* **শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই জ্ঞাতাৰ্থে এটা কথা কও যে বৰ্ত্তমান ১৮৫ টা কেচ পেনডিং হৈ আছে বিভিন্ন ডিভিজনত পৰি আছে। কেগৰ ৰিৰ্পটৰ প্ৰতিবেদন চৰকাৰে দাখিল কৰা নাই। এইটো অক্টোবৰতে বিচাৰিছিল গোটেই বিষয়টো তদন্ত কৰি ইয়াৰ ব্যৱস্থা কৰিব নেকি?

* **শ্ৰীনগেন শৰ্ম্মা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি কেচ বিলাকৰ ক্ষেত্ৰত ব্যৱস্থা লৈছো আৰু অনতিপলমে এই বিলাক নিস্পত্তি কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিম। কেগ সম্পৰ্কত প্ৰতিবেদন যুগুটাই থকা হৈছে।

---

* Speech not corrected

* শ্ৰীগহীন চন্দ্ৰ দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে আমাৰ কিছুমান আইনৰ বাধা থকাৰ কাৰণে এই কাঠ বিলাক বিক্ৰী কৰিব পৰা নাই। আমাৰ প্ৰশ্ন হৈছে মন্ত্ৰীয়ে এই আইন সংশোধন কৰাৰ ব্যৱস্থা লব নেকি ?

* শ্ৰীনগেন শৰ্ম্মা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই আইন কেন্দ্ৰীয় চৰকাৰেহে সলনি কৰিব পাৰে।

* শ্ৰী গহীন চন্দ্ৰ দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, কেন্দ্ৰীয় চৰকাৰে আইন সংশোধন কৰিব কিন্তু অসম চৰকাৰে আইন খন সংশোধন কৰিবৰ বাবে কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি ?

* শ্ৰীনগেন শৰ্ম্মা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে আমি 'ষ্টেট মিনিষ্টাৰ কনফাৰেন্সত' দাখিল কৰিছো।

* শ্ৰীগৌতম ৰয় ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰীয়ে কৈছে যে, ফৰেষ্ট কনজাৰভেশ্যন এক্ট' ১৯৮০ এই আইনখনৰ কাৰণে কামত বাধা হৈছে। মই দুটা প্ৰশ্ন কৰিব খুজিছো প্ৰথমটো হৈছে 'ফৰেষ্ট কনজাৰভেশ্যন এক্ট' যি বিলাকে ভায়লেশ্যন কৰিছে তেওঁলোকৰ বিৰুদ্ধে কি ব্যৱস্থা গ্ৰহণ কৰিছে। দ্বিতীয়তে গ্ৰামোন্নয়ন মন্ত্ৰীয়ে ফৰেষ্ট এক্ট ভায়লেশ্যন কৰি হাইলাকান্দি জিলাৰ ধনচৰা গাওঁখনত স্কীম লৈছে। তেখেতে ফৰেষ্ট এক্ট ভায়লেশ্যন কৰি কাম কৰিছে, তাৰ মই তথ্য দিব পাৰো। তেখেতৰ বিৰুদ্ধে কি ব্যৱস্থা লৈছে আৰু কিমান দিনৰ ভিতৰত লব।

* শ্ৰীনগেন শৰ্ম্মা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ১৯৮০ চনৰ ফৰেষ্ট এক্ট সকলোৰে কাৰণে সমানে প্ৰযোজ্য। কোনোবাই যদি এই আইন ভায়লেট কৰিছে তদন্ত কৰি তাৰ ব্যৱস্থা লোৱা হব।

* শ্ৰীগৌতম ৰয় ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো কিমান দিনৰ ভিতৰত লোৱা হব।

* শ্ৰীনগেন শৰ্ম্মা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে তথ্য যদি এই সদনত দাখিল কৰে সেই তথ্য অনুসৰি অনতিপলমে ব্যৱস্থা গ্ৰহণ কৰা হব।

**Mr. Speaker :** Now, Starred Question No. 42, Hon'ble Member, Shri Bhupendra Nath Bhuyan.

---

* Speech not corrected

বিষয় ঃ উন্নয়ন আঁচনি

শ্ৰীভূপেন্দ্ৰ নাথ ভূঞাই সুধিছে ঃ

* ৪২। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৯৬-৯৭ চনৰ বৰ্ষত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ উন্নয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা কিমান ধন আৰু বিদেশৰ সংশ্লিষ্ট স্বেচ্ছাসেৱী সংগঠনৰ পৰা কিমান ধন পোৱা হৈছিল?

(খ) যদি পোৱা হৈছে, উক্ত ধনেৰে কাজিৰঙা ৰাষ্ট্ৰীয় উন্নয়নৰ বাবে কেনে ধৰণৰ আঁচনি হাতত লৈছে আৰু এই আচঁনি সমূহ বাস্তৱত কিমান দিনৰ ভিতৰত ৰূপায়িত কৰা হব?

শ্ৰীনগেন শৰ্মা (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ১৯৯৬-৯৭ চনত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ উন্নয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা মুঠ ৫১,৫৫,০০০ টকা আৰু বিদেশৰ সংশ্লিষ্ট স্বেচ্ছাসেৱী সংগঠনৰ পৰা মুঠ ৪,৫৫,০০০ টকা পোৱা হয়।

(খ) কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা ধনেৰে ৰাষ্ট্ৰীয় উদ্যানৰ নিম্ন উল্লেখিত আঁচনি সমূহ ৰূপায়ন কৰা হৈছে —

১) বন্দুক বাৰুদ ক্ৰয়।

২) ৰখীয়া চকী নিৰ্মাণ।

৩) কাঠৰ দলং নিৰ্মাণ ও মেৰামতি।

৪) ৰাষ্ট্ৰীয় উদ্যানৰ নিকটৱৰ্ত্তী গাওঁত খোৱা পানী যোগানৰ বাবে কুৱা খন্দা আৰু দম'কল স্থাপন।

৫) ভ্ৰাম্যমান চিকিৎসা গোটৰ দ্বাৰা নিকটৱৰ্ত্তী গাওঁৰ ৰাইজক চিকিৎসা প্ৰদান।

বিদেশৰ সংশ্লিষ্ট স্বেচ্ছাসেৱী সংগঠনৰ পৰা পোৱা ধনেৰে হাতত লোৱা কাম সমূহ হৈছে —

১) ৰাষ্ট্ৰীয় উদ্যানত থকা বিভাগীয় হাতীৰ খাদ্য ক্ৰয় কৰা হয়।

২) ৰাষ্ট্ৰীয় উদ্যানৰ সংৰক্ষনত ব্যৱহৃত বিভাগীয় যান-বাহনৰ ইন্ধন তথা যন্ত্ৰ-পাতি ক্ৰয় (Spare parts)।

৩) ৰাষ্ট্ৰীয় উদ্যানত নিয়োজিত বনকৰ্মী সকলৰ বাবে জোতা মোজা, উলৰ জাৰ্চী, ইউনিৰ্ফম আৰু পানীকোট আদি ক্ৰয় কৰা হয়।

* Speech not corrected

* **শ্ৰীভূপেন্দ্ৰ নাথ ভূঞা ঃ** মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছোঁ যে কাজিৰঙাৰ জন্তু জানোৱাৰ খিনিৰ কাৰণে অভয়াৰণ্যত বানপানীৰ সময়ত ৰক্ষা পৰিব পৰাকৈ ৰেইজিং প্লেটফৰ্ম কৰাৰ ব্যৱস্থা কৰিব নেকি? দ্বিতীয় কথা, কাজিৰঙাৰ ৰাষ্ট্ৰীয় পথত বিভাগীয় যি পথ আৰু দলং আছে তাৰ অৱস্থা অতি বেয়া এই বিলাক উন্নত কৰাৰ ব্যৱস্থা কৰিব নেকি? তৃতীয় কথা ফৰেষ্ট গাৰ্ড বিলাকৰ অত্যাধুনিক অস্ত্ৰশস্ত্ৰ নাই। এই বিলাক দিয়াৰ ব্যৱস্থা কৰিব নেকি? আৰু চতুৰ্থ কথা হ'ল আজি ছমাহমান আগতে এটা সাংঘাটিক ঘটনা ঘটিব ধৰিছিল। ডঃ জয়শ্ৰী গোস্বামী মহন্ত তালৈ গৈছিল আৰু জখলাৰে উঠিবলৈ যাওঁতে পৰি গৈছিল ভাগ্য ভাল গজালত নিবিন্ধিলে, নহলে বৰ দূৰ্ভাগ্য হ'লহেতেন। গতিকে সেই জখলা বিলাক উন্নত কৰাৰ ব্যৱস্থা কৰিব নে? বন বিভাগৰ মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

* **শ্ৰীনগেন শৰ্ম্মা (বনমন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, কাজিৰঙাত ৰেইজিং প্লেটফৰ্মৰ কাৰণে কাম আৰম্ভ কৰা হৈছে। দলং আৰু ৰাস্তাৰ কামো কৰিবলৈ লোৱা হৈছে। ধন পোৱাত পলম হোৱা কাৰণে কাম আৰম্ভ কৰাত পলম হৈছে। ৰখীয়া চকী আৰু পৰ্য্যবেক্ষণ চকী ও মেৰামতি কৰাৰ কাম হাতত লোৱা হৈছে আৰু ইতিমধ্যে নতুন চকীও নিৰ্ম্মাণ কৰিবলৈ লোৱা হৈছে।

* **শ্ৰীমহেন্দ্ৰ মোহন ৰায়চৌধুৰী ঃ** চাৰ, কেন্দ্ৰীয় চৰকাৰৰ পৰা ৰাষ্ট্ৰীয় উদ্যানৰ কাৰণে কি শিতানৰ কাৰণে সাহায্য দিয়ে?

* **শ্ৰীনগেন শৰ্ম্মা (বনমন্ত্ৰী) ঃ** আমাৰ বিভাগীয় যি বিলাক হাতী আছে সেই হাতী বিলাকৰ ভৰণ-পোষণ আদিৰ কাৰণে তেনে টকা খৰচ কৰা হয় যিহেতুকে আমাৰ হাতী খিনিৰ খাদ্য আদিৰ কাৰণে আমাৰ ফালৰ পৰা পৰ্যাপ্ত পৰিমাণে ধন দিব পৰা নাই। সেই কাৰণে ইয়াৰ উপৰিও স্বেচ্ছাসেৱী অনুষ্ঠানৰ পৰাও টকা খাদ্য আদি ক্ৰয়ত লগোৱা হয়।

* **শ্ৰীমতী প্ৰণতি ফুকন ঃ** কাজিৰঙাত যোৱা জানুৱাৰী মাহৰ পৰা কিমান গড় নিধন হৈছে আৰু চোৰাং চিকাৰী কিমান নিহত হৈছে মন্ত্ৰী মহোদয়ে জনাবনে ?

* **শ্ৰীনগেন শৰ্ম্মা (বনমন্ত্ৰী) ঃ** এই তথ্য পিচত দিব পাৰিম।

**Mr. Speaker :** Now, Starred Question No. 43, Hon'ble Member, Shri Sarat Borkotoky.

---

* Speech not corrected

## বিষয় ঃ মথাউৰিৰ পুনৰ নিৰ্মাণ

**শ্ৰীশৰৎ বৰকটকীয়ে সুধিছে ঃ**

* ৪৩। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) ধেমাজিৰ কাৰেং চাপৰিত বানপানীত ক্ষতিগ্ৰস্থ মথাউৰি পুনৰ নিৰ্মাণৰ কাম বৰ্ত্তমান কি পৰ্য্যায়ত আছে ?

খ) ডুমডুমাৰ ওচৰৰ দিৰাক চোমনিত মথাউৰি নিৰ্মাণৰ কাম বৰ্ত্তমান কি পৰ্য্যায়ত আছে ?

গ) ঢকুৱাখানাৰ মাতসৰাত গৰাখহনীয়া প্ৰতিৰোধ আচঁনিৰ কাম কেতিয়া আৰম্ভ হব।

**শ্ৰীপ্ৰমোদ গগৈ (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

ক) উক্ত অঞ্চলত এটি পশ্চাৎ বান্ধৰ কাম আৰম্ভ কৰা হৈছে। ইতিমধ্যে এই কামৰ প্ৰায় ৪০% (চল্লিশ শতাংশ) অগ্ৰগতি হৈছে। আৰু কাম পূৰ্ণ গতিত চলি আছে।

খ) মথাউৰি নিৰ্ম্মাণৰ কাম প্ৰায় শেষ পৰ্য্যায়ত আছে।

গ) কাম আৰম্ভ কৰাৰ প্ৰয়োজনীয় ব্যৱস্থা লোৱা হৈছে।

**শ্ৰীশৰৎ বৰকটকী** ঃ অধ্যক্ষ মহোদয়, ধেমাজিৰ কাৰেং চাপৰিৰ মথাউৰি নিৰ্ম্মানৰ কাম কিমান দিনৰ ভিতৰত কৰিব পৰা হব আৰু বৰ্ত্তমান কামৰ অগ্ৰগতিৰ বিষয়ে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰীপ্ৰমোদ গগৈ (বান নিয়ন্ত্ৰণ মন্ত্ৰী)** ঃ চাৰ, কাৰেং চাপৰি মথাউৰিৰ ভগা অংশ ৩.৫ কিলোমিটাৰ আৰু দ অংশৰ বহল আছিল ২৩৪ মিটাৰ। এতিয়া কামৰ ভিতৰত মথাউৰি সংলগ্ন হবলৈ মাত্ৰ ছয় মিটাৰ মান বাকী আছে। ৰাতি দিনে কাম চলিয়েই আছে। ৮-১২-৯৬ তাৰিখৰ পৰা কাম আৰম্ভ হয়। কিছুমান অসুবিধা আৰু মানুহৰ অভিযোগৰ কাৰণে কাম বন্ধ ৰাখিবলগীয়া হৈছিল যদিও ৩-১-৯৭ তাৰিখৰ পৰা বিভাগীয় কাম চলাই থকা হৈছে। তাত ছয়খন বুলডজাৰ, ২৫ খন ট্ৰাক আৰু এহাজাৰ ছয় শ তিনিজন শ্ৰমিকে কাম কৰি আছে। প্ৰায় শতকৰা চল্লিশ ভাগ কাম হৈছে। এক কোটি টকা ইতিমধ্যে উপায়ুক্তৰ হাতত জমা দিয়া হৈছে আৰু এতিয়ালৈকে কামৰ বাবে এক লাখ নিৰান্নবৈ হাজাৰ ন শ আশী টকা খৰচ হৈছে। সম্পূৰ্ণ কাম এপ্ৰিল মাহৰ ভিতৰত শেষ হব বুলি আশা কৰা হৈছে।

---

* Speech not corrected

**শ্ৰীদিলীপ কুমাৰ শইকীয়া** ঃ মাননীয় অধ্যক্ষ মহোদয়, শতকৰা ৪০ শতাংশ কাম হোৱা বুলি কৈছে আজি-বাতিপুৰাৰ খবৰমতে। মই ১২ ফেব্ৰুৱাৰীত চাবলৈ তালৈ গৈছিলোঁ শতকৰা ১২ ভাগ কাম হৈছিল। আকৌ মই ২২ ফেব্ৰুৱাৰীত চতুৰ্থ শনিবাৰে গৈছিলোঁ সেইদিনা শতকৰা ১৮ ভাগ কাম হোৱা দেখিছিলোঁ। অৱশ্যে কাম চলি আছে। এক কোটি টকা দিয়া বুলি কৈছে। ১ লাখ কিমান টকাৰ কাম হোৱা বুলিও কৈছে। মুঠতে শতকৰা ৪০ ভাগ কাম হোৱা বুলি কৈছে। ২২ ফেব্ৰুৱাৰীৰ পিছত মই তালৈ যোৱা নাই। অৱশ্যে সদনত মিছা নহয় অসত্য কথা কৈ লাভ নাই। ৬ মিটাৰ কাম হবলৈ বাকী আছে। পাইল ড্ৰাইভিং দিব লাগিব। নহলে আকৌ পানী অহাৰ লগে লগে মথাউৰিটো চিঙি নিব। সেই বিষয়ে কিবা ব্যৱস্থা কৰিবনে আৰু সৰ্ব মুঠ কিমান টকা লাগিব সেই বিষয়ে জনাবনে ?

*শ্ৰীপ্ৰমোদ গগৈ (বান নিয়ন্ত্ৰণ মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ এষ্টিমেট মতে খৰচ হব ২ কোটি ৯০ লাখ টকা। আমি ইয়াৰে ১ কোটি আগধন হিচাবে উপায়ুক্তৰ হাতত জমা দিয়া হৈছে। আৰু যিখিনি কাম হব বিভাগীয় বিষয়াই সেইটো চাই তাৰ ওপৰত ডিমাণ্ড দিব সেইমতে উপায়ুক্তই তদন্ত কৰি চাইহে ধন মোকলাই দিয়াৰ ব্যৱস্থা কৰিব। ১লাখ ৯৯ হাজাৰ ৯৮০ টকা প্ৰায় মোকলাই দিয়া হৈছে। শইকীয়া ডাঙৰীয়াই নিজে গৈ কামটো চাই ছে তাৰ বাবে তেখেতক মই ধন্যবাদ জনাইছোঁ। যোৱা ১৯ ফেব্ৰুৱাৰী তাৰিখে আমি নিজে গৈ কাম চাই আহিছোঁ আমাৰ লগত মাননীয় সদস্য প্ৰধান বন্ধকৰা, উপায়ুক্ত আৰু পুলিচ অধীক্ষক আদিক ধৰি সকলোৱে আছিল। তাত কিছু অসুবিধাও আছে কাৰণ মথাউৰিটো সম্পূৰ্ণ বালিৰ মথাউৰি, সেই কাৰণে পানীয়ে ভাঙি নিব নোৱাৰাকৈ মথাউৰিটো সম্পূৰ্ণ কৰিব লগা হোৱাত অলপ সময় লৈছে। তাত নৈৰ দুই তিনিটা সুতি আছে সেই সুতি কেইটাৰ পানী লগলাগি যাতে মঠাউৰিটো নষ্ট কৰিব নোৱাৰে তাৰ বাবে ব্যৱস্থা লোৱা হৈছে। বিভাগে দিনে ৰাতিয়ে কাম কৰিয়েই আছে। ৰাতি কাম কৰাতি অসুবিধা নহবৰ বাবে বিজুলীৰ ব্যৱস্থাও কৰা হৈছে। আশা কৰিছোঁ এপ্ৰিল মাহত কামটো কৰিব পৰা যাব।

* **শ্ৰীদিলীপ কুমাৰ শইকীয়া** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে সকলো কথা ইতিমধ্যে কৈছেই আৰু আমিও হাউচ কমিটী তালৈ গৈছিলোঁ ঘুৰি আহি আমি ৰিপৰ্ট দাখিলো কৰিছোঁ। কিন্তু কথা হ'ল আগতে ১২ লাখ

* Speech not corrected

টকা বিভাগে এই মথাউৰিটো বচাবৰ কাৰণে বিচাৰিছিল কিন্তু টকাটো দিয়া নহ'ল। সেই টকা ১২ লাখ দিয়া হলে মথাউৰিটো বচাবপৰা গ'লহেতেন। বিভাগে বিচৰা সত্ত্বেও এই টকা ১২ লাখ কিয় দিয়া নহল সেইটোৰ কিবা তদন্ত কৰাৰ ব্যৱস্থা চৰকাৰে কৰিবনে ? এইটো কথা মই কমেই আমাৰ চৰকাৰে কৰিলেও কম আন চৰকাৰে কৰিলেও কম যিটো কথা সচা কব লগীয়া সেইটো মই কমেই। কাৰণ সেই টকাটোৰ কাৰণেই আজি অজস্ৰ মানুহৰ হাহাঁকাৰ অৱস্থা হৈছে গোটেই জিলাখন প্ৰায় মৰুভূমিত পৰিণত হৈছে। গতিকে এই ক্ষেত্ৰত তদন্তৰ ব্যৱস্থা কৰিবনে ?

**শ্ৰীপ্ৰমোদ গগৈ (বান নিয়ন্ত্ৰণ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সেইদৰে অভিযোগ আহিলে তদন্তৰ ব্যৱস্থা কৰিব পৰা যাব।

* **শ্ৰীপ্ৰণতি ফুকন ঃ** মাননীয় অধ্যক্ষ মহোদয়, দিৰাক চোমনি বান্ধটোৰ কি হল? তাৰ কি কি কাম হৈছে আৰু কিমান কাম হৈছে, কোন কোন ঠিকাদাৰে এই কাম কৰিছে আমাক জনাবনে। লগতে মন্ত্ৰী মহোদয়ে আমাক এইটোও জনাবনে এইবাৰ বানপানী আৰম্ভ হোৱাৰ আগতে কামটো শেষকৰা হবনে ?

* **শ্ৰীপ্ৰমোদ গগৈ (বাননিয়ন্ত্ৰণ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, দিৰাক চোমনি বান্ধটোৰ কামৰ মাটিৰ কাম প্ৰায় সম্পূৰ্ণ হৈছে। কিন্তু আপোনালোকে জানে মঠাউৰিৰ মাটিৰ কাম শেষ হোৱাৰ পিচত মাটিৰ ওপৰত বন আদি দিব লাগে আৰু মঠাউৰিৰ শ্লপ কৰিব লাগে। তাৰোপৰি ইয়াত এটা অংশত এণ্টিইৰ'চনৰ কাম কৰিব লাগে। এই অংশটোত সেয়ে কাম আৰম্ভ কৰিবই পৰা নাই। অৰুনাচলৰ পৰা বল্ডাৰ আনিব লাগিব কিন্তু বল্ডাৰ নোহোৱাৰ কাৰণেই এই কাম আৰম্ভ কৰিব পৰা নাই। মঠাউৰিৰ অন্য কাম শেষ হলেই এই অংশৰ কাম আৰম্ভ কৰা হব।

* **শ্ৰীভূপেন ৰয় ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ কোকৰাঝাৰৰ মঠাউৰিৰ কাম কেতিয়া আৰম্ভ হব?

* **শ্ৰীপ্ৰমোদ গগৈ (বান নিয়ন্ত্ৰণ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো বেলেগ প্ৰশ্ন আহিব লাগিব।

* **শ্ৰীদেৰহাগ্ৰা মুছাহাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই মঠাউৰিটো ভাঙিছেনে কোনোবাই কাটি দিছে নে কোনোবা দুষ্টচক্ৰই কিবা কু অভিসন্ধি কৰি কাটি দিছে সেইটো মন্ত্ৰী মহোদয়ে চাব নেকি ?

---

* Speech not corrected

শ্রীপ্রমোদ গগৈ (বান নিয়ন্ত্রণ মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, বাইজে নানান কথা আমাক কৈছে কিন্তু মই সঠিকভাৱে একো কব নোৱাৰোঁ। ৰাইজে যদি বিচাৰে আৰু তেনেধৰনে অভিযোগ আদি দিয়েহি তদন্ত কৰাৰ ব্যৱস্থা কৰিব পৰা যাব।

**Mr. Speaker :** Now, Starred Question No. 44, Hon'ble Member, Shri Bimolangshu Roy.

**Sub : Expiry of tenure of G.P. & P.P. etc.**

**Shri Bimolangshu Roy asked :**

* 44. Will the Minister of Law be pleased to state :

a) Is the Government aware that tenure of G.P. and P.P including Additional and Assistant Public Prosecutors have expired long ago ?

b) Will the Government appoint new set of G.P.,P.P. and others?

c) If so, when ?

**Shri Prafulla Kr. Mahanta (Chief Minsiter) replied :**

a) The tenures of one Public Prosecutor, four Addl. Public Procecutors and seven Asstt. Public Prosecutors have expired. One hundred thirty four. Government Pleader/Asstt. Govt. Pleader/Public Prosecutor/ Additional Public Prosecutor/Assistant Public Prosecutor were appointed with tenures untill further orders.

b) Seventy new appointments of Government Pleader/ Assistant Government Pleader/Public Prosecutor/ Additional Public Prosecutor / Assistant Public Prosecutor have been made recently, and further such new appointments would be made against those whose tenures have expired and against those who were appointed with tenures untill further orders.

---

* Speech not corrected

c) On completon of the process of appointment from the panel prepared by the Deputy Commissioner/Sub-Divisional Officer (Civil) in consultation with the District Judge/Chief Judicial Magistrate/Sub-Divsional Judicial Magistrate as the case may be. For, the Assam Law Department Manual read with Criminal Procedure Code require; the State Government to appoint such Government Advocates from such panels only.

* **Shri Bimolangshu Roy :** Mr. Speaker, Sir, will the Hon'ble Chief Minister be pleased to name the persons appointed as Govt. Pleader, Public Prosecutor, Addl. Public Procesutor of Silchar and the date of their appointment

* **Shri Prafulla Kumar Mahanta (Chief Minister) :** Hon'ble Speaker, Sir, in case of Silchar the following persons have been appointed.

1. Shri Samir Kumar Senapati, Govt. Pleader 3-3-97with immediate effect.
2. Shri Nurul Islam Laskar, Public Prosecutor – do –
3. Smti Bithika Acharjee, Addl., P.P. – do –
4. Shri Iftikhar Hussain Mazumder, Addl. P.P.– do – "
5. Shri Safiqur Rh. Laskar, Addl. P.P. – do – "
6. Shri Pritish Deb, Asstt. P.P. 5.3.97 "
7. Shri Amarendra Sankar Mitra, Asstt. P.P. – do – "
8. Shri Pradip Patoa, Asstt. P.P. – do – "
9. Shri Faisul Hoque Laskar, Asstt. P.P. – do – "
10. Shri Dilwar Hussain Mazumdar, Asstt. P.P. – do – "
11. Shri Mirazul Haque Ahmed, Asstt. P.P. – do – "

* Speech not corrected

12. Shri Jowahar Sankar Dutta, Asstt. P.P. – do – "
13. Shri Prasenjit Deb, Asstt. P.P. – do – "

* **Shri Bimolangshu Roy :** Mr. Speaker, Sir, will the Hon'ble Chief Minister be pleased to tell whether in case of appointments recommendations of District and Session Judge are taken into consideration and whether in case of appointments of Govt. Pleader, Public Prosecutor in Silchar recommendations of District & Session Judge or Deputy Commissioner was taken into consideration ?

* **শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) ঃ** माननीয় অধ্যক্ষ মহোদয়, মই আগতেই কৈ আহিছো যে তেওঁলোকৰ লগত আলোচনা মৰ্মে কৰা হয়।

* **শ্ৰীচিলভিউছ্ কন্দপান ঃ** মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে বিভিন্ন সময়ত জিলা পৰ্য্যায়ত, মহকুমা পৰ্য্যায়ত, হাই-কৰ্ট পৰ্য্যায়ত, জি, পি, এপি, বিলাকক নিযুক্তি দিয়ে। কিন্তু দেখা যায় বহু ক্ষেত্ৰত চৰকাৰী মোকৰ্দ্দমা বিলাক একতৰফা সিদ্ধান্ত হৈ যায়। দেখা যায় যে চৰকাৰে যি সকলক যি নিযুক্তি দিয়ে সেই সকলক বিভাগে ঠিক ব্যৱস্থা নিদিয়াৰ কাৰণে মহকুমা বা জিলা বা হাই-কৰ্ট পৰ্য্যায়তো এনে অসুবিধা আমি দেখিবলৈ পাওঁ। গতিকে এখেত সকলক নিযুক্তি দিয়েই ক্ষান্ত থাকিলে এই অধিবক্তা সকলৰ চাৰ্ভিচ আমি নাপাওঁ। মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো আইন মন্ত্ৰী হিচাপে তেখেতে নিযুক্তি দিয়া জি পি, পি, এ, পি, এই সকলক মহকুমা পৰ্য্যায়ৰ পৰা হাই-কৰ্ট পৰ্য্যায়লৈকে কোন কোন বিভাগৰ কেচ লব এটা ডায়েৰী মেইনটেন কৰা ব্যৱস্থা কৰিব লাগে। মই মোৰ অভিজ্ঞতাৰ পৰা এইটো দৃষ্টিগোচৰ কৰিছো।

* **শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) ঃ** চাৰ, বিৰোধী দলৰ দলপতি কন্দপান ডাঙৰীয়াই কোৱা কথাটো সচা। অলপতে এটা চুপ্ৰীম কৰ্টৰ কেচ কেৱল কৰ্ট ফী ঠিক মতে নিদিয়াৰ কাৰণেই কেচটোত চৰকাৰ হাৰিছে। পুৰণা কেচ। গতিকে এইটো মনিটৰিং থাকিব লাগে। তাৰ বাবে আমি এতিয়া ব্যৱস্থা কৰি আছোঁ।

* **শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ** মাননীয় অধ্যক্ষ মহোদয় মাননীয় সদস্য কন্দপানি

* Speech not corrected

ডাঙৰীয়াই মূল কথাখিনিকে কৈছে। আচলতে উপযুক্ত উকীল (কমপিটেন্ট লয়াৰ) সকলে লৱাৰ কোৰ্টলৈ যাব নিবিচাৰে। কাৰণ হাইকোৰ্টত এজন উকীলৰ ফিজ ২০০ টকা আৰু লৱাৰ কোৰ্ট ফিজ হৈছে মাত্ৰ ৫০ টকা। গতিকে উকীল সকলৰ ফিজবোৰ বঢ়োৱাৰ ব্যৱস্থা কৰিলে ভাল হয়।

* **শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য হিতেন্দ্ৰ নাথ গোস্বামীয়ে যিটো কথা কৈছে সেইটো আমি আলোচনা কৰি সিদ্ধান্ত লোৱা হব। কিন্তু কিমান বঢ়াব পৰা যাব সেইটো পিচতহে কব পৰা যাব।

* **শ্ৰীহেমেন দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, কিছুমান কেচৰ কাৰণে কোৰ্টত উকীল সকলৰ মাজত হেতা ওপৰা লাগে। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে যিটো কথা দাঙি ধৰিছে এইখন ভেনচাৰ স্কুল নহয়। কিমান জন এচিচটেণ্টক এপইণ্টমেণ্ট দিছে আমি জানিব বিচাৰিছো। একোখন জিলাত কিমানজন জি, পি, কিমানজন পি, পি আৰু কিমান জন এচিচটেণ্ট থাকে? এইবিলাকত দিওঁতে আমাৰ নামজ্বলা উকীলকহে নিযুক্তি দিয়া হয়। ফলত তেওঁলোকৰ ফিজ কম হোৱাৰ কাৰণে কেচবিলাক পেনডিং হৈ থাকে।

* **শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই আগতে কৈছো ডেপুটি কমিশ্যনাৰ আৰু উকীল সকলৰ লগত আলোচনা বিলোচনা কৰিব লাগিব। কাৰণ সকলো উকীলে চৰকাৰী কেচ লবৰ কাৰণে নাহিবও পাৰে। গতিকে আমি আলোচনা কৰি তেওঁলোকৰ মাজৰ পৰাই চৰকাৰী উকীল লোৱাৰ ব্যৱস্থা কৰিব লাগিব।

* **Shri Abu Saleh Nazmuddin :** I strongly object to the remark made by the Hon'ble Member, Shri Hemen Das. The remark made by him is derogatory, There is no term as "Gas Taller Ukil".

(Sharvashree Abu Saleh Nazmuddin, Gautom Roy, Dr. Ardhendu Kumar Dey went to the well of the House protesting against the remark of Shri Hemen Das and requested the Hon'ble Speaker to ask Hon'ble Member, Shri Hemen Das to withdraw his remark and beg apology before the House)

* **শ্ৰীহেমেন দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোক কবলৈ দিয়ক। মই কোৱা

* Speech not corrected

কথাখিনি উঠাই লৈছো।

**শ্ৰীচিলভিউছ কন্দপান** ঃ Sir, I have all the respect for the Lawyer. I have only added to what Hon'ble Member, Shri Hitendra Nath Goswami has said regarding getting full services of the lawyer. মই কৈছো কিছুমান মনিটৰিং ঠিক হোৱা নাই। মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই মনিটৰিংৰ কথা কৈছে যদিও মাননীয় সদস্য গোস্বামী ডাঙৰীয়াই কৈছে তাতো কিছুমান অসুবিধা আছে। I do not question about the quality of the lawyer. It is not wise to term them as 'Taller Ukil'. I am also a lawyer. Shri Surendra Nath Medhi, Dr. Zoii Nath Sharma are also lawyers. The lawyers are engaged in a noble profession. They are all qualified. We can utilise their services if we provide all the benefits. এই হাউচত লয়াৰৰ ওপৰত কটু সমালোচনা কৰিব নালাগে।

**Dr. Ardhendu Kumar Dey :** Sir, I want a ruling from you.

**Mr. Speaker :** I expunge the remark made by the Hon'ble Member, Shri Hemen Das.

* **শ্ৰীহেমেন দাস** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আচলতে ইচ্ছাকৃতভাবে কথাষাৰ কোৱা নাছিলো। বাৰ লয়াৰলৈ যাওঁতে তাতে কথা কিছুমান শুনিবলৈ পাইছিলো যে অমুক উকীলক ধৰক। সেই কথাখিনি শুনিহে তেনেকৈ কৈছিলো। মই ইচ্ছাকৃতভাৱে কোৱা নাই। মই কাকো তুচ্ছ স্বৰত কোৱা নাছিলো। এই কথাখিনি কোৱাৰ বাবে মই অত্যন্ত দুখ পাইছো। তাৰ কাৰণে মই ক্ষমা খুজিছো। সদনৰ ওচৰত মূৰ দোৱাবলৈ মই কুণ্ঠাবোধ নকৰো। মই কাপুৰুষ নহওঁ।

**Mr. Speaker :** Now, Starred Question No. 45.

## Sub : Rural electrification

**Shri Sukhendu Shekhar Dutta asked :**

*45. Will the Minister of Power be pleased to state :

a) How many incomplete and uncharged lines, are there in Patharkandi and Lowairpoa ASEB Sub-divisions in

* Speech not corrected

the district of Karimganj ?

b) The reasons behind keeping the lines incomplete and uncharged ?

c) Whether the Government required into the matter of stealing of wire and posts of some halfdone/ uncharged lines particularly solgoi-Indurial line of Lowairpoa ASEB Sub-division ?

d) Will the Government adopt measures for completion of incomplete lines by 1997-98 ?

e) Will the ASEB cover some new areas in 1997-98 ?

**Shri Prafulla Kumar Mahanta (Chief Minister) replied :**

a) There are 89 nos of incomplete and uncharged lines under Patherkandi Sub-division and 43 nos under Lowairpoa Sub-division.

b) Due to non-availability of funds from Rural Electrification Corporation during 1992-93 and 1993-94 and inadequate funds during subsequent years the lines could not be completed and charged.

c) The thift case was reported to the Police and First Information Report (FIR) was lodged. The Matter is being pursued with the local Police.

d) Depending on the availability of fund and demands form the prospective consumers complation of incomplete and uncharged lines will be taken up in a phased manner. In the financial year. 1996-97 16 nos of villages under Patherkandi Sub-division and 4 nos of villages under Lowairpoa Sub-division have been taken up for complation.

e) Depending on availability of fund from Rural Electrification Corporation the work will be taken up.

* **Shri Sukhendu Shekhar Dutta :** Hon'ble Speaker Sir, regarding the ASEB Sub-division at Patharkandi and Lowairpoa, I would like to mention that as regards 'C'

---

* Speech not corrected

about the theft case of wires, so far as I know some departmental personnels are also involved and so far I remember I referred the matter to the department bringing allegation against some erring officers. If the department does not take proper action against the erring officers, then Sir, these sorts of thing will continue. So, I would like to know from the Hon'ble Chief Minister whether proper enquiry will be made into the affair and find who are responsible and who are the other Officers connected with such theft cases and whether any departmental officers are involved. Then Sir, one more thing regarding incomplete lines. It is mentioned that the same will be completed subject to availabilty of fund. Will the Hon'ble Chief Minister inform us if the fund is not available then how Government proposes to bring some more new schemes for 1997-98, though many lines are left incomplete? May I know from the Hon'ble Chief Minister that If the funds are not available then how Government will materialise all those schemes?

* **Shri Prafulla Kumar Mahanta, (Chief Minister) :** Hon'ble Speaker Sir, regarding the supplementary asked by Mr. Dutta, regarding the theft cases, we have asked the local police to expedite the cases and about the shortage of fund we are trying our level best to make availability of fund from the next year. The cash releases from Rural Electrification Corporation during last three years are in 1994-95 Rs. 33 croroes in 1995-96 Rs. 3 crores and during 1996-97 Rs. 30 crores.

**Shri Sukhendu Shekhar Dutta :** Sir, there are lot of stealing cases as reported in the department. Whether the department will take proper enquiry and action

---

* Speech not corrected

against those erring officials who are connected with theft cases? One day I personally meet the Sub-divisional Officer and shown him few theft cases but no action has been taken as yet.

* **Shri Prafulla Kumar Mahanta, (Chief Minister) :** The matter is being pursued with the local Police.

* **Shri Abu Saleh Nazmuddin :** May I know from the Hon'ble Chief Minister how many incomplete lines are there under Karimganj ASEB in Karimganj District and whether the incomplete works of these lines will be completed within the financial year i.e. 1997-98? Further Hon'ble Chief Minister knows better that many villages are already been declared as covered electrified but no electric line has yet been charged as yet and Transformer has yet been, installed to charge the Electric line yet. Whether the Government has taken any programme in completing the incomplete schemes in the rural areas in the State of Assam and particularly in the district of Karimganj where some hundreds of villages are declared as electrified village but no action has taken to charge the line has been made so far?

* **Shri Prafulla Kumar Mahanta, (Chief Minister) :** Mr. Speaker Sir, we are trying our level best for electrifying the village. It will be done phase by phase. This is the general procedure.

**Mr. Speaker :** Now, Starred Question No. 46.

**Sub : Ad-hoc Committee :**

**Dr. Ardhendu Kr. Dey asked :**

* 46. Will the Minister of Co-operation be pleased to state :

* Speech not corrected

a) Whether it is fact that Government has reconstituted an Ad-hoc Committee in Dakhin Hojai Kumrakata S.S. Ltd. ?

b) Whether it is fact that Hon'ble High Court passed an order to hold the election in the same S.S. Ltd. by 15th November, 1996 ?

c) If so, whether the election was held ?

d) If the election was held what was the result of the election?

**Shri Prafulla Kr. Mahanta (Chief Minister) replied :**

a) Yes.

b) Yes.

c) Yes. The Annual General Meeting/Election was held on 15.11.96.

d) The election was held in the Annual General Meeting dt. 15.11.96. But the proceedings of the meeting were disapproved by the Asstt. Registrar of Coop: Socities, Hojai.

**Dr. Ardhendu Kumar Dey :** Will the Hon'ble Chief Minister tell the House when the Co-operative Society was the same society whose term was expired and whether the holding of election of the Dakhin Hojai Kumrakata S.S. Ltd. fulfills the Section 32, Sub Clause II of the Assam Co-operative Society Act 1949 (amended in 1950) and why the ARCS, Hojai disapproved the proceedings of the meeting? What is the reason?

**Shri Prafulla Kumar Mahanta, (Chief Minister) :** Shri M.K. Roy filed an appeal before the Zonal Joint Registrar of Cooperative Societies, Gauhati against the order of Asstt. Registrar of Cooperative Societies, Hojai. The appeal was disposed of vide order No. NGPS.68/87/

* Speech not corrected

284, dt. 15.2.97. Consequent upon the disapproval of the proceedings by the ARCS, Hojai a void was created in the management of the Society and the Registrar of Co-operative societies, Assam vide his order No. GPSS.28/95/109 dt. 10.12.96 appointed an adhoc Committee as per Rules.

* **Dr. Ardhendu Kumar Dey :** Mr. Speaker Sir, though the Hon'ble Chief Minister could not reply to my question as to what was the reason for disapproval, even then I am asking the Hon'ble Chief Minister, who is in-charge of the Co-operation Department, what is the reason for disapproval of the proceedings of the meeting and why ad-hoc Committee was constituted. What are the reasons that compelled the Government after disapproving an elected S.S. Society ?

* **শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, সমিতিৰ অৰ্হতা সম্পন্ন অংশীদাৰ তালিকাখন উপবিধি অনুসৰি প্ৰস্তুত কৰা হোৱা নাই। ২৬/৮/৯৬ তাৰিখে প্ৰস্তুত কৰা তালিকাখনকে ১৫/১০/৯৬ তাৰিখৰ বাৰ্ষিক সাধাৰণ সভাত ব্যৱহাৰ কৰিছিল। ১৫/১১/৯৬ তাৰিখৰ বাৰ্ষিক সাধাৰণ সভাৰ বাবে কমিটিৰ কাৰ্য্যকৰী সভাই ১৭/১০/৯৬ তাৰিখে মুঠ ৩৪৩৪ জন অৰ্হতা সম্পন্ন অংশীদাৰক সংখ্যা নিৰ্দ্ধাৰণ কৰি কোনো কাৰণ প্ৰদৰ্শন নকৰাকৈ ১৫/১১/৯৬ তাৰিখে মুঠ অৰ্হতা সম্পন্ন অংশীদাৰৰ সংখ্যা ৩৩৭৫ জনলৈ হ্ৰাস কৰিছে। যি বিলাক অভিযোগ উঠিছে সেই বিলাক প্ৰমাণ কৰা হৈছে। এইটো এচিচ্‌টেন্ট ৰেজিষ্ট্ৰাৰৰ পৰামৰ্শ মতে কৰা হৈছে।

* **Dr. Ardehendu Kumar Dey :** I am not satisfied with the answer of the Hon'ble Chief Minister. How the Hon'ble C.M. has approved this ad-hoc Committee. It is on the facts that the Dakhin Hojai Kumrakata S.S. Ltd. which is a registered Society under the Assam Cooperative

* Speech not corrected

Societies Act. 1949 has failed to hold the Annual General Meeting. Now, the Hon'ble Chief Minister has stated that the meeting was held. Now he is telling there is no voters list. May I know from the Hon'ble Chief Minister which one is correct ? Here is the copies, I can produce it.

* **Shri Prafulla Kumar Mahanta, (Chief Minister) :** A cooperative society cannot function without management even for a day.

* **Dr. Ardhendu Kumar Dey :** Mr. Speaker Sir, why the Ad-hoc Committee had to be appointed and why the ARCS disapproved the elected Society. Mr. Speaker Sir, probably the departmental officer has misguided the Hon'ble Chief Minister. Sir, as per Rule 2 of Sub-Clause II the meeting was to be held within 60 days from the date of preceding cooperative year. The election was held on 15.11.96 and the Ad-hoc Committee was constitued on 10th December, 1996. So I know, Hon'ble Chief Minister is put into trouble by the officer. Will the Hon'ble Chief Minister take stern action against the erring officer who has misled the Hon'ble Chief Minister? I know this is a very callous Department. So, the Hon'ble Chief Minister should take stern action against the Officer who has misled the Government and who has justified the appointment of Ad-hoc Committee by defying the elected body. Will the Chief Minister take stern action against the officer ?

* **Shri Prafulla Kumar Mahanta, (Chief Minister) :** I have already answered that due to non-fulfilling norms of election the society could not hold its annual meeting. But a Cooperative Society cannot function without management. Therefore, Ad-hoc Committee was formed.

---

* Speech not corrected

* **Dr. Ardhendu Kumar Dey :** Sir, I am producing the paper. He is to take action against those officer who has misled the Government.

**Mr. Speaker :** Now Starred Question No 47, Hon'ble Member, Shri Aminul Islam.

**Sub : Head Quarters of South Salmara-Mankachar Civil Sub-Division.**

**Shri Aminul Islam Asked :**

* 47. Will the Minister of Flood Control be pleased to state. Whether the Government have taken a Decision to protect 'Hatsingimari' the head Quarter of South-Salmara- Mankachar Civil Sub-Division by having a retirement from Molakhowaghat to Borair Alga/ Purandiara with boulder Pitching all along the reverside of the proposed dyke ?

**Shri Pramode Gogoi, (Minister) replied :** It is proposed to protect Hatsingimari and its adjoining areas by an embankment from the Molakhowaghat to Kathalbari. There is no provision of boulder pitching in the above said reach of the river.

* **Shri Aminul Islam :** Mr. Speaker Sir, the Hon'ble Minister Flood Control has said that it is proposed to protect. Sir, the fact is that we have heard about the proposal to protect the South Bank of the river Brahmaputra in the district of Dhubri since last 30 years or so. Sir, by this time 60 per cent of the landed areas has already been allowed to relinquish. Now, my question is that how long the Government will take really to execute the proposal and to protect that area? As regards part II, the Hon'ble Minister replied that there is no

---

* Speech not corrected

provision of boulder pitching in the above said reach of the river. Sir, as you all know out of experience to construct a dyke by sense only is of no use unless it is protected by boulders, unless erosion measures are taken. Hence I would like to put a question while the proposal would be executed all the head-quarters portion of the Mankachar Sub-division has emerged. Will the Hon'ble Minister ensure that the dyke will be protected by anti-erosion mesures like pitch in boulders all along the river site ?

* **Shri Promode Gogoi (Minister) :** Mr. Speaker Sir, already our department has prepared a project for protection of the Hatsingrimari sub-division from erosion of the river Brahmaputra and Jinjiram. There is a big project to cover the entire area. In the first phase an estimate has been prepared from Molakhowaghat to Newazezpur under the nomenclature "construction of embankment from Molakhowaghat to Kathalbari to protect Hatsingimari area from the flooding of river Brahmaputra and Jinjiram for an estimated amount of Rs. 164 lakhs duly recommended by 22nd T.A.C. and Assam State Brahmaputra Valley Flood Control Board has been forwarded to the Central Water Commission on 24-2-97. Sir, then it will go before the Planning Commission for investment clearance. Since we get the investment clearance from the Planning Commission We will take up the execution of the Scheme and at the same time we have prepared another scheme which is known as Phase No. II to cover the area of Newazezpur to Kathalbari which is total length of 6.80 K.M. This is another Scheme with an estimated cost of about Rs. 340 lakhs. The Scheme

* Speech not corrected

is under preparation and as soon as the Scheme is ready will be forwarded to Central Water Commission for approval. Then it will go before the Planning Commission for investment clearance. With regard to the question of re-investment, according to the opinion of the Technical Advisory Committee of our department, the alignment will be sufficiently away from the river bank. Therefore, the Technical Advisory Committee has not seen that any anti-erosion scheme is required at the moment. But when the emergency comes, the question will be considered by the department.

* **শ্ৰীৰাজেদ আলী চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মূলাখোৱা ঘাটৰ পৰা বৰাই আলগা যিটো বান্ধ সেইটো ইতিমধ্যে দুবছৰ মানৰ আগতেই হৰচন হৈছে আৰু এতিয়া মথাউৰিটো নাই। মন্ত্ৰী মহোদয়ে উত্তৰত বান্ধ দি প্ৰটেকচন দিয়াৰ কথা কৈছে। কিন্তু এইটো চাউথ চালমাৰাক বাদ দি বাকী এৰিয়াৰ আঁচনিৰ কথাহে কৈছে। অকল মানকাছাৰতেই নহয় চাউথ চালমাৰাটো কিবা প্ৰটেকচনৰ ব্যৱস্থা লৈছে নেকি?

* **শ্ৰীপ্ৰমোদ গগৈ (বান নিয়ন্ত্ৰণ মন্ত্ৰী) ঃ** মাননীয় সদস্যজনে চাউথ চালমাৰাৰ যিটো কথা কৈছে মই তালৈ দুবাৰ গৈছো। গতিকে সেইবিলাক অঞ্চলৰ বিষয়ে মই জানো। চাউথ চালমাৰা প্ৰটেকচনৰ বাবে আমাৰ বিভাগৰ পৰা এটা আঁচনি কৰা হৈছে আৰু এই আঁচনিত প্ৰায় ২০ কোটি টকা খৰচ কৰা হৈছিল। কিন্তু দুভাগ্য বশত ব্ৰহ্মপুত্ৰই 'আউট-প্লেন' কৰি সেই মথাউৰি নদীৰ মাজলৈ লৈ গ'ল। গতিকে সুকীয়াকৈ প্ৰশ্ন কৰিলে এতিয়া কি আঁচনি লোৱা হৈছে মই বিস্তাৰিত ভাৱে কব পাৰিম।

* **ডাঃ নজৰুল ইচলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, মৰিগাওঁ জিলাত মথাউৰিৰ কাম আৰম্ভ কৰা হৈছে নেকি ?

* **শ্ৰী প্ৰমোদ গগৈ (বান নিয়ন্ত্ৰণ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো এটা সুকীয়া প্ৰশ্ন।

**Mr. Speaker :** Now Starred Question No. 48. Hon'ble Member, Smti. Renupoma Rajkhowa.

---

* Speech not corrected

**বিষয় ঃ খানাপাৰাত ভেটেৰিনাৰী আই, চি, ডি, পি, প্ৰগ্ৰেম।**

**শ্ৰীমতী ৰেণুপমা ৰাজখোৱাই সুধিছে ঃ**

* ৪৮। মাননীয় পশুপালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) খানাপাৰাত ভেটেৰনাৰী আই, চি, ডি, পি, প্ৰগ্ৰেমৰ অধীনত ৰখা ষাঁড় গৰু কেইটালৈ সাময়িক ভাৱে বিভাগীয় খাদ্যৰ যোগান অনিয়মিত বা বন্ধ সময়ত শুকাই ক্ষীণাই হাড় চাল ওলোৱা অৱস্থা চৰকাৰ অৱগত নে ?

খ) Veterinary Director ৰ Office campus ত থকা Veterinary ICDP হস্পিতাল খনৰ কৰ্ম্মচাৰী কেইজনে নিজৰ গাঠিৰ ধন ভাঙি নুন্যতম খিনি যেনে– কাগজ, পৰ্দ্দা আদি যোগাৰ কৰি থাকিব লগীয়াৰ দৰে খবৰটোৰ সত্যা সত্য কিমান ?

গ) পশুপালন বিভাগত দুখীয়া জনসাধাৰণৰ বাবে যি ঔষধ ব্যৱস্থা আছিল তাৰ পৰিবৰ্ত্তে বৰ্ত্তমানে ভেটেৰনাৰী চেন্ট্ৰেল ষ্টকত ৰাইজক দিবৰ বাবে 'পটাচ' অকনমানো বোলে নাই, সচাঁনে ?

ঘ) চেন্ট্ৰেল ষ্টকৰ এই অৱস্থিতিক "অৰক্ষয়ৰ গৰাহৰ" পৰা ৰক্ষা কৰিবলৈ চৰকাৰে কি ব্যৱস্থা লব ?

**শ্ৰীসুৰেন্দ্ৰ নাথ মেধিয়ে (মন্ত্ৰী) উত্তৰ দিছে ঃ**

ক) ষাঁড় কেইটা শুকাই ক্ষীণাই হাড় ছাল ওলোৱা অৱস্থাৰ কথাটো সত্য নহয়।

খ) সচা নহয়।

গ) সচা নহয়।

ঘ) প্ৰয়োজনীয় ধনৰ অভাৱত চেন্ট্ৰেল ষ্ট'ৰৰ ক্ৰয়ক্ষমতা হ্ৰাস হোৱাটো সত্য। পুঁজি সাপেক্ষে চেন্ট্ৰেল ষ্ট'ৰৰ ক্ৰয়ক্ষমতা বৃদ্ধি কৰা হ'ব।

* **শ্ৰীমতী ৰেণুপমা ৰাজখোৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যি কেইটা উত্তৰ দিছে সেই কেইটা সত্য নহয় বুলি মই ভাবিছো। কাৰণ ইতিমধ্যে বাতৰি কাকতত বিষয়টো ওলাইছে। মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে বিষয়টো পৰীক্ষা কৰি সঠিক উত্তৰ দিলে আমি সুখী হম। দ্বিতীয়তে যিটো পৰ্দা কিনা কথা ওলাইছে তাৰ উত্তৰ মন্ত্ৰী মহোদয়ে দিয়া নাই। কাৰণ কথাটো সত্য। কাৰণ এই বিভাগৰে কেইজনমান বিষয়া আহি এই প্ৰশ্নটো মোক 'উ'দ্ৰ কৰাৰ

---

* Speech not corrected

কাৰণে অনুৰোধ কৰিছে। আশাকৰো বিষয়টো পৰীক্ষা কৰি বিহীত ব্যৱস্থা গ্ৰহণ কৰিব।

* **শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (পশুপালন মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, পৰ্দাৰ সম্পৰ্কিত প্ৰশ্নত লিখা হোৱা নাই।

* **শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ** অধ্যক্ষ মহোদয়, অৰিজিনেলী প্ৰশ্নটো আছিল। প্ৰশ্নটো হাউচত কাটি দিয়া হৈছে।

* **শ্ৰীমতী ৰেণুপমা ৰাজখোৱা ঃ** অধ্যক্ষ মহোদয়, অৰিজিনেলী প্ৰশ্নটো যে আছিল সেইটো কাটি দিয়া হৈছে।

(Starred Question Nos. 49 to 60 could not be taken up for disposal as the Question Hour was over. However, the said questions deemed to have been laid on the table of the House with replies there to.)

## বিষয় ঃ মেঘালয়লৈ যোৱা গৰুৰ সংখ্যা।

**শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ**

* ৪৯। মাননীয় পশুপালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে ঃ

ক) অসমৰ পৰা মেঘালয়লৈ প্ৰত্যেক দিনাই কিমান গৰু যায় ?

খ) ইয়াৰ কাৰণে কোনো ধৰণৰ কৰৰ ব্যৱস্থা আছেনে ?

গ) যদি আছে, বছৰত এই গৰুৰ পৰা কিমান কৰ পোৱা যায়?

**শ্ৰীসুৰেন্দ্ৰ নাথ মেধিয়ে (মন্ত্ৰী) উত্তৰ দিছে ঃ**

ক) সপ্তাহত গড়ে ১৬১ টা গৰু যায়।

খ) নাই।

গ) প্ৰশ্ন নুঠে।

## বিষয় ঃ বানপানীত যোগাযোগ বিচ্ছিন্ন।

**শ্ৰীখলিলুৰ ৰহমান চৌধুৰীয়ে সুধিছে ঃ**

* ৫০। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) হোজাই মহকুমাৰ ডবকা চহৰত বাৰিষা যমুনা নদীৰ বানপানীয়ে গোটেই চহৰখন জলমগ্ন কৰাৰ লগতে ৰাষ্ট্ৰীয় ঘাই পথও বুৰাই পেলোৱাত বিভিন্ন

* Speech not corrected

অনুষ্ঠান প্ৰতিষ্ঠানৰ লগতে যান-বাহন চলাচল বন্ধ হৈ যোগাযোগ বিচ্ছিন্ন হোৱাৰ লগতে ৰাজহুৱা সম্পত্তিৰ বিস্তৰ ক্ষতি সাধন হোৱাৰ বিষয়ে চৰকাৰ অৱগতনে ?

খ) যদি অৱগত, তেন্তে বান প্ৰতিৰোধৰ কিবা আঁচনি লৈছে নেকি?

**শ্ৰীপ্ৰমোদ গগৈ (বাননিয়ন্ত্ৰণ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

ক) হয়, অৱগত।

খ) বান প্ৰতিৰোধৰ কোনো আঁচনি এতিয়ালৈকে হাতত লোৱা হোৱা নাই।

## বিষয় ঃ বেঙেনাজুলি শ্লুইছ গেট।

**ডাঃ দেৱকান্ত ৰামছিয়াৰীয়ে সুধিছে ঃ**

* ৫১। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) যোৱা ৮/৩/৯৬ ইং তাৰিখে শোণিতপুৰ জিলাৰ মিছামাৰি পুলিচ থানাৰ অন্তৰ্গত বেঙেনাজুলি শ্লুইছ গেটত বনকৰ্মীৰ সহযোগত অসম পুলিচে দুজন দুখীয়া বড়ো খেতিয়কক গুলিয়াই হত্যা কৰা সম্পৰ্কে বৰ্ত্তমান চৰকাৰ অৱগতনে?

খ) দুৰ্ভগীয়া পৰিয়ালক ক্ষতিপূৰণ দিয়া হৈছেনে ?

**শ্ৰীনগেন শৰ্মা (মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

ক) হয়, অৱগত।

খ) ক্ষতিপূৰণ দিয়া হোৱা নাই।

## Sub : Persons killed and injured by the wild elephants.

**Shri Jagannath Sinha, asked :**

* 52. Will the Minister of Forest be pleased to state :

a) How may persons have been killed and injured by the wild elephants within last November, December, 1996 and January, 1997 in the Udharband, Barkhola and Lakhimpur Constituencies ?

b) How many acres of standing crop and the houses in the above area have been damaged during the above

period ?

c) Total number of person killed during the last 2½ years in the above area ?

d) How many acres of standing crops and the house of above area have been damaged during the period mentioned in (c) ?

e) What steps have been taken by the Government to prevent such killings and damage of standing crops and houses ?

**Shri Nagen Sarma (Minister) replied :**

a) Four persons have been killed by wild elephants in Udharband area only in the following months.

| | | | |
|---|---|---|---|
| (i) | November /96 | = | 1 No. |
| (ii) | December /96 | = | 3 Nos. |
| (iii) | January /97 | = | Nil. |
| | Total | = | 4 Nos. |

No persons have been injured by wild elephants.

b) No crop-damage have been asscssed during the period in question. 87 Nos. of houses have been damaged by wild-elephants in Udharband area only.

c) 16 Nos. of Persons have been killed during last 2½ years in these area.

d) 71.384 acres of crops and 253 Nos. of house have been damaged by wild elephant in Udharband area during the last 2½ years.

e) Anti-Depredation measure have been taken round the clock for scaring away the wild elephants by angaging Koonkies and Anti-Depredation squad involving local Villagers.

Already 2 Nos. of wild elephants have been killed on

21-1-97 and on 20-2-97 by declaring Rouge elephat for destruction at Udharband area.

Besides, 4 Nos. of wild elephant have been allowed for capture during this year.

**বিষয় ঃ মাটি পট্টা দিয়াৰ ব্যৱস্থা।**

**শ্ৰীহেমন্ত কলিতাই সুধিছে ঃ**

* ৫৪। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) পুনৰ সংস্থাপিত পৰিয়াল সমূহক মাটিৰ পট্টা দিয়াৰ ক্ষেত্ৰত ক্ষিপ্ৰতাৰে ব্যৱস্থা লবলৈ চৰকাৰে কেনে ব্যৱস্থা গ্ৰহণ কৰিছে জনাবনে?

খ) তিতাবৰ সমষ্টিৰ বহু মাটিৰ মালিক সকলে এতিয়াও পট্টা পোৱা নাই এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে ব্যৱস্থা গ্ৰহণ কৰিবনে ?

গ) ৰাজহ আদালতৰ প্ৰচলন অধিক কৰিবৰ বাবে চৰকাৰে কেনে ব্যৱস্থা গ্ৰহণ কৰিছে মন্ত্ৰী মহোদয়ে জনাবনে ?

**ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী) য়ে, উত্তৰ দিছে ঃ**

ক) পুনৰ সংস্থাপিত পৰিয়াল সমূহক আৱন্টিত মাটিৰ নিৰ্দ্দিষ্ট উদ্দেশ্যত ব্যৱহৃত হলে ৰাজহ আইন মতে যোগ্যতাৰ ভিত্তিত পট্টা প্ৰদান কৰা হয়। এই পট্টা দিয়াৰ কাম পৰ্য্যায় ক্ৰমে জিলা সমূহত কৰি থকা হৈছে।

খ) পৰ্য্যায়ক্ৰমে ব্যৱস্থা লৈ থকা হৈছে।

গ) গ্ৰাম্য অঞ্চলৰ ৰাইজৰ সুবিধাৰ বাবে আৰু ৰাজহ প্ৰশাসন গঞাঁ ৰাইজক অধিক কাষ চপাই অনাৰ উদ্দেশ্যত ৰাজহ আদালতৰ প্ৰচলন জিলাসমূহত অধিক কৰাৰ বাবে গুৰুত্ব দিয়া হৈছে।

**Sub : Barnadi Puthimari River**

**Shri Derhagra Mochahary asked :**

*55. Will the Minister of Flood Control be pleased to state :

Whether Barnadi-Puthimari river is proposed to be controlled from erosion on the western bank of the river at Guahari area upto below the Nagrijuli Tea Estate ?

**Shri Pramode Gogoi, (Minister) replied :**

Yes, a scheme is proposed in the area. Implementation of the scheme is however subject to clearence by C.W.C. and Planning Commission as well as availability of fund.

**বিষয় ঃ স্থায়ী বান্ধ আৰু পাৰ্ক বন্ধাৰ ব্যৱস্থা।**

**মোস্তাফা শ্বহীদুল ইচলামে সুধিছে ঃ**

৫৬। মাননীয় বানানিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) মৰিগাওঁ জিলাৰ অন্তৰ্গত মৈৰাবাৰী লাহৰিঘাট আদি অঞ্চলত ব্ৰহ্মপুত্ৰ নদীৰ গড়া খহনীয়াৰ পৰা ৰক্ষা কৰিবলৈ স্থায়ী বান্ধ আৰু পাৰ্ক বন্ধাৰ কিবা ব্যৱস্থা লৈছেনে ?

খ) উক্ত অঞ্চলৰ আগৰ মথাউৰি বন্ধা অধিগৃহীত মাটিৰ মূল্য বানানিয়ন্ত্ৰণ বিভাগৰ তৰফৰ পৰা কিমান টকা দিবলৈ বাকী আছে জনাবনে ?

**শ্ৰীপ্ৰমোদ গগৈ (মন্ত্ৰী) য়ে, উত্তৰ দিছে ঃ**

ক) এটা পশ্চাৎ বান্ধৰ ব্যৱস্থা কৰাৰ উপৰিও চাৰিটা শিলৰ বুবুজৰ প্ৰস্তাৱ কৰা হৈছে।

খ) ২৬,৫০,৭৬০.১০ টকা দিবলৈ বাকী আছে।

**বিষয় ঃ বনৰীয়া বাঘ আৰু হাতীৰ সংখ্যা।**

**শ্ৰীএটোৱা মুণ্ডাই সুধিছে ঃ**

৫৭। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) ৰাজ্যখনত বনৰীয়া হাতী আৰু বাঘৰ মুঠ সংখ্যা কিমান ?

খ) বনৰীয়া হাতীৰ উপদ্ৰৱ বন্ধ কৰিবলৈ চৰকাৰে কি কি ব্যৱস্থা হাতত লৈছে?

**শ্ৰীনগেন শৰ্মা (মন্ত্ৰী) য়ে, উত্তৰ দিছে ঃ**

ক) গণনামতে, অসমত বনৰীয়া হাতীৰ মুঠ সংখ্যা ৫,৫২৪ টা আৰু বাঘৰ মুঠ সংখ্যা ৪৩০ টা।

খ) বনৰীয়া হাতীৰ উপদ্ৰৱ ৰোধ ও নিয়ন্ত্ৰণৰ বাবে ১৯৯২-৯৩ চনৰে পৰা "হাতী প্ৰকল্প" আঁচনি অসমত কাৰ্য্যকৰি কৰা হৈছে। এই আঁচনি অনুসৰি বন বিভাগে বিভাগীয়ভাৱে হাতী ধৰা 'প্ৰতিৰোধ বাহিনী' গঠন, চিকাৰী

হাতী (কুঙিক) নিয়োগৰ দ্বাৰা উপদ্ৰুত অঞ্চলৰ পৰা বনৰীয়া হাতী সমূহ হাবিলৈ খেদি পঠোৱা আদি ব্যৱস্থা সমূহ হাতত লোৱা হৈছে। ইয়াৰ ওপৰিও আৱশ্যক অনুসৰি দুই হাতীক গুণ্ডা (Rogue) বুলি ঘোষণা কৰি নিহত কৰাৰ ব্যৱস্থা হাতী প্ৰকল্প আঁচনিত আছে আৰু তাক কাৰ্য্যকৰি কৰি থকা হৈছে।

**বিষয় ঃ Karbi Langpi Project.**
**শ্ৰীদিলেশ্বৰ তাঁতিয়ে সুধিছে ঃ**

৫৮। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) Karbi Langpi Project নিৰ্মাণৰ কাম বৰ্ত্তমান কি পৰ্য্যায়ত আছে?

খ) উক্ত প্ৰকল্প নিৰ্মাণৰ কাম কেতিয়া সম্পূৰ্ণ হ'ব ?

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) য়ে, উত্তৰ দিছে ঃ**

ক) এই প্ৰজেক্টৰ কাম ১৯৯৫ চনৰ মে মাহৰ পৰা বন্ধ আছিল। ইতিমধ্যে যোৱা ৩০ নবেম্বৰ '৯৬ তাৰিখে জাৰি কৰা অসম চৰকাৰৰ এক অধ্যাদেশ যোগে কাৰ্বি লাংপি জলবিদ্যুৎ প্ৰকল্পটো ভাৰত হাইড্ৰো পাৱাৰ কৰ্পোৰেচনৰ পৰা অসম চৰকাৰে নিজৰ হাতলৈ আনে।

খ) যাবতীয় পুঁজিৰ আবন্টন নিয়মীয়া ভাবে পালে আৰু কামত কোনো ধৰণৰ বাধা বিঘিনিৰ সৃষ্টি নহলে প্ৰজেক্টটো দুটা সম্পূৰ্ণ কৰ্ম্ম বৰ্ষৰ (Working season) ভিতৰত সম্পূৰ্ণ কৰিব পৰা যাব।

**বিষয় ঃ গাওঁ পঞ্চায়ত সমবায় সমিতিৰ সংখ্যা।**
**শ্ৰীনিজামুদ্দিন খানে সুধিছে ঃ**

৫৯। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) ৰাজ্যৰ গাওঁ পঞ্চায়ত সমবায় সমিতিৰ সংখ্যা কিমান ?

খ) এই সমবায় সমিতি সমূহ কেতিয়া আৰু কি ভিত্তিত প্ৰতিস্থা কৰা হৈছিল?

গ) অধিকাংশ সমবায় সমিতি লোকচানত চলি থকাটো সঁচানে ?

ঘ) যদি সচাঁ, কাৰণ কি ?

ঙ) তদন্ত মৰ্ম্মে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব নে ?

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত, (মুখ্য মন্ত্ৰী) য়ে, উত্তৰ দিছে ঃ**

ক) ৭০৭ খন।

খ) এই সমবায় সমিতি সমূহ ১৯৭৩-৭৪ চনত সেই সময়ৰ গাওঁ পঞ্চায়ত এলেকা সামৰি লৈ গঠন কৰা হৈছিল।

গ) সঁচা।

ঘ) সুস্থ পৰিচালনাৰ অভাৱ, ঋণ অনাদায়, ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ ব্যৱসায়ত সীমিত লাভ আৰু পৰিবহনত ক্ৰমান্বয়ে খৰছ বৃদ্ধিৰ ফলত লোকচান হৈ আছে।

ঙ) ইতিমধ্যে ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰামীন বিকাশ বেংকৰ লগত আলোচনাক্ৰমে তদন্তৰ ব্যৱস্থা কৰা হৈছে আৰু তদন্তকাৰী অনুষ্ঠানৰ চুপাৰিশ মৰ্ম্মে যথা সময়ত ব্যৱস্থা লোৱা হব।

**বিষয় ঃ গড়াখহনীয়াত ক্ষতিগ্ৰস্থ হোৱা পৰিয়ালৰ সংখ্যা।**

**শ্ৰীশুকুৰ আলীয়ে সুধিছে ঃ**

* ৬০। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) যোৱা বছৰৰ গড়াখহনীয়াত ৰাজ্য খনত মুঠ কিমান পৰিয়াল গৃহহীন হৈছে? (জিলা ভিত্তিত তালিকা সদনৰ মেজত দাখিল কৰিব)

খ) গৃহহীন লোকৰ মুঠ কিমান সংখ্যক লোকক পুনৰ সংস্থাপন কৰা হৈছে?

**ডঃ জয় নাথ শৰ্ম্মা (মন্ত্ৰী) য়ে, উত্তৰ দিছে ঃ**

ক) যোৱা বছৰৰ গৰাখহনীয়াত ৯৮১৭ টা পৰিয়াল গৃহহীন হৈছে। (জিলা ভিত্তিত তালিকা তলত দিয়া হৈছে)

(See the Annexure - I)

খ) এতিয়ালৈকে মুঠ ৬০৬ টা পৰিয়ালক পুনৰ সংস্থাপন কৰা হৈছে।

**Mr. Speaker :** Question Hour is over.

## UNSTARRED

## QUESTIONS AND ANSWERS

**Sub : Irregular Power Supply.**

**Shri Nazibul Umar asked :**

77. Will the Minister of Power be pleased to state :

a) What are the reasons for drastic power cut allotment to Targhat sub-Station of Dhubri District from last 1 (one) month approximately ?

b) What steps have taken by the Government to restore normal power allotment to Targhat Sub-station?

c) Whether it is true there is convention that better power supply is ensured during major festivals like Bihu, Idd, Durga Pooja.

d) Whether this year even on the day of Idd-Ul-Fitre there was no respite from power cut.

e) Why the Government has failed to ensure normal power supply on this holy occasion ?

**Shri Prafulla Kumar Mahanta, (Chief Minister) replied :**

a) There was shortage in the availability of peak period (5-30 P.M. to 10-30 P.M. each day) power during the last month as Eastern Regional Electricity Board and stopped to supply power to Assam State Electricity Board's Grid for non-payment of outstanding dues. As a result allotment of power to all the sub-stations including Targhat of Dhubri District had to be curtailed and regulated.

b) Assam state Electricity Board has promised to make part payment of the outstanding dues to Eastern Regional Electricity Board constituents and Eastern Regional Electricity Board has temporarily restored power supply to Assam State Electricity Board's Grid.

c) 'Yes', Assam State Electricity Board always try to maintain uninterrupted power supply during major festivals like Bihu, Idd and Durga Puja etc. Subject to availability of power.

d) Due to shortage in the availability the power cut had to be resorted to.

e) There was short-fall of 34.8% in lower Assam area and 28.9% in Upper Assam area during peak load hours against demand of power on 09-02-97 (Idd-Ul-Fitre day). Due to reasons mentined above on Question No. (a) supply of power throughout the state had to be regulated on that day.

**বিষয় ঃ বাগিছাৰ মাটি পট্টন।**

**শ্ৰীমতী ৰূপম কুৰ্মীয়ে সুধিছে ঃ**

৭৮। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) মৰিয়ণী নগৰৰ বহু মাটি কেইবাটাও চাহ কোম্পানীৰ অধীনস্থ মাটি হয় মন্ত্ৰী মহোদয়ে জানেনে ? যদি জানে ইয়াক চিলিং Surplas land ত পেলাই মাটি পট্টা দিয়াৰ ব্যৱস্থা কৰিব নে ? যদি কৰে কেতিয়া কৰিব জনাবনে ?

খ) বাগিছাৰ মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা মন্ত্ৰী মহোদয়ে কৰিবনে ?

**ডঃ জয়নাথ শৰ্মা (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

ক) মৰিয়ণী নগৰৰ সকলো মাটি কেইবাটাও চাহ কোম্পানীৰ অধীনত থকাটো সত্য আৰু উক্ত জমী চিলিং আইনৰ জৰিয়তে অধিগ্ৰহণ কৰা হৈছে। চিলিংত অধিগ্ৰহণ কৰা জমী ভূমিহীন লোকক ভূমিনীতিৰ অধীনত পট্টন/আৱন্টন দি থকাটো এটা প্ৰচলিত প্ৰক্ৰিয়া।

খ) বাগিছাৰ অধিগৃহীত জমী চিলিং আইন আৰু ১৯৮৯ চনৰ ভূমি-নীতি অনুসৰি পট্টন দি থকা হৈছে।

**বিষয় ঃ ১৯৯৪৯৫, ১৯৯৫-৯৬ অর্থ বর্ষের প্রদত্ত বিধায়ক তবহিলের কাম।**

**শ্রীশম্ভু শিং মাল্লা জিজ্ঞাসা করছেন ঃ**

৭৯। মাননীয় পরিকল্পনা এবং উন্নয়ন বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করে জানাবেন কি ঃ

ক) বিগত ২০ শে ডিসেম্বর ৯৬ ইং শিলচরে থেকে প্রকাশিত "দৈনিক প্রান্তজ্যোতি পত্রিকায়" 'অর্থনয়, অসহযোগিতাকে দায়িকরা হচ্ছে' শীর্ষক সংবাদের প্রতি সরকার অবহিত আছেন কি ? যদি আছেন, তাহলে উক্ত

ব্যাপারে দায়ী বিভাগীয় অধিকারিক ও কর্ম্মীদের বিরুদ্ধে কি কি শাস্তি মূলক ব্যৱস্থা নেওয়া হয়েছে বিশদ তথ্য সদনর মেঝে দাখিল করবেন কি?

(See the Annexure II)

খ) ১৯৯৪-৯৫ অর্থ বর্ষে MLA's Area Dev. Scheme এ প্রদত্ত করিমগঞ্জ জিলার Bazarghat Vocational Training Instiute এর ভৱন নির্মানের কাজ শীঘ্রেই শুরু করার জন্য কার্যকরী পদক্ষেপ গ্রহণ করবেন কি?

গ) Director Planning & Dev. কর্ত্তৃক প্রদত্ত No. PD/DCP/17/94-Pt.II/46 Dtd. 14.3.96. তারিখের W.T.Message অনুযায়ী করিমগঞ্জ জিলাধিপতি কি কি কার্যকরী পদক্ষেপ নিয়েছে Scheme অনুযায়ী বিশদ তথ্য সদনের মেঝে দাখিল করবেন কি?

ঘ) MLA's Area Dev. Scheme ৯৫-৯৬ অর্থবর্ষে প্রদত্ত দক্ষিণ করিমগঞ্জ Public Reading Room at Suprakandi Jubakalyan Parishad and Deshobandhu Club, Dalu এর নির্ম্মান কার্য্য শীঘ্রেই শুরু করার ব্যাপারে বিভাগীয় কর্ত্তৃপক্ষ কি কি কার্য্যকরী পদক্ষেপ নিয়েছেন বিশদ তথ্য সদনের মেঝে দাখিল করবেন কি?

**শ্রীপ্রফুল্ল কুমার মহন্ত (মুখ্যমন্ত্রী) য়ে উত্তর দিয়েছেন ঃ**

ক) সরকারের দৃষ্টিগোচর হয়েছে। জিলা উপায়ুক্তের প্রতিবেদন থেকে দেখা যায় যে প্রাক্তন বিধায়ক শ্রী পি, কে, নাথের ৮/৩/৯৬ তারিখের পরিকল্পনা ও উন্নয়ন বিভাগকে দাখিল করা স্কীম গুলির মধ্যে একটির ব্যতিত বাকী গুলির কাজ সম্পূর্ণ অথবা সম্পূর্ণ হওয়ার পথে (স্কিম গুলির বর্ত্তমান স্থিতি পরিশিষ্ট 'ক'তে উল্লেখ করা হয়েছে)।

খ) উক্ত স্কীম বর্ত্তমান বিধায়ক দ্বারা পরিবর্ত্তন করে জিলা উপায়ুক্তকে দাখিল করেছেন।

গ) বিভাগীয় বার্ত্তা নং PD/DCP/17/94/Pt-II/46,dtd. 14.3.96 মর্ম্মে বিভাগীয় অমুমোদন প্রাপ্ত স্কীম সমুহের রূপায়ন সম্পর্কে উত্তর 'ক' প্রশ্নোত্তরে উল্লেখিত হয়েছে।

ঘ) উক্ত স্কীম দবয়ের রূপায়নের জন্য সম্পূর্ণ টাকা দক্ষিণ করিমগঞ্জ খণ্ড

উন্নয়ন বিষয়াকে জিলা উপায়ুক্তের দ্বারা দিয়ে দেওয়া হয়েছে।

**বিষয় ঃ শ্লুইচ গেটৰ বাবে দাবী।**

**শ্ৰীমুনীন মহন্তই সুধিছে ঃ**

৮০। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) ৰহা জালী বান্ধৰ দীপসিং দলঙৰ কাষত এখন শ্লুইচ গেটৰ বাবে ৰাইজে যে দাবী জনাই আহিছে এই সম্পৰ্কে অৱগতনে ?

খ) শ্লুইচগেট নোহোৱাৰ বাবে মথাউৰি যে বিভিন্ন সময়ত ৰাইজে কাটি দিয়ে সেই সম্পৰ্কে অৱগতনে ?

গ) ১৯৯৭ চনলৈকে এই সময় চোৱাত মথাউৰিটো কিমানবাৰ বিভিন্ন স্থান কটা হৈছে জনাবনে ?

ঘ) প্ৰত্যেক বছৰে কটা স্থান সমূহ মেৰামতি কৰাত বৰ্ত্তমানলৈকে কিমান টকা খৰছ হৈছে জনাবনে ? (প্ৰত্যেক বছৰে খৰছ হোৱাৰ পৰিমাণ বেলেগে দেখুৱাব)।

ঙ) 'শ্লুইচ' গেট নিৰ্মাণৰ বাবে কিমান টকাৰ প্ৰয়োজন হব জনাবনে ?

চ) এই সম্পৰ্কে প্ৰাক্কলন প্ৰস্তুত কৰা হৈছে নেকি ?

**শ্ৰীপ্ৰমোদ গগৈ (মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

ক) হয়, অৱগত।

খ) হয়, অৱগত।

গ) প্ৰাপ্ত তথ্যমতে বিভিন্ন স্থানত ৫৪ বাৰ কটা হৈছে।

ঘ) সম্পূৰ্ণ তথ্য কৰি থকা হৈছে।

ঙ) প্ৰায় ৩০ লাখ টকাৰ প্ৰয়োজন হব।

চ) উক্ত স্থানত পানীদুৱাৰ নিৰ্ম্মাণৰ বাবে প্ৰাক্কলন প্ৰস্তুত কৰাৰ প্ৰস্তাৱ কৰা হৈছে।

**বিষয় ঃ সোনকোষ নদীৰ পৰা খহনীয়া।**

**শ্ৰীমোহন দাসে সুধিছে ঃ**

৮১। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) ২৬ নং পশ্চিম বিলাসী পাৰা সমষ্টিৰ অন্তৰ্গত খুদনামাৰী অঞ্চলত ২০ বছৰ ধৰি সোনকোষ নদীৰ তীব্ৰ গৰাখহনীয়া অব্যাহত থকা বিষয়টো অসম চৰকাৰ অৱগতনে ?

খ) যদি চৰকাৰ অৱগত তেন্তে বৰ্ত্তমানলৈকে গৰাখহনীয়া প্ৰতিৰোধ আঁচনি কাৰ্য্যকৰী কৰিব পৰা নাই কিয় ?

গ) গৰা খহনীয়া প্ৰতিৰোধৰ আঁচনিখন অহা এপ্ৰিল মাহতেই অনুমোদন লগতে প্ৰয়োজনীয় পুঁজিৰ আবন্টনৰ বাবে চৰকাৰে খৰতকীয়া ব্যৱস্থা লবনে ?

ঘ) গৰাখহনীয়া সূচনা হোৱাৰে পৰা আজিলৈকে ১ ম আৰু ২য় শালটাৰী আৰু খুদনামাৰী গাওঁৰ কিমান পৰিয়াল গৃহহীন, কিমান পৰিয়ালৰ মাটি বাৰী প্ৰৱল গৰাখহনীয়াত বিলীন হৈছে তাৰ নাম ঠিকনা সহকাৰে তথ্যপাতি সদনৰ মেজত দাখিল কৰিব ?

(See the Annexure -III)

ঙ) প্ৰৱল বানপানীৰ ফলত বোকাময় খেতি পথাৰত (য'ত শালি ধানৰ খেতি বৰ ভাল হয়) বালি আৰু শিলৰ দম পেলাই মৰুভূমিত পৰিণত কৰাটো সঁচানে? বালি আৰু শিল বোৰ যন্ত্ৰৰে আতৰাই বিভাগীয় কৰ্ত্তৃপক্ষই খেতিৰ বাবে উপযোগী কৰি তুলিবনে ?

**শ্ৰীপ্ৰমোদ গগৈ (বান নিয়ন্ত্ৰণ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

ক) হয়, চৰকাৰে এই বিষয়ে অৱগত।

খ) পুঁজিৰ অভাৱত গৰা খহনীয়া প্ৰতিৰোধ আঁচনি কাৰ্য্যকৰী কৰিব পৰা নাই।

গ) প্ৰয়োজনীয় পুঁজিৰ ওপৰত নিৰ্ভৰশীল।

ঘ) বিলাসীপাৰা ৰাজহ চক্ৰৰ পৰা পোৱা ১৯৮৬ চনৰ পৰা ১৯৯৬ চনলৈকে তথ্যমতে শালটাৰী গাওঁত ৭২ ঘৰ আৰু খুদনামাৰী প্ৰথম খণ্ডত ৩৭ ঘৰ মানুহ গৰা খহনীয়াৰ কবলত ক্ষতিগ্ৰস্ত হৈছে। (নাম ঠিকনা সদনৰ মজিয়াত দাখিল কৰা হৈছে)।

ঙ) তেনে আঁচনি এই বিভাগে ৰূপায়ণ নকৰে।

**বিষয় ঃ মহিলা কাৰাগাৰ।**

**শ্ৰীআব্দুৰ ৰৌফে, সুধিছে ঃ**

৮২। माननीय কাৰাগাৰ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) বৰপেটা কাৰাগাৰত (মহিলা) নাৰী সদনটো বন্ধ কৰা সঁচানে ?

খ) যদি সঁচা কাৰণ কি?

গ) বৰপেটাত মহিলা কাৰাগাৰৰ আচঁনি আছেনে ?

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

ক) হয়।

খ) মহামান্য উচ্চতম ন্যায়ালয়ে ৩-১০-৯৪ ইং আৰু ৫-৯-৯৫ ইং তাৰিখে দিয়া আদেশৰ ভিত্তিত চৰকাৰৰ অধিসূচনা নং এইচ্ এম বি/ ২৪৩/৯৩/অংশ/৩৪৫ তাং ৯-৮-৯৬ যোগে বৰপেটাত থকা নাৰী সদনটো বন্ধ কৰা হয়। (অধীসূচনাৰ প্ৰতিলিপি সংলগ্ন কৰা হ'ল)

(See the Annexure - IV)

গ) বৰপেটাত এখন মহিলা কাৰাগাৰ স্থাপনৰ প্ৰস্তাব চৰকাৰৰ বিবেচনাধীন হৈ আছে।

**বিষয় ঃ বানপানীত ক্ষতিগ্ৰস্ত হোৱা মথাউৰি।**

**শ্ৰীআবুবক্কৰ চিদ্দিক জোতদাৰে সুধিছে ঃ**

৮৩। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

ক) যোৱা বানপানীত ক্ষতিগ্ৰস্ত হোৱা মথাউৰিবোৰ পুনৰ নিৰ্মাণৰ বাবে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে ?

খ) বিস্তৰ ভাৱে ক্ষতি হোৱা মথাউৰিবোৰৰ নামবোৰ কবনে ?

**শ্ৰীপ্ৰমোদ গগৈ (বান নিয়ন্ত্ৰণ মন্ত্ৰী) য়ে, উত্তৰ দিছে ঃ**

ক) প্ৰাকৃতিক দুৰ্যোগ শিতানৰ ১৯৯৬/৯৭ ত পোৱা সীমিত পুঁজিৰ পৰা বানপানীত ক্ষতিগ্ৰস্ত হোৱা মথাউৰি সমূহৰ ১৩৯ ঠাইত মেৰামতি ও পুনৰ নিৰ্মাণৰ ব্যৱস্থা লোৱা হৈছে।

খ) বিস্তৰ ভাৱে ক্ষতিগ্ৰস্ত হোৱা মথাউৰিবোৰৰ তালিকা সন্নিবিষ্ট কৰা হ'ল।

(See the Annexure - V)

**Sub : Three member Enquiry Committee.**

**Shri Misbahul Islam Laskar asked :**

84. Will the Minister of Forest be plesed to state :

a) Whether Government has constituted a three member enquiry committee to prove the irregularities in the Department taking place since 1991?

b) If so, what are the terms of references of the enquiry committee?

**Shri Nagen Sarma (Minister) replied :**

a) Yes,

b) The Committee will examine the enquire into the following matters :

1) The number of plantation done during the period from 1991 to 1995 and amount spend therefore.

2) The total number of permits issued during the year 1991-1995.

3) The total number/Quantity of timbers issued against such permits.

4) The total number of illegal felling of trees in different Forest Divisions in Assam.

5) Number of officers involved and the kind of action taken against such officers with particular refernce to the number of officers already procecuted and the number of officers against whom departmental action is yet under process and also number of officers against whom such proceedings have been dorpped clearly stating the background for variation of action taken and the result ensured there from in each case.

The Committee has been asked to submit its reports to the Government within three months.

**Sub : Transfer a Government Servant.**

**Shri Kali Ranjan Deb asked :**

85. Will the Minister of Forest be pleased to state :

a) Is it a fact that normally a Government Servant is supposed to be transferred after completion of 3 (three) years of service at a place ?

b) If so, why one Shri Sarif Uddin Barbhuyan has been staying at the same place at Kalain of Cachar district for about last 3 years.

c) Whether the Government is not aware about so many complaints of corrupt practice adopted by the official in collusion with local anti-social elements for his long association with them and for his illegal gain depriving Government lacs of Rupees of Forest Royalty ?

d) In view of the above stated factor, whether Government will take immediate step to transfer him outside the district of Cachar ?

**Shri Ngen Sarma (Minister Forest) replied :**

a) Yes.

b) Shri Sarif Uddin Barbhuya Fr - 1 has been allowed to contiue in the Kalain Range under Karimganj Division in the interest of public service.

c) No complaint has been received against Shri Sarif Uddin Barbhuyan Fr. - 1

d) In view of the Govt. Policy regarding transfer and posting of Government servant, the proposal in respect of Shri Sarif Uddin Barbhuya, Fr - 1 has been taken up.

**বিষয় ঃ হৰিজনৰ বাবে আৱন্টন দিয়া মাটি।**

**শ্ৰীজ্যোতিষ দাসে সুধিছে ঃ**

৮৬। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) গোৱালপাৰা চহৰত হৰিজন সকলৰ বাবে আবন্টন দিয়া মাটি প্ৰকৃততে হৰিজন সকলে দখল কৰি আছেনে ?

খ) যদি নাই এই ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা লৈছে ?

**ডঃ জয়নাথ শৰ্মা (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

ক) গোৱালপাৰা চহৰত চৰকাৰী মাটি আবন্টন দিয়া মুঠ ৬০ টা হৰিজন পৰিয়ালৰ ভিতৰত ১৭ টা পৰিয়ালে মাটি নিজৰ দখলত ৰাখিছে। বাকী ৪৩ টা হৰিজন পৰিয়ালৰ মাটি অনা-হৰিজন লোকে বেদখল কৰি আছে।

খ) গোৱালপাৰা জিলা কৰ্তৃপক্ষই বেদখল উচ্ছেদৰ বাবে বেদখলী মোকৰ্দমা ৰুজু কৰিছে।

## বিষয় ঃ R.E.C. এ ৰাজ্য চৰকাৰৰ পৰা পাবলগীয়া ধন ।

**শ্ৰীবৰ্ণবাস তাঁতীয়ে সুধিছে ঃ**

৮৭। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) Rural Electrifucation Corporation (R.E.C.) এ ৰাজ্য চৰকাৰৰ পৰা মুঠ কিমান টকা পাবলৈ বাকী আছে ?

খ) ১৯৯৬-৯৭ চনৰ বিত্তীয় বছৰত Rural Electrification Corporation এ কি কি আচঁনি হাতত লৈছে ?

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে, উত্তৰ দিছে ঃ**

ক) ২৮-২-৯৭ তাৰিখলৈকে গ্ৰাম্য বৈদ্যুতিকৰণ নিগমে ঋণৰ বাবদ অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ পৰা ৬১.১৬ কোটি টকা পাবলৈ বাকী আছে।

খ) Rural Electrification Corporation এ নিজাববীয়াকৈ কোনো আঁচনি হাতত নলয়। এই নিগমে পৰিকল্পনা আয়োগে নিৰ্দ্ধাৰন কৰা লক্ষ্যৰ ওপৰত ভিত্তি কৰি পৰিষদে যুগুটোৱা আচঁনিৰ ৰূপায়নৰ বাবে বিত্তীয় সাহায্য (ঋণ) ৰ মঞ্জুৰী দিয়ে।

## Sub : Huge Quantity of Logs/Timber.

**Shri Gautam Roy asked :**

88. Will the Minister of Forest be pleased to state :

a) Whether it is a fact that Hailakandi Police has seized a Huge quantity of Logs/Timber at Garotpunji, Lalachera and Katakhal and handed over to Forest Department recently ?

b) What action has been taken against the culprits and if no action has been taken then why ?

c) Is it not a violation of Forest Conservation Act, 1980 and violation of Supreme Court's recent order ?

**Shri Nagen Sarma (Minister Forest) replied :**

a) Yes, from Garotpunji area only.

b) Ejahar has been lodged with Katlichera Police Station against the offenders.

One Forester - II has been placed under suspension for nagligence of duty.

c) No.

**Sub : Villages affected by Erostion.**

**Dr. Nazrul Islam asked :**

89. Will the Minister of Revenue be pleased to state :

a) How many villages are effected by erosion of river Bharhmaputra in Laharighat and Bhuragaon Revenue Circle (give circle-wise) since 1979 to till now) ?

b) What is the number of population affected in their two Circle ?

c) Where those people are residing at present ?

d) Whether Government has taken any measure for their rehabilitation ?

**Dr. Zoii Nath Sarma (Minister Revenue) replied :**

a) (i) 28 Nos. of villages in Laharighat.

(ii) 38 Nos. of village in Bhuragaon.

b) (i) 17,800 persons (2,500 Nos. of families) have been affected in Laharighat circle.

(ii) 41,270 persons (5,896 Nos of families) have been affected in Bhuragaon circle.

c) The effected people of Laharighat circle are residing at playground of Borthol Doloigaon H.S. School / BorboriJagiroad/Vgr of Chutiagaon/Embankment of the river Brahmaputra temporarily residing at Jagiroad Dimapur.

The affected people of Bhuragaon circle are residing in the adjacent villages or in other villages within and outside the circle.

d) (i) 473 Nos. of affected families of Laharighat circle were rehabilitated at Borbori reserve/Goroimari/ Patiabandha/Barangonipathar at Kathoni.

(ii) 357 Nos. of affected families of Bhuragaon circle were rehabilitated so far in MNP schemes. Steps are being taken to rehabilitate the remaining families subject to availability of land.

**Sub : Natural Calamities Fund.**

**Shri Wazed Ali Choudhury asked :**

90. Will the Minister of Revenue be pleased to state :

a) The total amount released as F.D.R. to the P.W.D. and Agriculture Department from Natural Calamities Fund of State Government during 1996-97

**Dr. Zoii Nath Sarma (Minister Revenue) replied :**

a) Out of the existing budget provision of C.R.F. for 1996097, the following amounts have been released so far :

1. P.W. Department... Rs. 525.00 Lakhs.
2. Agriculture Department... Rs. 523.40 Lakhs.

**বিষয় ঃ প্ৰাকৃতিক দুৰ্যোগৰ বাবে ধাৰ্য্য কৰা ধনৰ পৰিমাণ।**

**শ্ৰীৰচিদুল হকে সুধিছে ঃ**

৯১। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) ১৯৯৬-৯৭ চনৰ বিত্তীয় বছৰৰ বাবে প্ৰাকৃতিক দুৰ্যোগ শিতানত মুঠ কিমান টকা ধাৰ্য্য কৰা হয়?

খ) এতিয়ালৈকে মুঠ কিমান টকা খৰছ হ'ল?

গ) কোন কোন বিভাগক কিমান টকাৰ আৱন্টন দিয়া হ'ল?

**ডঃ জয় নাথ শৰ্মা (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

ক) ১৯৯৬-৯৭ চনৰ বিত্তীয় বছৰৰ বাবে প্ৰাকৃতিক দুৰ্য্যোগ শিতানত মুঠ ৫০.০১ কোটি টকা ধাৰ্য্য কৰা হৈছে।

খ) উক্ত ধাৰ্য্য কৰা ধনৰ পৰা এতিয়ালৈকে মুঠ ২৪,৩৮,৫৫,৫৫৩ টকা খৰচ কৰা হৈছে।

গ) বৰ্তমানলৈকে বিভাগ সমূহক তলত দিয়া ধৰণেৰে ধন আৱন্টন দিয়া হৈছে।

| | |
|---|---|
| ১। কৃষি বিভাগ | ৫,২০,৪০,০০০ টকা |
| ২। পশুপালন বিভাগ | ৬২,৯৮,৮০০ টকা |
| ৩। বান নিয়ন্ত্ৰণ বিভাগ | ১২,০০,০০,০০০ টকা |
| ৪। জন স্বাস্থ্য কাৰিকৰী বিভাগ | ১,২০,০০,০০০ টকা |
| ৫। জলসিঞ্চন বিভাগ | ৬,০০,০০,০০০ টকা |
| ৬। ৰাজনৈতিক 'খ' বিভাগ (চৰ অঞ্চল উন্নয়নৰ) | ১৯,৫৮,৪০০ টকা |
| ৭। গড়কাপ্তানী বিভাগ | ১০,০০,০০,০০০ টকা |
| ৮। বন বিভাগ (কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বাবে) | ৫০,০০,০০০ টকা |
| ৯। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ | ৫০,০০,০০০ টকা |
| ১০। ৰাজহ বিভাগ (ভূমিলেখ্য অধিকৰ্ত্তাৰ যোগে) | ১,০০,০০,০০০ টকা |

১১। পৌৰ নিগম /পৌৰ সভা আৰু নগৰ
সমিতিৰ বাবে (পৌৰ প্ৰশাসন বিভাগ) ৫,০০,০০,০০০ টকা

মুঠ ৪১,২৪,৯৭,২০০ টকা

(৪২ কোটি ২৫ লাখ ৯৭ হেজাৰ ২০০ টকা)

**বিষয় ঃ নিস্পত্তি নোহোৱাকৈ থকা গোচৰ।**

**শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে ঃ**

৯২। মাননীয় আইন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) অসমৰ উচ্চ ন্যায়ালয়ত কিমানটা গোচৰ এতিয়াও নিস্পত্তি নোহোৱাকৈ আছে জনাবনে?

খ) জিলা ন্যায়ালয় সমূহত আজিৰ তাৰিখলৈকে কিমান গোচৰ নিস্পত্তি নোহোৱাকৈ বাকী আছে জিলা ভিত্তিত এখন তালিকা সদনৰ মেজত দাখিল কৰিব?

গ) গোটৰ সমূহ নিস্পত্তিৰ বাবে কিবা কাৰ্য্যকৰী আচনি গ্ৰহণ কৰিছে নেকি?

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

ক) ৩২৮২৭ টা।

খ) মুঠ ১,৯০,৭৩৯ টা।

জিলা ভিত্তিত এখন তালিকা প্ৰথমে দিয়া হৈছে।

**(See the Annexure - VI)**

গ) উচ্চ ন্যায়ালয়ে লোক আদালত অনুস্থিত কৰাকে ধৰি বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে। গোচৰৰ নিস্পত্তি খৰটকীয়া কৰিবলৈ উচ্চ ন্যায়ালয়ত বিচাৰাধীন হৈ থকা গোচৰবোৰৰ শ্ৰেণী বিভাগ (Groupig & Classification) কৰিছে, উচ্চ ন্যায়ালয়ত কম্পিউটাৰ স্থাপন কৰিছে আৰু জিলা আদালত সমূহতো স্থাপন কৰাৰ ব্যৱস্থা কৰিছে।

**বিষয় ঃ পশুধন চিকিৎসাৰ বাবে আঁচনি।**

**শ্ৰীকৰুণা দত্তই সুধিছে ঃ**

৯৩। মাননীয় পশুচিকিৎসা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) পিচপৰা আৰু চৰ অঞ্চলৰ পশুধন চিকিৎসাৰ বাবে কিবা আঁচনি চৰকাৰে গ্ৰহণ কৰিছে নেকি?

খ) মাজুলী মহকুমাৰ বিভিন্ন চৰ অঞ্চলৰ পশুধনৰ চিকিৎসাৰ বাবে কেনে ব্যৱস্থা গ্ৰহণ কৰা হৈছে জনাবনে?

গ) বানপানী হোৱাৰ আগতেই পশুধনৰ বাবে যাৱতীয়া ঔষধ খাদ্য আদি চিকিৎসালয় সমূহত জমা ৰখাৰ কিবা ব্যৱস্থা গ্ৰহণ কৰিব পৰা হয় নেকি ?

ঘ) যদিহে ব্যৱস্থা গ্ৰহণ কৰিব পৰা হয় কোন মাহত জমা ৰখা ব্যৱস্থা লব জনাবনে?

**শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (পশু চিকিৎসা মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

ক) এই বিভাগৰ অধীনত সুকীয়া কোনো আঁচনি গ্ৰহণ কৰা হোৱা নাই। বিভাগৰ সাধাৰণ আঁচনি সমূহৰ যোগেদিয়েই উক্ত অঞ্চল সমূহলৈ সেৱা আগবঢ়াই থকা হৈছে।

খ) মাজুলী মহকুমাৰ চৰ অঞ্চলৰ পশু ধনৰ চিকিৎসাৰ বাবে মহকুমাটোত থকা পশু চিকিৎসালয় আৰু পশু চিকিৎসা কেন্দ্ৰৰ পৰা সেৱা আগবঢ়াই থকা হৈছে।

গ) হয়। পুঁজি অনুপাতে বিভিন্ন পশুচিকিৎসালয় আৰু পশু চিকিৎসা কেন্দ্ৰলৈ প্ৰয়োজনীয় দৰব পাতিৰ যোগান ধৰা হয়। বিভাগৰ চাহিদা অনুসৰি সংশ্লিষ্ট উপায়ুক্তৰ জৰিয়তে বানপানীৰ সময়ত খাদ্যৰ যোগান ধৰা হয়।

ঘ) প্ৰাপ্ত পুঁজিৰ ওপৰত নিৰ্ভৰ কৰি মে, জুন মাহত দৰব পাতি জমা কৰাৰ ব্যৱস্থা কৰা হয়।

## বিষয় ঃ বিদ্যুৎ পৰিষদৰ টকা পৰিশোধ।

**শ্ৰীভীমা তাতীয়ে সুধিছে ঃ**

৯৪। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) ৰাজ্য চৰকাৰৰ কোন কোন বিভাগে বিদ্যুৎ পৰিষদক টকা পৰিশোধ কৰিবলৈ বাকী আছে ? (For Electricity Bill)

খ) ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগ আৰু বিভিন্ন নিগমৰ পৰা মুঠ কিমান টকা বিদ্যুৎ পৰিষদে পাবলৈ বাকী আছে ? (Outstanding)

গ) উক্ত টকা আদায় পাবলৈ বিদ্যুৎ পৰিষদে কি কি ব্যৱস্থা হাতত লৈছে?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (শক্তি মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) ৰাজ্য চৰকাৰৰ ৩০ টা বিভাগে বিদ্যুৎ পৰিষদক টকা পৰিশোধ কৰিবলৈ বাকী আছে। অনুৰদ্ধ ১ আৰু ২ ত ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগ আৰু চৰকাৰৰ অধীনস্ত বিভিন্ন সংস্থা/পৰিষদ/নিগমৰ নাম আৰু দিব লগা বকেয়া ধনৰ পৰিমাণ সন্নিবিষ্ট কৰা হ'ল।

(See the Annexure - VII)

খ) ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগ আৰু বিভিন্ন নিগমৰ পৰা বিদ্যুৎ পৰিষদে পাবলগীয়া টকাৰ পৰিমাণ তলত দিয়া হ'ল ঃ

| | |
|---|---|
| ১। ৰাজ্য চৰকাৰৰ বিভাগ......টকা | ৮,২৩১.৯৭ লাখ টকা |
| ২। ৰাজ্য চৰকাৰৰ নিগম......টকা | ৬,৪০৭.৪১ লাখ টকা |
| মুঠ...... | ১৪,৬৩৯.৩৮ লাখ টকা |

(এই হিচাব ৩০-১১-৯৬ ইংৰাজী তাৰিখৰ মতে)

গ) উক্ত টকা আদায় পাবৰ বাবে বিদ্যুৎ পৰিষদে নিয়ম অনুযায়ী বিদ্যুৎ সৰবৰাহ বিচ্ছিন্ন কৰিবৰ বাবে জাননী জাৰি কৰিছে আৰু বিভাগ সমূহৰ কাৰ্য্যালয়বোৰ পৰ্যায়ক্ৰমে বিচ্ছিন্ন কৰা হৈছে। এই ক্ষেত্ৰত চৰকাৰৰ বিভিন্ন বিভাগৰ মুৰব্বী সকলৰ লগত, ক্ষেত্ৰ বিষয়া সকলৰ উপৰিও বিদ্যুৎ পৰিষদৰ মূখ্য কাৰ্য্যালয়ৰ পৰা সঘনাই যোগাযোগ কৰি থকা হৈছে।

**Sub : Shifting of Jail.**

**Shri Prithibi Majhi asked :**

95. Will the Chief Minister be plesed to state :

a) Whether Govt. is proposing to Shift the Jail of Dibrugarh from present place to Mancotta Kacharbari (near Dibrugarh T.V. Centre).

b) Whether land has already been alloted for the construction of proposed jail.

c) If so, when the construction will be started ?

**Shri Prafulla Kumar Mahanta (Chief Minister) replied :**

a) No.

b) Does not arise.

c) Does not raise.

বিষয় ঃ বিদ্যুৎ পৰিষদৰ টকা।

ডাঃ কল্যাণ কুমাৰ গগৈয়ে সুধিছে ঃ

৯৬। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) অসম বিদ্যুৎ পৰিষদৰ এন. টি. পি. চি. মেঘালয় চৰকাৰ আদি কৰি কি কি প্ৰতিষ্ঠানত সৰ্বমুঠ দিব লগা টকাৰ পৰিমাণ কিমান ?

খ) গোটেই অসমতে লাইটৰ যোগান ব্যৱস্থা উন্নতিৰ বাবে চৰকাৰে কি কি ব্যৱস্থা হাতত লৈছে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) যোৱা ১-১-৯৭ তাৰিখলৈকে অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে বিভিন্ন প্ৰতিষ্ঠান সমুহক দিবলগীয়া ধনৰ পৰিমাণ এনে ধৰণৰ (কোটি টকা) ঃ

| | |
|---|---|
| ১। এন. টি. পি. চি, | নাই |
| ২। মেঘালয় ৰাজ্যিক বিদ্যুৎ পৰিষদ | ৩৬.২৮ কোটি |
| ৩। পঃ বঙ্গ ৰাজ্যিক বিদ্যুৎ পৰিষদ | ৬০.১৯ কোটি |
| ৪। উৰিষ্যা ৰাজ্যিক বিদ্যুৎ পৰিষদ | ৩৫.১০ কোটি |
| ৫। দামোদৰ ভেলী কৰপোৰেশ্বন | ২.৩৪ কোটি |
| ৬। নীপকো | ১০২.৫৮ কোটি |
| ৭। এন এইচ পি চি | ১২.৫০ কোটি |
| ৮। পাৱাৰ গ্ৰীড কৰপোৰেশ্বন | ১০.৯৫ কোটি |
| ৯। অইল ইণ্ডিয়া লিমিটেড | ৪৫.৭৬ কোটি |
| ১০। গেছ অৰ্থৰিটি অৱ ইণ্ডিয়া | ৫৯.৬০ কোটি |
| ১১। অসম গেছ কোম্পানী লিমিটেড | ০.৯২ কোটি |
| ১২। ৰেলৱে | ০.৪৩ কোটি |
| ১৩। ইণ্ডিয়ান অইল কৰপোৰেশ্বন | ৮.৩৫ কোটি |

| | | |
|---|---|---|
| . সংস্থা সমূহ | | ১৪৯.৩০ কোটি |
| | সৰ্ব্বমুঠ | ৫২৪.৪০ কোটি |

খ) ৰাজ্যখনত বিজুলী যোগান ব্যৱস্থাৰ উন্নতিকল্পে উৎপাদন প্ৰবহন আৰু বিতৰণৰ ক্ষেত্ৰত ভালেমান আঁচনি গ্ৰহণ কৰা হৈছে। বিদ্যুৎ উৎপাদন বৃদ্ধিৰ বাবে অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে নতুন উৎপাদনৰ গোট স্থাপনৰ আঁচনি আৰু বৰ্ত্তমানে চলি থকা উৎপাদন গোট সমূহৰ পৰা অধিক বিদ্যুৎ উৎপাদনৰ বাবে নবীকৰণ আৰু আধুনিকীকৰণৰ আঁচনি হাতত লৈছে। প্ৰবহন (Transmission), ৰূপান্তৰ কৰণ (Transformation) আৰু বিতৰণ (Distribution) ব্যৱস্থাৰ উন্নতিৰ হকে লবলগীয়া আঁচনি সমূহ বাৰ্ষিক পৰিকল্পনাৰ অৰ্ন্তভূক্ত কৰা হৈছে।

**Sub : Plan money allocated to different Department.**
**Shri Abdul Muqtadir Choudhury asked :**

97. Will the Chief Minister be pleased to state :

a) Whether the Annual Plan Money allocated to differret department specially P.W.D. Department and placed before the S.P.D.C. Karimganj for the year 1995-96 have been released for execution. (Department-wise release of fund for Karimganj under Plan Money for the year 1995-96 may be mentioned)

b) If not, the reason thereof ?

**Shri Prafulla Kumar Mahanta (Chief Minister) replied :**

a) Annual Plan allocation to different Departments for 1995-96 for Karimganj District was Rs. 1170.73 lakhs which was subsequently revised to Rs. 1083.11 lakhs. Out of the this Rs. 947.69 lakhs was released. The position regarding release of fund is as per annexure attached.

(See the Annexure - VIII)

Allocation for P.W.D. (R) was Rs. 101.61 lakhs which

was revised to Rs. 95.98 Lakhs and P.W.D. released an amount of Rs. 3.37 lakhs.

b) The reason for non release of full amount against SPDC approved allocation mainly relate to non-receipt of ceiling and diversion of funds by the departments.

**বিষয় ঃ ভূমি সংৰক্ষণ দপ্তৰৰ আঁচনি।**

**শ্ৰীআলাউদ্দিন সৰকাৰে সুধিছে ঃ**

৯৮। মাননীয় ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) ভূমি সংৰক্ষণ দপ্তৰে পূৰ্ব্বতে কাৰ্যকৰী কৰা আঁচনি সমূহৰ স্থায়ী দপ্তৰ সম্পদ (Assets) বুলি লৈ ৰক্ষনাবেক্ষন কৰেনে ?

খ) যদি কৰে, কি দৰে কৰে ?

গ) পূৰ্বৰ পুৰণি আঁচনি সমূহ প্ৰয়োজন সাপেক্ষে সম্প্ৰসাৰণ মেৰামতি আৰু পুনঃ নিৰ্মাণৰ কৰা হয়নে ?

ঘ) যদি হয়, চলিত বছৰত তেনে কাম কৰা অথবা কৰাৰ ব্যৱস্থা হাতত লোৱা হৈছেনে ?

**শ্ৰীঅকন বাভা (ভূমি সংৰক্ষণ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

ক) হয়, কৰে।

খ) চৰকাৰে ধন আৱণ্টন দিয়াৰ সাপেক্ষে কৰা হয়।

গ) কৰা হয়, যদিহে নিদ্ধাৰিত ধন পোৱা হয়।

ঘ) চলিত বছৰত ধনৰ অভাৱত এনে ধৰণৰ কোনো কাম হাতত লব পৰা হোৱা নাই।

**Sub : Relief Camp.**

**Dr. Ardhendu Kumar Dey asked :**

99. Will the Minister, Relief and Rehabilitation be pleased to state :

a) How many Relief camps are there in the Bongaigaon

and Kokrajhar Districts ?

b) How many inmates are there in those camps?

c) What are the relief materials are distributed among those inmates?

d) What is the total cost of maney is incurred for mantaining those camps in every month?

e) Whether any money is diverted from plan money and DRDA money for mantaining those camps?

**Shri Prafulla Kr. Mahanta (Chief Minister) replied :**

a) 44 Relief camps and 21 Relief sheds.

b) 1,18,262 inmates.

c) Rice & Salt are distributed to the camp inmates, Mustard Oil and Dal were also distributed occasionally in Kokrajhar.

d) Rs. 1,80,17,499/- per month.

e) No.

**বিষয় ঃ পৰ্য্যটকৰ আকৰ্ষণ।**

**শ্ৰীহেমন্ত কলিতাই সুধিছে ঃ**

১০০। মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) অসম চৰকাৰে পৰ্য্যটনৰ বিকাশৰ বাবে কেনে ব্যৱস্থা গ্ৰহণ কৰিছে জনাবনে?

খ) অসমৰ পুৰণি মন্দিৰ পুখুৰী দেৱালয় সমূহ উন্নতি কৰণ কৰি পৰ্য্যটকৰ আকৰ্ষণৰ বাবে চিন্তা কৰি কেনে ব্যৱস্থা গ্ৰহণ কৰিছে জনাবনে ?

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

ক) অসম চৰকাৰে পৰ্য্যটন বিকাশৰ বাবে বিভিন্ন আঁচনি গ্ৰহণ কৰিছে। তাৰ ভিতৰত পৰ্য্যটক আবাস গৃহ নিৰ্ম্মাণ, ৰাষ্ট্ৰীয় পথৰ কাষত পৰ্য্যটকৰ বাবে জিৰণি চ'ৰা নিৰ্ম্মাণ, পৰ্য্যটক আকৰ্ষণ কৰা স্থানৰ উন্নয়ন, নৌকা বিহাৰৰ ব্যৱস্থা পৰ্য্যটন প্ৰচাৰ আদিয়েই প্ৰধান।

খ) কিছু মঠ-মন্দিৰৰ সমীপত জিৰণি ঘৰ নিৰ্ম্মাণৰ আঁচনি আছে।

**বিষয় ঃ পুনৰ সংস্থাপন।**

**শ্ৰীনিজামুদ্দিন খানে সুধিছে ঃ**

১০১। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) বৰপেটা জিলাত ১৯৯১ চনৰ পৰা ১৯৯৬ চনলৈকে কিমান পৰিয়াল গৰা খহনীয়াত উদ্বাস্তু হৈছে? (জিলা ভিত্তিত জনাব)

খ) গৰা-খহনীয়াত উদ্বাস্তু হোৱা পৰিয়াল সমূহৰ ভিতৰত কিমান পৰিয়াল উক্ত সময় ছোৱাত পুনঃ সংস্থাপন কৰা হৈছে ?

গ) বাকী থকা উদ্বাস্তু পৰিয়াল সমূহ অগ্ৰাধিকাৰ ভিত্তিত পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰিবনে ?

**ডঃ জয় নাথ শৰ্মা (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

ক) বৰপেটা জিলাত ১৯৯১ চনৰ পৰা ১৯৯৬ চনলৈকে মুঠ ৬২০৫ টা পৰিয়াল গৰা-খহনীয়াত উদ্বাস্তু হৈছে।

খ) গৰা-খহনীয়াত উদ্বাস্তু হোৱা উক্ত সময় ছোৱাত ২৯/২/৯৬ তাৰিখলৈ ১১১৪ টা পৰিয়ালৰ পুনৰ সংস্থাপন কৰা হৈছে।

গ) বাকী থকা উদ্বাস্তু পৰিয়াল সমূহৰ পুনৰ সংস্থাপন চৰকাৰৰ বিবেচনাধীন হৈ আছে।

**Sub : Number of Erosion Families.**

**Shri Amiul Islam asked :**

102. Will the Minister of Revenue be pleased to state :

a) Whether the Government have any record of families who have been displaced over the years due to the erosion of River Brahmaputra and its tributaries in Assam?

b) If yes, what is he total number of such families? (Please mention sub-division-wise break-up)

c) How many families have been rehabilitated so far? (Please mention the number of families who have been

rehabilitated so far in each sub-division)

d) Whether the Government have any decision to rehabilited the remaining families?

e) If year whether the Government have any time bound programme for their reselttlement?

f) Whether the Government received application from such displaced families requesting for their reseltlement ?

g) If yes, what is the number of such application till today? (Please mention the number of application received in each sub-division).

**Dr. Zoii Nath Sarma (Minister Revenue) replied :**

a) Yes.

b) 53546 Nos. of families as per report received so far.

c) 7375 Nos. of families as per report received so far.

(District-wise break-up enclosed)

d) Yes.

e) No time bound programme has been made, but Government will try to resettle them as soon as possible provided Government land is available.

f) Yes, 55 from some of them.

g) 1139 No. application received. (District-wise break-up enclosed).

(See the Annexure - XI)

**বিষয় ঃ বন্য জন্তুৰ বৃদ্ধি।**

**শ্ৰীভূপেন্দ্ৰ নাথ ভূঞাই সুধিছে ঃ**

১০৩। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহকৰি জনাবনে ঃ

ক) কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত বৰ্ত্তমান কিমান সংখ্যক গড়, কিমান সংখ্যক পহু, কিমান সংখ্যক বনৰীয়া ম'হ, কিমান সংখ্যক বনৰীয়া গাহৰী, কিমান

সংখ্যক ঢেকীয়া পতীয়া বাঘ, কিমান সংখ্যক ভালুক আছে জনাবনে?

খ) যোৱা ১৯৯৪-৯৫ চনৰ তুলনাত বৰ্ত্তমান ১৯৯৬-৯৭ চনত উল্লেখিত বন্য জন্তুৰ কিমান সংখ্যক বৃদ্ধি পাইছে বিতংভাৱে জনাবনে?

**শ্ৰীনগেন শৰ্মা (মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

ক) ১৯৯৩ চনৰ পিয়ল কৰোতে তলত উল্লেখিত সংখ্যাৰ গড়, পহু, ম'হ, বনৰীয়া গাহৰী, ঢেকীয়া পতীয়া বাঘ আৰু ভালুক কাজিৰঙা অভয়াৰণ্যত পোৱা গৈছিল।

| | | | |
|---|---|---|---|
| ১) | গড় | | ১১৬৪ টা |
| ২) | পহু | | |
| | ক) | দল হৰিণ | ৪২৭ টা |
| | খ) | শৰ পহু | ৩৪ টা |
| | গ) | হুগাৰি পহু | ১৪ টা |
| | ঘ) | ঘটিয়া পহু | ২০৪৮ টা |
| | | মুঠ | ২৫২৩ টা |
| ৩) | বনৰীয়া ম'হ | | ১০৩৪ টা |
| ৪) | বনৰীয়া গাহৰি | | ১০৯২ টা |
| ৫) | বাঘ | | ৭২ টা |
| ৬) | ভালুক | | ২ টা |

খ) যিহেতু ১৯৯৩ চনৰ পিচত কোনো পিয়ল হোৱা নাই, গতিকে বৰ্দ্ধিত জন্তুৰ সংখ্যা বৰ্ত্তমান ঠাৱৰ কৰিব পৰা নেযায়।

## Sub : Passage Over E. &. D. Bundh.

**Shri Bimalangshu Roy asked**

104. Will the Minister of Flood Control be pleased to state:

a) It is fact that thousands of people pass through the E&D bundh running from Maduraghat to Annapurna Ghat of Silchar Town?

b) It is not a fact that condition of aforesaid bund is extremely deplorable?

c) Will the Government improve the said bundh cum road for movement of pedestrians and vehicles?

d) If so, when?

**Sri Pramode Gogoi (Minister) replied :**

a) Yes, it is.

b) Yes, in some reaches.

c) Look into it.

d) Does not arise.

**বিষয় ঃ গাওঁৰ সংখ্যা আৰু বিজুলী যোগান।**

**শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ**

১০৫। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) তিনিচুকীয়া জিলাত কিমানখন গাওঁ আছে আৰু কিমান খন গাৱঁত বিজুলী যোগানৰ ব্যৱস্থা আছে?

খ) জিলাখনত মুঠ ট্ৰেন্সফৰমাৰৰ সংখ্যা কিমান? (পাৱাৰ অনুযায়ী)

গ) কিমানটা ট্ৰেন্সফৰমাৰ বিকল অৱস্থাত আছে?

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) উত্তৰ দিছে ঃ**

ক) তিনিচুকীয়া জিলাত মুঠ ১১৩৬ খন বসতিপূৰ্ণ গাওঁ আছে। তাৰে ৮০০ খন গাওঁ ১৯৯৬ চনৰ মাৰ্চ মাহলৈকে বৈদ্যুতিকৰণ কৰা হৈছে।

খ) জিলাখনৰ বিদ্যুৎ বিতৰণ ১১/০.৪ কিলোভল্টৰ ৯৬০ টা ট্ৰেন্সফৰমাৰ আছে।

গ) জিলাখনত মুঠতে ৩৬ টা ট্ৰেন্সফৰমাৰ বিকল অৱস্থাত আছে।

**বিষয় ঃ জনজাতীয় লোকৰ মাটিৰ ম্যাদি পট্টা।**

**ডাঃ দেৱকান্ত ৰামচিয়াৰীয়ে সুধিছে ঃ**

১০৬। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) জনজাতি আবেষ্টনীৰ ভিতৰত থকা বহু জনজাতীয় লোকৰ মাটি ম্যাদি পট্টা নোহোৱাতো চৰকাৰ অৱগতনে?

খ) যদি অৱগত সোনকালে মাটিৰ পট্টাৰ দিয়াৰ ব্যৱস্থা কৰিবনে?

ডঃ জয়নাথ শৰ্ম্মা (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) মাটি ম্যাদিকৰণৰ প্ৰক্ৰিয়া অব্যাহত আছে।

খ) প্ৰশ্ন নুঠে।

## Sub : Managing Committee of the G.P. Level.

**Shri Jagannath Sinha asked :**

107. Will the Minister of co-operative be pleased to state :

a) How many Managing Committees of the G.P. Level Co-operative Societies, have been formed by election?

b) Whether Adhoc Managing Committee of Goan Panchayat Level Co-operative Societies have been formed in Udharband Constituency ? Who suggested the name of members of the Adhoc Committee ?

**Shri Prafulla Kumar Mahanta (Chief Minister) replied :**

a) Till date, Managing Committee of 153 GPSS have been formed by election during 1996-97.

b) Yes, Adhoc Managing Committee in 5 (five) GPSS have been formed under Udharband Constituency. The name of members of Adhoc Committees have been selected by the Registrar of Co-operative Societies, Assam under the provisions of the Assam co-operative Societies Act. 1949.

## Sub : Adhoc Body.

**Shri Dileswar Tanti asked :**

108. Will the Minister of Co-operation be pleased to state :

a) Whether it is a fact that the Chairman of the Adhoc body of Tippuk Samabai Samity in Doomdooma area

is not a man of the local Co-operative area and not even a shareholder of the concerned Co-operative in the Tinsukia District ?

b) Whether it is also a fact that the Chairman of the Adhoc body of Kakopather Samabai Samity is also not of the local area, not even a share holder of the concerned Co-operative?

c) Whether it is also a fact that the present Chairman of the Co-operative of Kakopather earlier was Chairman of Tongna Samabai Samity who was earlier arrested on criminal charge of misappropriation and removed from office in earlier time ?

**Shri Prafulla Kr. Mahanta (Chief Minister) replied :**

a) Yes.

b) Yes.

c) Yes.

**Sub : Appointment of Advocate.**

**Shri Abdur Rouf asked :**

109. Will the Chief Minister be pleased to state?

a) How many Govt. Advocates have been appointed in different districts and sub-divisional Head Quarters in Assam?

b) Whether population pattern is reflected or not in the appointments made ?

c) If not, why ?

**Shri Prafulla Kr. Mahanta (Chief Minister) replied :**

a) Two hundred and sixteen.

b) Not reflected.

c) Section 24 of the Code of Criminal Procedure requires

the state Govt. to appoint Public Prosecutor/Addl. Public Prosecutors from a papel prepared by the District Magistrate in consultation with the sessions Judge of the District.

Rule 2(2) in chapter I in Part II of the Assam Law Department Manual requires the State Govt. to appoint Astt. Public Prosecutors from a panel prepared by Deputy Commissioner/Sub-Divisional Officer (Civil) in consultation with the Chief Judicial Magistrate/ Sub-Divisional Judicial Magistrate Rule 139 in chapter X in Part I of the said Manual requires the State govt. to appoint Government Pleaders and Asstt. Government Pleaders from a panel prepared by the Deputy Commissioner in consultation with District Judge. Those provision donot provide that the population pattern be reflected in such appointments.

**বিষয় ঃ মাটি পট্টন।**

**শ্ৰীনাজিবুল উমৰে সুধিছে ঃ**

১১০। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) চৰ অঞ্চলত বসবাস কৰা লোকক মাটি পট্টন দিয়াৰ কাম চৰকাৰে হাতত লৈছেনে?

খ) যদি লৈছে চৰ অঞ্চলৰ কিমান জন পৰিয়ালক এতিয়ালৈকে মাটি পট্টন দিয়া হৈছে?

**ডঃ জয়নাথ শৰ্ম্মা (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

ক) হয়।

খ) ৮৮৮৩ টা পৰিয়াল।

***Sub : Rs.500 Crores package as declared by the Central Government.***

***Shri Misbahul Islam Laskar asked :***

111. Will the Minister of Flood Control be pleased to state :

a) Which are the projects of Assam included in the Rs. 500 Crores package as declared by the Central Government ?

b) Whether the above mentioned amount ae grants of loan ?

c) When the work of the said projects shall start and which deptt. shall execute those project ?

**Shri Promod Gogoi (Minister, Flood Control) replied :**

a) Two schemes namely Pagaldia Dam Project and development of Hamrang Hasim are proposed to be included. The remaining schems are under process of finalisation.

b) The amount is proposed as hundred percent grants from Govt. of India.

c) Proposed to be started during the Five Year plan and department which shall exercise the projects will be decided inconsultation with Ministry of Water Resources and the Brahmaputra Board.

**Sub : Cachar Investigation Division.**

**Shri Kali Ranjan Deb asked :**

112. Will the Minister of Flood Control be pleased to state :

a) What are the constrains for not shifting the Divisional office of Cachar Investigation Division from Badarpur of Karimganj District of Katigora of Cachar District, where 90% of work of that Division exists and as this office was meant for Cachar District ?

b) In conceding the longstanding demand of the local people of Katigora, whether Government will take positive steps to shift divisional office of that Division to Kotigora from Badarpur, where suitable

accomodation is also avaiable?

**Shri Promod Gogoi (Minister, Flood Control) replied :**

a) The shifting order was not given effect for administrative reasons.

b) The Govt. will look into.

**বিষয় ঃ ৰিজাৰ্ভ ফৰেষ্ট আৰু প্ৰস্তাবিত ৰিজাৰ্ভ ফৰেষ্টৰ সংখ্যা।**

**শ্ৰীজ্যোতিষ দাসে সুধিছে ঃ**

১১৩। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) গোৱালপাৰা জিলাৰ কিমানখন ৰিজাৰ্ভ (R/F) ফৰেষ্ট' আৰু প্ৰস্তাবিত ৰিজাৰ্ভ ফৰেষ্ট (PRF) আছে আৰু ইয়াৰ মাটি কালি কিমান?

খ) উক্ত দুয়োটা খণ্ডতে অবৈধ বেদখল কিমান হৈছে? বেদখল মুক্ত কিমান কৰিলে আৰু তাৰ বাবে কি কাৰ্য্য ব্যৱস্থা হাতত লৈছে?

**শ্ৰীনগেন শৰ্মা (বন মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

ক) গোৱালপাৰা জিলাত মুঠতে ৫৪ খন সংৰক্ষিত বনাঞ্চল আৰু ৪৯ খন প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চল আছে। ইয়াৰ মাটি কালি যথাক্ৰমে ২৪১৯৯.৯৭ হেক্টৰ আৰু ১১৭৭৫.৯০ হেক্টৰ।

খ) সংৰক্ষিত বনাঞ্চলত বেদখলকৃত মাটিৰ পৰিমাণ ১৫৯৬.৭৯ হেক্টৰ আৰু প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চলত বেদখলকৃত মাটিৰ পৰিমাণ ২৭৭৬.৩৮ হেক্টৰ।

সংৰক্ষিত বনাঞ্চল আৰু প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চলত গত বছৰৰ অক্টোবৰ মাহৰ পৰা উচ্ছেদ কাৰ্য্য চলাই বৰজাৰ সংৰক্ষিত বনাঞ্চলৰ ৮৫ হেক্টৰ আৰু ৰাক্ষসিনী প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চলৰ ১১ হেক্টৰ মাটি বেদখল মুক্ত কৰা হৈছে। পুনৰ বেদখল যাতে নহয় তাৰ বাবে ইতিমধ্যে পুলি বাগান আৰু বাগান কৰাৰ ব্যৱস্থা লোৱা হৈছে।

**বিষয় ঃ গৰাখহনীয়া প্ৰতিৰোধ।**

**শ্ৰীমতী ৰূপম কুৰ্মীয়ে সুধিছে ঃ**

১১৪। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) মৰিয়নী নগৰৰ কেনেডী পাৰ্ক, জয়মতী আৰু উদয়পুৰত গৰাখহনীয়া ভয়াবহ ৰূপ ধাৰণ কৰাৰ কথা মন্ত্ৰী মহোদয়ে জানেনে? যদি জানে ইয়াক প্ৰতিৰোধ কৰাৰ ব্যৱস্থা লবনে?

খ) গৰা খহনীয়াৰ ফলত কিমান মানুহে গৃহহীন হৈছে মুঠ সংখ্যা পৰিয়ালৰ নামত তালিকা সদনত দাখিল কৰিব?

গ) মৰিয়নী সমষ্টিৰ টেঙাবাৰীৰ পৰা ভূঞাহাটলৈকে জাঁজী নদীৰ প্ৰবাল বান পানীৰ ফলত গৰাখহনীয়াৰ বিষয়ে মন্ত্ৰী মহোদয় অৱগতনে? যদি অৱগত ইয়াক ৰোধ কৰাৰ বিষয়ে ব্যৱস্থা কৰিবনে?

**শ্ৰীপ্ৰমোদ গগৈ (বান নিয়ন্ত্ৰণ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

ক) হয়, অৱগত। প্ৰয়োজনীয় বিত্তীয় পুঁজিৰ সাপেক্ষে ব্যৱস্থা লোৱা হ'ব।

খ) গৰা খহনীয়াৰ ফলত কোনোলোক গৃহহীন হোৱা নাই।

গ) হয়, অৱগত। প্ৰয়োজনীয় বিত্তীয় স্বচ্ছলতাৰ সাপেক্ষে প্ৰতিৰোধ আঁচনিৰ বিষয়ে বিবেচনা কৰা হ'ব।

## বিষয় ঃ বৈদ্যুতিক সামগ্ৰী চুৰি।

**ডাঃ কল্যাণ কুমাৰ গগৈয়ে সুধিছে ঃ**

১১৫। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) অসম বিদ্যুৎ পৰিষদৰ বৈদ্যুতিক সামগ্ৰী বিলাক চুৰি হোৱাৰ বাবে বছৰি কিমান টকা লোকচান হয়?

খ) চুৰি প্ৰতিৰোধৰ বাবে বিদ্যুৎ পৰিষদে কি কি ব্যৱস্থা লৈছে?

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

ক) অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ ব্যৱহৃত সামগ্ৰী সমূহ চুৰি হোৱাৰ বাবদ গড়ে বছৰি প্ৰায় ৬১,৪২,৮৬২ টকা লোকচান হয়।

খ) চুৰি প্ৰতিৰোধৰ বাবে পৰিষদৰ নিজা নিৰাপত্তাৰক্ষী সকলে বিদ্যুৎ উৎপাদন কেন্দ্ৰ গ্ৰীডচাৰ ষ্টেচন আৰু অন্যান্য দৰকাৰী ঠাই সমূহত পহৰা দিয়ে। তাৰোপৰি পুলিচ বিভাগৰ উৰ্দ্ধতম কতৃপক্ষৰ সৈতে সময়ে সময়ে চুৰি প্ৰতিৰোধৰ বাবে পৰ্য্যালোচনা কৰা হয়।

**Sub : Untied Fund.**

**Shri Abdul Muqtadir Choudhury asked :**

116. Will the Chief Minister be pleased to state ?

a) Whether it is fact that, Untied Fund of Rs. 28 lakhs allocated for Karimganj in 1994-95 and placed before the S.P.D.C. Karimganj for execution, has been placed in Revenue Deposit as a result fund alloted to different scheme by S.P.D.C. Karimganj in 1994-95 could not be executed.

b) If, so the reason thereof ?

**Shri Prafulla Kumar Mahanta (Chief Minister) replied :**

a) The amount of Rs. 26.04 lacs (not Rs. 28.00 lacs) was alloted to Karimganj district under Untied Fund 1994-95. This amount was kept in Revenue Deposit by Deputy Commissioner. Out of this amount, Rs. 2.50 lacs was released from Revenue Deposit for execution of works.

b) Because of difficult ways and means position release of fund was a problem, However in order that there was no lapse of fund in the financial year end, it was earlier decided to draw the fund by transfer to the Revenue Deposit account. Fund in Revenue Deposit is being released by the Government depending upon ways and means position.

(Unstarred Question No.117 was disallowed)

**বিষয় ঃ ৰজ্জু পথ নিৰ্মাণ।**

**শ্ৰীভূপেন্দ্ৰ নাথ ভূঞাই সুধিছে ঃ**

১১৮। মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত দেশী বিদেশী পৰ্য্যটকৰ আকৰ্ষণৰ বাবে পৰ্য্যটন

বিভাগে ৰজ্জুপথ (Rope way) নিৰ্মানৰ কিবা আঁচনি প্ৰস্তুত কৰিছেনে?

খ) যদি উক্ত আঁচনি হাতত লৈছে তেন্তে নিৰ্মানৰ কাম কেতিয়াৰ পৰা আৰম্ভ হ'ব?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) বৰ্ত্তমান Rope way ৰ (ৰজ্জুপথ) কোনো আঁচনি নাই।

খ) প্ৰশ্ন নুঠে।

**Sub : Proposal for Establishment of a Jail.**

**Shri Dileswar Tanti asked :**

119. Will the Chief Minister be pleased to state :

a) Whether the Govt. has any proposal for establishment of a Jail at the Dist. Head Quarter at Tinsukia ?

b) If yes what is the progress so far has been achieved in this direction ?

**Sub : F.D.R. Scheme.**

**Shri Abdur Rouf asked :**

120. Will the Minister of Flood Control be pleased to state:

a) What is the total fund allocation for the repairing of F.D.R. Schemes in flood control department during current financial year (please furnish break up district-wise)

(See the Annexure - X)

b) How much money have been allocated for repairing and restoration of Dabondia Langla E&D bund in Jonai L.A.C. this year?

**Shri Pramode Gogoi (Minister) replied :**

a) The total amount allocated for repairing of F.D.R. Schemes in Flood Control Department during the current year is Rs. 12.00 crores. The districtwise break-up allocation is placed in the floor of the

assembly.

b) An amount of Rs. 4.22 lakh is allocated for the work.

**বিষয় ঃ পশু চিকিৎসাৰ আধুনিকৰণ।**

**শ্ৰীমতী ৰূপম কুৰ্ম্মীয়ে সুধিছে ঃ**

১২১। মাননীয় পশু চিকিৎসা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে

ক) মৰয়নী সমষ্টিৰ নগৰত থকা পশু চিকিৎসালয়টি অতি জৰাজীৰ্ণ অৱস্থাত আছে চৰকাৰ অৱগত নে?

খ) যদি অৱগত ইয়াক আধুনিকীকৰণৰ ব্যৱস্থা চৰকাৰে কৰিব নে?

**শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

ক) হয়, অৱগত।

খ) হয়, পুঁজি সাপেক্ষে ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

**বিষয় ঃ বৃহৎ পৰিমাণৰ মাটি চাহ বাগিছাৰ বেদখল।**

**ডাঃ কল্যাণ কুমাৰ গগৈয়ে সুধিছে ঃ**

১২২। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) কেইবা লাখ বিঘা মাটি চাহ বাগিছাৰ বেদখলত আছে বুলি মাননীয় ৰাজহ মন্ত্ৰী ডাঙৰীয়াই কোৱা বুলি যোৰহাটৰ এখন দৈনিক কাকতত প্ৰকাশ হোৱাটো সঁচানে? কিন্তু কাৰ দোষৰ বাবে ইমান বৃহৎ পৰিমাণৰ মাটি আজি অসমৰ চৰকাৰে হেৰুৱালে?

খ) এই বেদখলৰ মাটি পুনৰ চৰকাৰৰ দখলত আনিবৰ বাবে কি কি ব্যৱস্থা চৰকাৰে হাতত লৈছে?

**ডঃ জয়নাথ শৰ্ম্মা (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

ক) সঁচা। বেদখলত থকা মাটি চৰকাৰৰ হাতৰ পৰা যোৱা নুবুজায়।

খ) ৰাজহ আইনৰ অধীনত সম্ভৱপৰ সকলো ব্যৱস্থা হাতত লোৱা হৈছে।

**বিষয় ঃ বনৰীয়া হাতীৰ আক্ৰমণ।**

**ডাঃ কল্যাণ কুমাৰ গগৈয়ে সুধিছে ঃ**

১২৩। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) বনৰীয়া হাতীৰ আক্ৰমণত প্ৰতিবছৰে বহুলোকৰ মৃত্যু হোৱাৰ কথাতো

সঁচানে ?

খ) এইটো সঁচানে অসমৰ বনাঞ্চল বেদখলকাৰীয়ে বসতি কৰাৰ কাৰণে হাতীৰ খাদ্য আৰু বিচৰণৰ ঠাই নোহোৱাৰ বাবেই গাওঁলৈ আহি খাদ্য বিচাৰি ৰাইজক উপদ্ৰপ আৰু আক্ৰমণ কৰি বহুতো লোকৰ প্ৰাণ হানি কৰিছে?

শ্ৰীনগেন শৰ্ম্মা (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) হয়, সঁচা।

খ) আংশিক সঁচা।

## DISSCUSSION ON ZERO HOUR MATTER

**Mr. Speaker :** Now, Zero Hour Notices. I call upon Hon'ble Member Shri Silvius Condpan.

**Shri Silvius Condpan :** Mr. Speaker Sir, I have a point of order. I may be allowed to submit. Yesterday and day before yesterday, unfortunately in course of the speech by one of our member Shri Narah, the House was excited especially the treasury bench. Everybody was pressing hard for expelling him from the House. While going to submit, I should be very clear that I have no authority to question the propriety of the ruling of the Hon'ble Speaker nor to pass any derogatory remarks against his ruling; but I want to make a submission that every judicial institution has got the scope to review the action taken in the later course. So, I have every reason to make my submission. Sir, from your own side you considered rightly to expel our Member, Shri Narah from attending the remaining hours of the House that day i.e. day before yesterday and also yesterday expelling him from attending the present session of the House till he begs pardon. In the House in the same course of development there ware two more incidents of indiscipline, one was day before yesterday when your honour gave your ruling to expel the Member, Shri Narah. We accepted that ruling and

we also staged a walk out to protest that. But your ruling could not satisfy the treasury bench and a very senior Member, Shri Hemen Das reacted to that and passed a remark that you have rather protected Shri Narah by expelling him for the rest of the day. But the Hon'ble Members from the treasury bench as well as Hon'ble Member, Shri Hemen Das tried to convince you to give a ruling of their choice and desire. The same thing happend yesterday too when Shri Atul Bora expressed his dis/satisfaction over your ruling and tried to impress upon you to review your earlier ruling. That was a dishonour to the Chair and you did not take cognigance to that and rather you had allowed indiscipline and disregard to the Chair. Sir, I have only pointed out this. They should have tendered apology for casting aspertions on the ruling of your honour. But that was not done. Shri Atul Bora could have been asked to behave like a Minister instead of casting aspertions on the ruling of the Chair. It was expected of him to extend productive support to the Chair. This was not a very healthy parliamentary practice in the House. Sir, that is why I would like to make my submission that in the present situation I would not cast aspertions on your ruling but we believe and it is our feeling that discrimination has been done. Equal action should have been taken. একেটা ঘৰতে একেটা পৰিস্থিতেই আপোনাৰ নিৰ্দ্দেশৰ ওপৰত এক্সপাজ্ঞ কৰিলে, তাত আপুনি একচন নললে Nor they were asked to beg pardon. We are only pointing out that. This is my submission for the greater interest of the House. I do not want to criticise your ruling in any way but my humble sumission to your honour that to ensure justice, your honour may kindly re-examine and re-

consider your ruling given yesterday, that Shri Narah will not be allowed to attend the present session to the House till he begs pardon. So, Sir, this is my submission. You kindly give a ruling.

শ্ৰীঅতুল বৰা (গড়কপ্টানী মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা কালি যিটো ৰুলিং দিয়া হৈছিল সেই স ম্পৰ্কত কন্দপান ডাঙৰীয়াই কৈছে। যোৱা কালি ক্ষমা নোখোজাৰ কাৰণে তেওঁক নিলম্বিত কৰা হৈছিল। মই জনাত ক্ষমা নোখোজা পৰ্য্যন্ত তেওঁক নিলম্বিত কৰা হৈছে মোৰ সতীৰ্থ মন্ত্ৰী, বিধায়ক সকলে তাকেই কৈছে কিন্তু টি.ভি, বাতৰি কাকত আদিত ক্ষমা নুখুজিলে চলিত অধিবেশনলৈকে নিলম্বিত কৰি ৰখাৰ কাৰণে ৰুলিং দিয়া বুলি প্ৰকাশ পাইছে। আচলতে এইটো অনিৰ্দ্দিষ্ট কাললৈকে হব লাগিছিল। তেও যদি ক্ষমা নোখোজে তেতিয়াহলে অনিৰ্দ্দিষ্ট কাললৈকে নিলম্বিত কৰণ হৈ থাকিব আৰু তেওঁ যদি ক্ষমা খোজে তেতিয়াহলে ১ মিনিট পিচতেই নিলম্বিকৰণ নাথাকিব। তেওঁ মোৰ বিৰুদ্ধে যি কথা কৈছে সেইটো প্ৰমাণ কৰিব পৰা নাই আৰু ক্ষমাও নোখোজে। যোৱা আগৰ চৰকাৰৰ সময়ত বিধান সভাত মাননীয় সদস্য দিলীপ কুমাৰ শইকীয়া, ৰমেন কলিতা জয়নাথ শৰ্ম্মা, নগেন শৰ্ম্মাকে ধৰি আমাৰ ৪ জন বিধায়কক এই সদনৰ পৰাই নি থানাত ৰখা হৈছিল। যোৱা কালি যিটো ৰুলিং আছিল সেইটো অনিৰ্দ্দিষ্ট কাললৈকে আছিল। এজন সদস্যই মই অনুপস্থিত থকা অৱস্থাত কলে। মই উপস্থিত থকা অৱস্থাত কলে উত্তৰ দিবলৈ পাৰিলোহেতেন। তেওঁ বেলতলাৰ যিটো কথা কৈছে মই তাত এক চেকেণ্ডৰ কাৰণেও খাৰা হোৱা নাই আৰু ইলেক্চনৰ সময়তো তাত ভোট বিচাৰি যোৱা নাই। তেও মোৰ বিৰুদ্ধে যিটো এলিগেচন আনিছে তাৰ প্ৰমাণ দিয়ক। প্ৰমাণ দিব পাৰিলে মই ৰাজনীতি নকৰো তেওঁৰ দোষৰ বাবে তেওঁ ক্ষমা খোজক। মইও পাচ বছৰ এম, এল, এ আছিলো। মইও যি কোনো কথা কৈ দিব পাৰিলোহেতেন। যি জন সদস্যই ক্ষমা নোখোজে, জেদ কৰি থাকে গতিকে যোৱা কালিৰ অনিৰ্দ্দিষ্ট কাললৈকে যিটো ৰুলিং আছিল সেইটো ৰুলিংয়েই থাকিব লাগে।

*শ্ৰীচিলভিউচ কন্দপান ঃ ৰুলিং আমাৰ দলৰ প্ৰতি যিটো দিলে— Sir, there is every scope for you to review in the light of already

* Speech not corrected

offence committed by the other Members in the House and your ruling.

We are not criticising that you are partisan. We are only appealing that let there be a convention in this House because this House is in no way less than a judiciary and so there is every scope to review and re-examine. সেইটো ইয়াত কগনিজেন্চ লোৱা হোৱা নাই যে আমাৰ দৃষ্টিগোচৰ হৈছে। মই কেৱল আপিলহে কৰিছো।

*শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয়, বিৰোধী দলৰ দলপতি আৰু মাননীয় সদস্য সকলে আৰু মন্ত্ৰী ডাঙৰীয়াই যিটো বিষয় উল্লেখ কৰিছে সেইটো গুৰুত্বপূৰ্ণ কিন্তু আচল কথাটো হ'ল সদনত আলোচনা কৰোতে সদস্য সকলে গঠনমূলক সমালোচনা কৰক তাত আপত্তি কৰিবলগীয়া নাই। কিন্তু গঠনমূলক আলোচনাৰ ঠাইত কোনো সদস্যৰ বিৰুদ্ধে আক্ৰোশমূলক বা আক্ৰমণাত্মক ভাবে সমালোচনা কৰিলে ইয়াৰ দ্বাৰা মাননীয় সদস্য জনৰ বাহিৰত বা ভিতৰত যথেষ্ট দেমেজ হয়, কিয়নো ইতিমধ্যে দুই এখন বাতৰি কাকতত এই বিষয়ে উল্লেখ কৰিছে। মাননীয় বিৰোধী দলৰ নেতা গৰাকীক জনাব বিচাৰিছো We cannot criticize the ruling of the Hon'ble Speaker and I want to know as such statement which has been published today in the North East Times news paper, whether is correct or not. এনেকুৱা ধৰণৰ ঘটনা হয় আৰু এইবিলাক উপশম হোৱাতকৈ বাঢ়িহে যাব। মই ৰাজ্যপালৰ ভাষনতো ইতিমধ্যে উল্লেখ কৰিছো যে আমি গঠনমূলক আলোচনা কৰিব লাগে আৰু আমাৰ মাননীয় সদস্য সকলৰ অসীম ধৈৰ্য্য আৰু সহিষ্ণুতা থকাতো দৰকাৰ, প্ৰত্যেক জন মাননীয় সদস্যৰে 'টলাৰেন্স অৰ্থাৎ সহ্য গুণ থাকিব লাগে, যি কোনো সময়ত আলোচনা আগবঢ়াওতে দেশৰ বৃহত্তৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি গঠনমূলক পৰামৰ্শ আগবঢ়াব লাগে। আমাৰ ৰাজ্যখনৰ সহস্ৰ সমস্যা আছে, গতিকে এই বিষয়টো লৈ আমি আৰু বেচি সময় আলোচনা কৰি থাকিলে আমাৰ অভূতপূৰ্ব আলোচনা বিলাক সমাধান নহয়, গতিকেই এই বিষয়ে আৰু বেচি সময় আলোচনা নকৰি বিৰোধী পক্ষ্যৰ দলপতি মাননীয় সদস্য ভৰত

* Speech not corrected

নবহ আৰু আৱশ্যক হলে মাননীয় মন্ত্ৰী অতুল বৰা ডাঙৰীয়াক মাননীয় অধ্যক্ষই তেখেতৰ চেম্বাৰলৈ মাতি আনি বিষয়টো আলোচনা কৰি ইয়াৰ এটা সুস্থ নিষ্পত্তি কৰি সদনৰ এটা সুস্থ পৰিবেশ তৈয়াৰ কৰক। কথাবিলাক বুজাবলৈ চেষ্টা কৰক। গতিকে এতিয়া আমি আৰু এই বিষয়ে আলোচনা নকৰি সদনৰ অন্যান্য জৰুৰী বিষয় বিলাক আলোচনা আৰম্ভ কৰিব লাগে। এই বিষয়টোলৈ আলোচনা কৰি সময় নষ্ট কৰিব নালাগে।

***Shri Surendra Nath Medhi (Minister) :** Hon'ble Speaker, Sir, the difficulties arise there because our Hon'ble Members did not go through this things and therefore trouble arises because most of us do not know the Rules and Procedure and Conduct of Business in the Assam Legislative Assembly. aprently Mr. Bharat Narah has violated some of the provisions of the Rules and I would like to refer to the Rules to be obseved by our Members viz. Section - 275, which reads - "While the House is sitting, a member -

i) Shall not read any book, newspaper or letter except in connection with the business of the House.

ii) Shall not interrupt any member while speaking by improper expresion or noises or in any other improper manner.

iii) Shall go to the Chair while taking or leaving his seat.

iv) Shall not pass between the Chair and any member who is sitting;

v) Shall not leave the House when the addressing the House;

vi) Shall always address the Chair;

vii) Shall keep to his usual seat;

viii) Shall maintain silence when not speaking in the

* Speech not corrected

house;

ix) Shall not applaude when a stranger enters an of the gallery or the special Box;

x) Shall not while speaking make any reference to the strangers in any of the galleries;

xi) Shall not obstract proceedings, his or interupt and shall avoid making running commentaries when speeches are being made in the House."

Again I would like to quote Rules of debate - 279(1)

A member while speaking shall not –

"i) Refer to any matter or fact on which a judicial decision is pending;

ii) make a personal charge against a member;

iii) use offensive expressions about the conduct or proceedings of Parliament or any State Legislature;

iv) reflect on any determination of the House except on motion for rescinding it;

v) reflect upon the conduct of persons in high authority unless the discussions is based on a substantive motion drawn in proper term;"

The day before yesterday Hon'ble Member, Shri Bharat Narah brought charges against some Hon'ble Ministers and one M.P. which were unfounded and thus he violated the Rules of procedures and conduct of Business in Assam Legislative Assembly and yesterday the Hon'ble Speaker gave his rulling asking him to leave the House for the entire session. If the Hon'ble member Shri Hemen Das can tender his apology for commiting certain mistake, I do not know why Mr. Bharat Narah can not tender his apology. I do not find any difficulty should arise in tendering his

* Speech not corrected

apology today or tomorrow.

***Shri Devanand Konwar :** Hon'ble Speaker, Sir I would like to make a few submission. Sir, I seek your permission to make a few observations (interruption...........). If I have your permission then I will go ahead. I would like to make a short submission by way of addition to what the opposition leader has said. I am very mind/ful that while I am in the House I cannot criticise the ruling. I am bound as well as the House is bound by the ruling that has been given by your honour yesterday. Since I have your permisssion to make a submission, I am emphasasing submission for you few consideration in the light of the fact which I am going to place before the august House. Fortunately or unfortunately, I was not present in the House when the statement of allegations were made by my colleague by Shri Bharat Narah. He has made some very undignified and derogatory remarks which ought not have been done as pointed out by various Hon'ble Members from the treasury bench as well as from our opposition bench. But, Sir, I would submit for your consideration that this must not be taken, I emphasise, by way of criticism, by way of questioning the ruling which no Member in the House is competent to do so against the Chair. But, Sir, it is clear from the record that the speech was wholly and totally expunged by the Hon'ble Deputy Speaker who was in the Chair at that moments.

Secondly, when you have taken the Chair you yourself has been pleased in taking the sense of the House to expunge the speech ............

But thing is, Sir, it is clear from the records that the

speech was wholly and totally expunged by the Hon'ble Deputy Speaker who was in the Chair at that moment. Secondly, Sir, when you have taken up the Chair at that moment, you yourself was pleased, taking the sense of the House into consideration, expelled the Member for the whole day. Once it is expunged, it may be taken as if the Member did not make any such speech in the House.

**Mr. Speaker :** What is your Point of Order ?

***Shri Debanand Konwar :** Your Honour had been pleased to expel the Member. Your Honour had been pleased to give panel action by expelling the member for the day. That was day before yesterday. Your Honour yesterday while giving the ruling on the basis of a ruling by quoting from ....

(interruptions)

In that ruling, in speech was expunged, but no panel action was taken in that case. Your Honour had been pleased to give panel action again.

***শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (কৃষিমন্ত্ৰী) ঃ** এইযে এতিয়া বিধান সভাৰ সদন চলি আছে এইটো কি অৱস্থাত চলি আছে মাননীয় অধ্যক্ষ মহোদয় জনাবনে? (ভইচ জিৰো আওৱাৰ)

**Mr. Speaker -** You cannot explain his position.

***Shri Debanand Konwar –** I agree that you have got the power. You have got the power to review also, the matter.

**Mr. Speaker -** My primary and fundamental duty is to maintain the order in the House মই কেতিয়াবা সদনৰ শৃঙ্খলা ৰক্ষা কৰিবৰ কাৰণে, দেখা বস্তু নেদেখা আৰু শুনা কথা নুশুনাৰ ভাও ধৰিবলগীয়া হয়। অভিজ্ঞ বিধান সভাৰ সদস্য সকলে নিয়মনীতি মানি

* Speech not corrected

সদনৰ কাৰ্য্যসূচী সুকলমে চলাই নিয়াটো আৰু সদনৰ সজীৱতা ৰক্ষাকৰি কাৰ্য্যসূচী আগবঢ়াই নিয়াটো আমাৰ সকলোৰে কৰণীয় কাম। আৰু সদনৰ শৃঙ্খলা ৰক্ষা কৰাটো আন্তৰিকতাৰে সৈতে আপোনালোকেও বিচাৰে আৰু মইও বিচাৰো। এতিয়া দুটামান কথা আপোনালোকক ক'ব বিচাৰো সেইটো হৈছে সংবিধানৰ ১১১ পৃষ্ঠাত As per M.L. Kaul and S.L. Shakdhers' Practice and procedure of parliament at page III, Ruling of the Speaker says that "the Speaker's rullings canot be questioned except on a substantive motion. A member who protests against the ruling of the Speaker commits contempt of the House and the Speaker". স্পীকাৰৰ ক্ষেত্ৰত যিটো কৈছে Orientation Course মই এমেচাৰ কৰ্চ কৰোতে, যিসকলে এই কৰ্চ কৰিছিল ভাৰতবৰ্ষৰ সংবিধানত। এই ক্ষেত্ৰত আমি নতুন সদস্য সকলৰ পৰা যি পাইছো, পুৰণি সদস্য সকলৰ পৰা তেনে অসুবিধা পোৱা নাই। "The Speaker's decision is equally binding whether given in the House or on a departmental file. He is not bound to give reasons for his decisions. Members cannot criticise directly or indirectly, inside or outside the House, any ruling given, opinion expressed or statement made, by the Speaker. Observations made by the Speaker in the House cannot be interpreted in private corresondences".

গতিকে আমি আশা কৰিছো যে সদনৰ মানমৰ্য্যাদা অটুত ৰাখি এই সকলৰ পৰা অসমৰ জনগনে খুব আশাৰে বাট চাই থাকে যাতে পাব লগীয়া সু-সিদ্ধান্তখিনি তেওঁলোকে পাব পাৰে। সেয়েহে, এই ক্ষেত্ৰত শান্তি, শৃঙ্খলা বজাই ৰাখি নীতি নিয়মৰ মাজেৰে কাৰ্য্যাৱলী আগবঢ়াই নিয়াটো সকলোৰে, কৰ্ত্তব্য হোৱা উচিত আৰু এইক্ষেত্ৰত সকলো তত্পৰ হ'ব লাগে। এইখিনি কথা বিৰোধী দলৰ দলপতিৰ পৰা শুনিলো আৰু ইয়াতেই অধিক সময় খৰচ কৰিব নিবিচাৰো। তথাপি মই বিৰোধী দলৰ দলপতিক আৰু বিধান সভাৰ সদস্যসকল, বিভিন্ন গোটৰ দলপতি সকলক আজি বিধানসভাৰ কাৰ্য্যসূচীৰ ঠিক পাচতেই সদনৰ দলপতিৰ সৈতে মোৰ কোঠালৈ আলোচনাৰ বাবে আমন্ত্ৰণ জনালো। (শূন্য সময়ৰ প্ৰশ্নোত্তৰ

কাল)।

Now, Zero Hour. I have received two Zero Hour notices for 12.3.97 from the Hon'ble Members, Shri Munin Mahanta and Shri Nazamuddin Khan. I now call upon the Hon'ble Members, Shri Munin Mahanta to raise his Zero Hour Motion which was published in Dainik Asom dated 10.3.97 under the caption "পবিতৰাত দুষ্কৃতিকাৰীৰ অভিযান অব্যাহত"।

* **শ্ৰীমুনীন মহন্ত** ঃ মাননীয় অধ্যক্ষ মহোদয়, পবিতৰা অভয়াৰণ্যৰ সম্পৰ্কত যোৱাবাৰ বিধান সভাত বিভিন্ন প্ৰশ্ন উত্থাপন কৰা হৈছিল। কিন্তু বৰ দুখৰ কথা যে এই বিষয়ত মাননীয় বনমন্ত্ৰীৰ দৃষ্টি আকৰ্ষিত হোৱা নাই। গতিকে বিভিন্ন বাতৰি কাকতত প্ৰকাশ পোৱা মতে এই পবিতৰা অভয়াৰণ্যৰ এশিঙিয়া গড়ৰ ৰক্ষনাবেক্ষনৰ কোনো ব্যৱস্থা হোৱা নাই। আজি বহুতো চোৰাং চিকাৰীয়ে এই গড়ৰ হত্যাৰ প্ৰচেষ্টা চলাই আহিছে। যোৱা বছৰ আগষ্ট মাহত পোৱালীৰ সৈতে মাইকী গড় এজনী বিজুলি সংযোগ ঘটাই হত্যা কৰা হৈছিল আৰু যোৱা ডিচেম্বৰ মাহতো মতা গড় এটা হত্যা কৰি খড়গটো দুস্কৃতিকাৰীয়ে কাঢ়ি লৈ যোৱাৰ বাতৰিটো সকলোৰে বিদিত। বিগত সময়ছোৱাত পবিতৰা বনাঞ্চলৰ বনঞ্চালীক বিষয়া গৰাকীৰ সোপাধিলা স্বভাৱৰ কাৰণেই যোৱাবছৰটোত ৫ টা গড় হত্যা কৰা হ'ল। এতিয়া অলপতে যোৱা ৫ মাৰ্চ তাৰিখে অভয়াৰণ্যখন কমাৰপুৰ কেম্পৰ ওচৰতে দুস্কৃতিকাৰীয়ে গড় অহা-যোৱা কৰা পথত বিজুলি সংযোগ কৰি থৈছিল। কিন্তু সেই নিশা বিজুলীপ্ৰবাহ ব্যাহত হৈ আছিল। পিছত বন ৰক্ষীয়ে দেখা পাই সেই সংযোগ বিছিন্ন কৰি পেলায়, ফলত গড় কেইটা ৰক্ষা পৰিল। এতিয়া আমাৰ বিষয় হ'ল যে এই আপুৰুগীয়া সম্পদবোৰ ৰক্ষণাবেক্ষণ দিয়াত আৰু যিসকল বন বিষয়াই এই দুস্কৃতিকাৰী সকলক সহায় কৰে তদন্ত কৰি তেওঁলোকৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। দ্বিতীয়তে বন ৰক্ষীসকলক যিখিনি সা-সুবিধা দিবলগীয়া আছে সেইখিনি অতি সোনকালে দিব লাগে।

মই ভাবো পবিতৰালৈ যোৱাৰ ব্যৱস্থা ঠিক কৰিলে কাজিৰঙাই যেনেকৈ বিদেশী পৰ্য্যাটক সকলক আৰ্কষণ কৰে পবিতৰাটো সেইটো

---

* Speech not corrected

কৰিব পাৰি। তাত যিটো ফিচাৰী আছে সেইটোও দখল কৰিবলৈ চেষ্টা কৰি আছে। সেয়ে মই মন্ত্ৰী মহোদয়ক জনাব বিছাৰিছো যে এই ফিচাৰীটো লিজত দিব নালাগে। যদি দিয়া হয় তেন্তে সেই ফিচাৰীটো চোৰাং চিকাৰীৰ ৰম্যভূমি হব। তাত খেৰৰ মহল এটা আছে। এই খেৰৰ মহল আৰু ফিচাৰীটো যদি আবন্টন দিয়া হয় তেন্তে সেই ঠাইৰ সম্পদ ৰক্ষা কৰিব পৰা নহব। পবিতৰা খন সম্প্ৰাসাৰণ কৰি আৰক্ষী আৰু বন ৰক্ষী সকলক শক্তিশালী কৰিবলৈ অনুৰোধ জনাই মোৰ ব্যক্তব্যৰ সামৰণি মাৰিলো।

*শ্ৰীনগেন শৰ্ম্মা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, বিধায়ক গৰাকীয় যিটো কথা উত্থাপন কৰিছে তাৰ পৰিপ্ৰেক্ষিতত গভীৰ বাৰে আলাপ আলোচনা চলি আছে। পবিতৰাৰ মাটি কালি কম। সেয়ে ইতিমধ্যে ব্যৱস্থা হাতত লৈছো। এই বিষয়ত ব্যৱস্থা লম। আমাৰ চৰকাৰে পবিতৰা উন্নয়নৰ কাৰণে ব্যৱস্থা হাতত লৈছে। তাত থকা যিটো ফিচাৰীৰৰ কথা উল্লেখ কৰা হৈছে সেইটো আবন্টন দিয়া নহয় বুলি ইতিমধ্যে সিদ্ধান্ত লোৱা হৈছে। আৰু খেৰৰ আবন্টন দিয়া বন্ধ কৰা হৈছে। কিন্তু ইতিমধ্যে চোৰাং চিকাৰীয়ে ইলক্ট্ৰিফিকেচনৰদ্বাৰা দুই এটা গড় নিধন কৰা বাতৰি আমি পাইছো। কিন্তু যোৱা জানুৱাৰী, ফেব্ৰুৱাৰীত সেইটোও বন্ধ হৈছে। গড় নিধন কৰিব পৰা নাই। পৰবৰ্ত্তী সময় ছোৱাত এই পবিতৰা চালে চকুৰোৱা কৰি তুলি বিদেশী পৰ্য্যটকৰ দৃষ্টি আকৰ্ষণ কৰাৰ কাৰণে চৰকাৰৰ তৰফৰ পৰা আঁচনি বিবেচনা কৰিছো। ধন্যবাদ।

**Mr. Speaker :** Now I call upon Hon'ble Member, Shri Nizamuddin Khan to raise his zero Hour motion published in the Dainik Agradoot dtd. 10.3.97 under the Caption "এছকাৰ্ড বেংকৰ দুৰ্নীতিৰ তদন্ত চি. বি আইক দিয়াৰ দাবী"।

*শ্ৰীনিজামুদ্দিন খান ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১০ তাৰিখৰ অগ্ৰদূতত প্ৰকাশিত বাতৰিটোৰ প্ৰতি মই বিত্ত মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। ইয়াত উল্লেখ কৰা হৈছে যে বৰ্ত্তমান এচকাৰ্ড বেংকত ব্যাপক দুৰ্নীতি সংঘটিত হৈছে। নাবাৰ্ড আৰু পিয়াৰলেচৰৰ পৰা এই বেংকে লোৱা ঋণ এতিয়াও পৰিশোধ কৰা নাই। তাৰ পৰা শতকৰা ১৯ কৈ টকাকৈ ইন্টাৰেষ্ট দি লোন লৈ এই টকা পৰিশোধ নকৰাকৈ সেই বেংকৰে কিছুমান বিষয়া

* Speech not corrected

কৰ্ম্মচাৰীয়ে শতকৰা ৯ টকা হাৰত ইন্টাৰেষ্টতত লোন লৈ আন আন কামত খটুৱাইছে। নাইবা যিকোনো কামত ব্যৱহাৰ কৰিছে। মই জনাত এই এচকাৰ্ড বেংকে কৃষি যুক্ত কামতহে নৰ্মচ অনুযায়ী লোন পাব লাগে। কিন্তু যিসকলক নৰ্মচ অনুযায়ী লোন দিব লাগে তেওঁলোকে লোন পোৱা নাই। বেংকে দিয়া নাই। অথচ এই বেংকৰ পৰা লোন লৈ ব্যৱসায় কৰিছে, মাৰুতি কাৰ কিনিছে। সেয়ে এই বেংকৰ লোকচান হৈছে। বেছি ইন্টাৰেষ্টত টকা ধাৰ লৈ কম ইন্টাৰেষ্টত লোন দিছে। সেই কথাটো বুজা টান হৈ পৰিছে। এই ব্যাপক দুৰ্নীতি বন্ধ কৰা যদি নাযায়, তেন্তে ইয়াৰ পৰা উপকৃত হব লগা বা বেনিফিট পাবলগা সকলে নাপাব আৰু কিছুদিন পাচত এই বেংকটো বন্ধ হৈ যাব। এই ক্ষেত্ৰত মই মাননীয় মুখ্য মন্ত্ৰী মহোদয়, তথা বিত্ত মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিছাৰিছো যে ঋণ দিয়াৰ পৰা আৰম্ভ কৰি কিমান ইন্টাৰেষ্টত লোন লৈছে, আৰু কিমান ইন্টাৰেষ্টত লোন দিয়া হৈছে কোন মানুহক দিছে আৰু এই ক্ষেত্ৰত কোন কোন বিষয়া জৰিত আছে এই সকলো খিনি দুৰ্নীতিৰ তথ্য উদ্ধাৰ কৰিবলৈ যদি চি, বি, আইক তদন্ত কৰিবলৈ দিয়া ব্যৱস্থাটো মন্ত্ৰী মহোদয়ে কৰিব নেকি মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো। এই দুৰ্নীতি তদন্ত সম্পৰ্কে চি, বি, আইক দিয়া যিটো নৰ্মচ সেইটো ফুলফিল কৰি দুৰ্নীতপৰায়ণ বিষয়া সকলৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব নেকি? তাৰ এটা স্পষ্টিকৰণ মই মন্ত্ৰী মহোদয়ৰ পৰা বিছাৰিছো।

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী তথা বিত্ত মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টোৰ প্ৰতি চৰকাৰৰ দৃষ্টিগোচৰ হৈছে চি, বি, আইৰ লগত যোগা যোগ কৰা কথাটো চৰকাৰৰ তৰফৰ পৰা বিবেচনা কৰি থকা হৈছে।

## CALL ATTENTION NOTICE

**Mr. Speaker :** Now, I call upon Hon'ble Member, Shri Mustafa Sahidul Islam to call attention under Rule 54.

**শ্ৰীমুস্তাফা চহিদুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত ১৯৯৭ চনৰ ২ মাৰ্চ তাৰিখৰ দৈনিক অসম কাকতত প্ৰকাশিত খহনীয়াত লাহৰিঘাট বুঢ়াগাওঁত শ শ বিঘা মাটি যাহ গ'ল। শীৰ্ষক বাতৰিটোৰ প্ৰতি বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিলো।

মাননীয় অধ্যক্ষ মহোদয়, সেই অঞ্চলৰ সকলো মানুহৰ ঘৰ বাৰী নাইকীয়া হ'ল। মানুহ বিলাকে খাবলৈ নাপায় বিভিন্ন ঠাইত কাম কৰিবলৈ গৈছে। ডিমাপুৰত গৈ ৰিক্সা চলাইছে। যিবিলাকৰ এটা সময়ত আৰ, চি, চি বিলডিং আছিল সেই সকলোৱেও আন ঠাইত গৈ কাম কৰি খাব লগা হৈছে। এই গড়াখহনীয়াই মানুহক সৰ্ব্বহাৰা কৰিছে। ৰাস্তাই ঘাটে থাকিব লগা হৈছে। অ'ত ত'ত গৈ কাম কৰি খাব লগা হৈছে আৰু অনাহাৰতো মৃত্যু বৰণ কৰিছে। মথাউৰী কাম ১৯৮৫ চনৰ পৰা আৰম্ভ হৈছিল। তাৰ পাচত ১৯৮৮ চনত বান নিয়ন্ত্ৰণৰ কাৰণে পাৰ্মেনেন্ট প্ৰটেকচন কৰা হৈছে। ২২ কোটি টকাৰ প্লেন এচটিমেট কৰি বোলডাৰ মেটেল দি কাৰ্য্যকৰি কৰা হৈছে। কিন্তু তাৰ পাচত ৩.৫০ কোটি টকাৰ আচনি দিয়া হৈছিল কিন্তু কাৰ্য্যকৰি কৰা নহল। এতিয়া মই সেই বাবে স্পাৰ বান্ধি প্ৰটেকচন দিবলৈ চৰকাৰৰ ওচৰত অনুৰোধ জনালো। কিন্তু আমাৰ চৰকাৰৰ ওচৰত অনুৰোধ জনালে চৰকাৰে কব এইটো চেন্ট্ৰেলৰ আচনি। সেয়ে মই লগতে জনাব বিছাৰিছো যে আমাৰ বিৰোধী দলৰ দলপতি শ্ৰীচিলভিউচ কন্দপান, শ্ৰীতৰুন গগৈ আৰু মই আমি তিনিওজনে আমাৰ ভাৰতৰ প্ৰধান মন্ত্ৰী শ্ৰীদেৱগোৱাক তেখেতৰ বাসভৱনত ২৬ কোটি টকাৰ বান নিয়ন্ত্ৰণৰ বাবে বিচাৰি এখন প্ৰতিবেদন দাখিল কৰিছিলো আৰু তেখেতে এই বিষয়টো গুৰুত্ব সহকাৰে লৈছে আৰু এচুৰেঞ্চ দিছে।

এই ২৬ কোটি টকা যাতে প্লেনিং কমিচনে আমাক দিয়ে তাৰে ব্যৱস্থা লবলৈ মই অনুৰোধ জনালো। বোলডাৰ দি স্পাৰ সজা কাম সম্পূৰ্ণ হলে আমাৰ বহুত জনসাধাৰণ ৰক্ষা পৰিব। আলিপুখুৰী থান খন ৰক্ষা পৰাৰ লগতে নাম ঘৰ, স্কুল, হস্পিতাল আদিও ৰক্ষা পৰিব। গতিকে এই কামটোক অগ্ৰাধিকাৰ দিব বুলি আশা ৰাখিলো। লাহৰীঘাতত ৪ টা আচনিৰ কথা ঘোষণা কৰিছিল কিন্তু মোৰ আচনিৰ কথা ঘোষণা কৰা নাই। যোৱা ২০ বছৰ ধৰি মই মঠাউৰীৰ লগত জৰিত। ইয়াৰ বাবে মানুহ সৰ্ব্বহাৰা হৈছে। এচ, ডি, চি, ডি, চি অফিচত মই আন্দোলন কৰি আহিছো। গতিকে আচনিটোত অগ্ৰাধিকাৰ দিবলৈ অনুৰোধ জনাই মোৰ ব্যক্তবৰ সামৰণি মাৰিলো।

***শ্ৰীপ্ৰমোদ গগৈ (বান নিয়ন্ত্ৰণ মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, কল এটেনচনত যিখিনি

---

* Speech not corrected

বিষয় উল্লেখ কৰিছে সেই বিষয়ে গোটেইখিনি যদি পঢ়ি দিওঁ তেন্তে বহু সময় লব বাবে চমুকৈ কৈছো। মৰিগাঁও মঠাউৰিটো সেই অঞ্চলটোত ব্ৰহ্মপুত্ৰ নদীয়ে গড়াখহনীয়াত যথেষ্ট ক্ষতি কৰিছে। এই বিষয়ত চৰকাৰ আৰু বিভাগে জানে আৰু ব্যৱস্থা লৈছো। লাহৰিঘাট গোটেই অঞ্চলটোত এটা ব্ৰহ্মপুত্ৰৰ মথাউৰী। বিভৰ পৰা ডুৰাগাৱঁলৈ মথাউৰীটোত ইমূৰৰ পৰা সিমুৰলৈ গড়া খহনীয়া হৈছে। ডুৰাগাওঁৰ গড়া খহনীয়া ৰোধ কৰাৰ কাৰণে মথাউৰীৰ কাষেৰে যোৱা সূঁতি বন্ধ কৰিবলৈ ইতিমধ্যে প্ৰাক কলন প্ৰস্তুত কৰা হৈছে। অঞ্চলটোক বানপানীৰ পৰা ৰক্ষা কৰিবৰ কাৰণে ডুৰাগাৱঁত ১৯৯১-৯২ চনত অৰ্দ্ধ সমাপ্ত কাম সম্পূৰ্ণ কৰাৰ কাম পূৰ্ণ গতিত চলি আছে। সোনকালে সম্পূৰ্ণ হোৱাৰ আশা আছে। এই অংশটোত কাম কৰিবলৈ যাওঁতে সৰ্ব্ব মুঠ খৰচ হব ৩ কোটি ৩২ লাখ টকা। ইয়াত মাটি অধিগ্ৰহণত ২৫ লাখ ৮৯ হাজাৰ টকা আৰু বাকী কামৰ বাবে বাকী দিব লগা আছে ১ কোটি ৮৪ লাখ ৫৭ হাজাৰ টকা। মাটি অধিগ্ৰহনৰ ২৫ লাখ ৮০ হাজাৰ টকা উপায়ুক্তই হিচাব দিলেই পেমেন্ট কৰিব পাৰিম। লাহৰিঘাট অঞ্চলটো বানপানী আৰু খহনীয়াৰ পৰা ৰক্ষা কৰিবৰ কাৰণে নিম্ন লিখিত আচনি প্ৰস্তুত কৰা হৈছে। প্ৰথম আচনি **Construction of retirement of Brahmaputra Dyke from Bhajai Khaiti Pathar to Solmari village Estimated cost Rs. 3.11 crores.** এষ্টিমেটেদ কষ্ট ৩.১১ কোটি টকা। দ্বিতীয় আচনি **A/E measures at U/s and D/s of existing Protection works at Ulubari Estimated cost - Rs. 94.62 Lakhs.** । এষ্টিমেটেদ কষ্ট ৯৪.৬২ লাখ টকা। আঁচনিৰ অনুমোদন প্ৰক্ৰিয়া চলি আছে। তৃতীয় আচনি **Anti-erosion measures in the river Brahmaputra from Bhajaikhaiti to sonarigaon - 4th to 8th KM of Dhing Jatibari Estimated Cost Rs. 26 Crores.** সৰ্ব্বমুঠ আঁচনিত খৰচ ২৬ কোটি টকা। ওপৰত উল্লেখ কৰা ১ নং আচনি খন কাৰ্য্যকৰী কৰিবলৈ সকলো ধৰণৰ প্ৰস্তুতি সম্পূৰ্ণ কৰা হৈছে যদিও অধিগৃহীত ভূমিৰ মালিকৰ প্ৰবল বাধাৰবাবে কাম আৰম্ভ কৰিব পৰা নাই। ৫ দিন আগতে সেই মাটিখিনি চমজাই দিয়াৰ কাৰণে উপায়ুক্তৰ নিৰ্দ্দেশত ৰাজহ বিভাগৰ কৰ্ম্মচাৰী সকল গৈছিল। কিন্তু স্থানীয় ৰাইজৰ বাধাত সেই মাটিখিনি ৰাজহ বিভাগে চমজাই দিব নোৱাৰিলে। সেই কাৰণে মই সদনক

জনাব বিচাৰো যে ১ নং আচনি খন যদি সময় মতে কাৰ্য্যকৰী কৰিব নোৱাৰো তেতিয়াহলে গোটেই মৰিগাও জিলাখন বিপদাপন্ন হব। সেই ক্ষেত্ৰত কিছু লোকে হাইকোৰ্ট কৰিছে আৰু হাইকোৰ্টে আমাক নিৰ্দ্দেশ দিছে যে অধিগৃহিত মাটিৰ ক্ষতিপূৰণ এমাহৰ ভিতৰত দিব লাগে। আমাৰ বিভাগ ক্ষতিপূৰণ দিবলৈ প্ৰস্তুত। যোৱা কালিৰ পৰা কামটো আৰম্ভ কৰাৰ কথা আছিল। মাটি চমজাই নোপোৱাত কামটো আৰম্ভ কৰিব পৰা নাই। উপায়ুক্তৰ পৰা এচেচমেন্ট পালে ক্ষতিপূৰণ দিয়াৰ যতন লম।

**শ্ৰীপ্ৰমোদ গগৈ (মন্ত্ৰী, বান নিয়ন্ত্ৰণ) ঃ** অধ্যক্ষ মহোদয়, যি সকল মাননীয় সদস্যই প্ৰশ্ন উত্থাপন কৰিছে তেখেতসকলক মই জনাব বিচাৰিছো যে, যোৱা বাৰ মই লাহৰিঘাটলৈ যাওতে তেখেতসকল মোৰ লগত আছিল আৰু বহুতো ৰাইজ আছিল আৰু মই সকলোকে কৈছো যে, কামতো সোনকালে কৰিব লাগে। সেই কাম আৰম্ভ কৰাৰ কাৰণে আমাৰ বিভাগ সম্পূৰ্ণ আগ্ৰহী। যোৱা কালিয়েই আৰম্ভ কৰিবলৈ বিচাৰিছিলো। মই মাননীয় সদস্যসকলক অনুৰোধ কৰিছো তেখেত সকলে যিসকল ৰাইজে আপত্তি কৰিছে সেই সকলক বুজাই দিব লাগে যে, মাটি খিনি যাতে তেখেত সকলে এৰি দিয়ে। তাৰ পিচত জিলা উপায়ুক্তই হিচাব কৰি দিলে সেই মাটিৰ ক্ষতিপূৰণ আমি দিব পাৰিম আৰু কাম আৰম্ভ কৰিব পাৰিম। আৰু পলম হলে কাম আৰম্ভ কৰিব পৰা নহব। অধ্যক্ষ মহোদয় মই আপোনাৰ যোগেদি মৰিগাৱৰ মাননীয় সদস্যসকলক অনুৰোধ কৰিব বিচাৰিছো যে, যাতে আমি কামতো সোনকালে আৰম্ভ কৰিব পাৰো তাৰ কাৰণে মাটিখিনি আমাৰ বিভাগক সোনকালে চমজাই দিয়ে। কাৰণ সোনকালে কাম আৰম্ভ কৰিব পৰা নহলে মৰিগাওঁ জিলা বানবিধ্বস্ত হোৱাৰ সম্ভাৱনা আছে।

## MATTER UNDER RULE 301

**Mr. Speaker :** Now Hon'ble Member, Shri Dilip Kr. Saikia to raise the matter under Rule 301 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the news item appearing in the 'Dainik Asam' dt. 13.2.97 relating to "Bananchal dhansa pratirudh nakarila Uttarparar parishiti

bhayabah haba".

শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয় অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নং নিয়মৰ অধীনত ১৯৯৭ চনৰ ১২ ফেব্ৰুৱাৰী তাৰিখৰ 'দৈনিক অসম' কাকতত প্ৰকাশিত বনাঞ্চল ধংস প্ৰতিৰোধ নকৰিলে উত্তৰ পাৰৰ পৰিস্থিতি ভয়াবহ হ'ব এই সম্পৰ্কে বিষয় এটি উত্থাপনৰ জৰিয়তে বন মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিলো।

মাননীয় অধ্যক্ষ মহোদয়, বনাঞ্চল সম্পৰ্কত মই কব খোজো যে, ১৯৮৫ চনতে যেতিয়া গণ পৰিষদ দলে চৰকাৰ গঠন কৰিছিল সেই সময়ত গছ কটা নিষিদ্ধ কৰিছিল। আমাৰ চৰকাৰৰ দিনত গছ কটা বন্ধ কৰিছিল। ১৯৯১ চনত পুনৰ যেতিয়া কংগ্ৰেছ (ই) দলে শাসন ভাৰ ললে তেতিয়া পুনৰ গছ কটা কাম আৰম্ভ কৰিলে আৰু এইটো সত্য কথা। গছ কটাৰ বেন উইদ্ৰ কৰি পুনৰ গছ কাটিবলৈ ধৰিলে আৰু হাজাৰ হাজাৰ গছ কাটি বনাঞ্চল উদং কৰিলে। পুনৰ যেতিয়া মৰ্চা দলে ৫ জনীয়া দলেৰে চৰকাৰ গঠন কৰিলে তেতিয়া চৰকাৰে পুনৰ সিদ্ধান্ত ললে যে গছ কটা নিষিদ্ধকৰণ কৰিব লাগে। আৰু কৰাও হল। কিন্তু চৰকাৰে নিষিদ্ধকৰণ কৰাৰ পিচতো বিভিন্ন অঞ্চলত এতিয়াও বিভিন্ন সমাজ বিৰোধী লোকে কিছুমান অসৎ বিষয়াৰ লগ লাগি বিভিন্ন অঞ্চলত এতিয়াও গছ কাটি আছে। আজি অসমত বিশেষকৈ অসম অৰুণাচল প্ৰদেশৰ সীমাত থকা অসমৰ ২১ খন সংৰক্ষিত বনাঞ্চলত প্ৰায় ১০ লাখ ২৪ হাজাৰ ২৯৭ হেক্টৰ মাটি কালিত অৰুণাচল প্ৰদেশৰ বেদখলৰ কবলত পৰিছে। আৰু অৰুণাচল প্ৰদেশৰ চৰকাৰৰ পৃষ্ঠপোষকতাত বিভিন্ন সময়ত চোৰাং ব্যৱসায়ী সকলে গছ কাটি সেই অঞ্চল উদং ভূমিত পৰিণত কৰিছে। অৰুণাচল প্ৰদেশৰ চৰকাৰৰ পৃষ্টপোষকতাত চলি থকা ব্যাপক বেদখল, চোৰাং ব্যৱসায়ৰ পৰিপ্ৰেক্ষিতত সংৰক্ষিত বনাঞ্চল কেইখনত এফালে জনাঞ্চল আনফালে উদং ভূমিত পৰিণত হৈছে। অসম অৰুণাচল প্ৰদেশৰ সীমাত থকা অসমৰ সংৰক্ষিত বনাঞ্চল সমূহ ক্ৰমে ৰহা সংৰক্ষিত বনাঞ্চলৰ ৫৫৬ হেক্টৰ, প্ৰভা সংৰক্ষিত বনাঞ্চলৰ ২৪৩ হেক্টৰ, কাকৈ সংৰক্ষিত বনাঞ্চলৰ ২৩৫ হেক্টৰ, দুলোং সংৰক্ষিত বনাঞ্চলৰ ৪৫০ হেক্টৰ, শোৱনশিৰি সংৰক্ষিত বনাঞ্চলৰ ৪০০ হেক্টৰ, জীয়াঢল সংৰক্ষিত বনাঞ্চলৰ

১০০ হেক্টৰ, গহপুৰ সংৰক্ষিত বনাঞ্চলৰ ২৩৫ হেক্টৰ, বিহালী সংৰক্ষিত বনাঞ্চলৰ ১৯১০ হেক্টৰ, বিশ্বনাথ সংৰক্ষিত বনাঞ্চলৰ ১৭৬ হেক্টৰ, নদুৱাৰ সংৰক্ষিত বনাঞ্চলৰ ২৭০ হেক্টৰ, চাৰিদুৱাৰ সংৰক্ষিত বনাঞ্চলৰ ৭২৫ হেক্টৰ, বালিপাৰা সংৰক্ষিত বনাঞ্চলৰ ১৪০ হেক্টৰ, শিঙলীজান সংৰক্ষিত বনাঞ্চলৰ ১০০ হেক্টৰ, চেঙেলীমাৰি সংৰক্ষিত বনাঞ্চলৰ ৩৯ হেক্টৰ, ৰোটা সংৰক্ষিত বনাঞ্চলৰ ১০৯ হেক্টৰ, চিচি সংৰক্ষিত বনাঞ্চলৰ ৭২ হেক্টৰ, চিমন সংৰক্ষিত বনাঞ্চলৰ ৩৮১.৭৫ হেক্টৰ, আৰচিয়া ডিমৌ সংৰক্ষিত বনাঞ্চলৰ ৯৬ হেক্টৰ, জামজিং সংৰক্ষিত বনাঞ্চলৰ ২২৪ হেক্টৰ, চেঙাজান সংৰক্ষিত বনাঞ্চলৰ ৩৭৬ হেক্টৰ, আৰু গালি সংৰক্ষিত বনাঞ্চলৰ ৩৫০ হেক্টৰ, মাটি কালি অৰুণাচল প্ৰদেশে অবৈধভাৱে বে-দখল কৰি নিজৰ নিয়ন্ত্ৰাধীন কৰিছে। আজি বিশেষকৈ এই বনাঞ্চল সমূহত বৰ্ত্তমান যিটো পৰিস্থিতি হৈছে তাত মূল্যবান গছ গছনি নিঃশেষ হোৱাৰ উপক্ৰম হৈছে। ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰে উত্তৰ পূৰ্বাঞ্চলৰ পৰা এখন প্ৰতিবেদন বিচাৰিছে। কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে এখন কমিটিও গঠন কৰিছে। এইটো আমি গম পাইছো। আৰু এই যিটো ৰিপোৰ্ট বিশেষকৈ অসমৰ প্ৰায় ১০/১২ শতাংশ বনাঞ্চল যে শেষ হৈ গৈছে সেই সম্পৰ্কত কেন্দ্ৰীয় চৰকাৰে চুপ্ৰিম কৰ্টৰ নিৰ্দ্দেশত অসম চৰকাৰৰ পৰা উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্য সমূহৰ এখন প্ৰতিবেদন বিচাৰিছে। প্ৰতিবেদন পঠালেনে নাই আৰু কি ব্যৱস্থা লৈছে আৰু এই কমিটিৰ সদস্য কোন কোন, অধ্যক্ষ কোন এইটো গম পোৱা নাই। অধ্যক্ষ মহোদয়, আৰু এটা কথা কব বিচাৰিছো যে, অৰুণাচল সীমান্তত প্ৰায় ৭০০ ৰো অধিক কিলোমিটাৰ মাটি আজিও চাৰ্ভে কৰা হোৱা নাই। সেইধৰণে অসম নগালেণ্ড সীমান্ত অঞ্চলত, অসম মেঘালয় সীমান্ত অঞ্চলত যি আন্তঃ ৰাজ্যিক সীমা আছে তাত এতিয়াও চাৰ্ভে হোৱা নাই। বিভিন্ন সময়ত আমাৰ বিষয়া সকল সেই অঞ্চললৈ গলে অৰুণাচলৰ মানুহে খেদি পঠিয়ায়। জৰীপ কৰিব নোৱাৰে। তাৰ বাবে কি কাৰ্য্যসূচী হাতত লৈছে? বন সংৰক্ষণ নোহোৱাৰ বাবেই অসমত ভয়াবহ বানপানী হব অৰুণাচলৰ দি ফৰেষ্ট টেচনৰ কাৰণেই গাই আদি নদীত বানপানী হৈছে। এই সম্পৰ্কে ১৯৯৫-৯৬ চনৰ চি, এ, জি, ৰিপোৰ্টটো দেখুৱাইছে। চি, এ, জি, যে ৰিপোৰ্ট দাখিল কৰিছে।...........

....................

Sir, the comptroller and Auditor General in his report for the year ended 31.3.96 stated that the test check of records maintained in the offices of the Divisional Forest Offces, Assam conducted in Audit during 1995-96 revealed losses/blocking of revenue amounting to Rs. 1744.03 lakhs in 185 cases, which fall into following categories:

| | | Number of cases | Amount (in lakhs) |
|---|---|---|---|
| 1. | Blocking of revenue due to non disposal of unclaimed seized timber. | 12 | 117.08 |
| 2. | Loss of revenue due to non-disposal /delay in disposal of timber. | 15 | 172.71 |
| 3. | Loss of revenue due to non-settlement of mahal / quarry. | 35 | 147.85 |
| 4. | Loss of revenue due to shortage/ damage of timber. | 6 | 20.76 |
| 5. | Loss of revenue due to illegal felling. | 6 | 122.85 |
| 6. | Other cases | 111 | 1162.78 |
| | Total = | 185 | 1744.03 |

Again, the teste check of records of three Divisional Forest Officers revealed (between June 1995 and February,1996) that 7714.388 cu.m.of timber had been felled of which 5766.344 cu.m. valuing Rs. 157.37 lakhs were removed by miscreants as tibulated below:

| | | | |
|---|---|---|---|
| 1. | Nivisional Forest Officer, Nagaon South Division. | Rs. | 85.5 |
| 2. | Divisional Forest Officer, Kumrup East Division. | Rs. | 62.04 |
| 3. | Divisional Forest Officer, | Rs. | 9.48 |

* Speech not corrected

Sonitpur West Division.

গতিকে এই কথা বিলাক আমাৰ চৰকাৰে আৰু বিশেষকৈ আমাৰ বন বিভাগৰ মন্ত্ৰী মহোদয়ে স্বজমিন তদন্ত কৰি এটা বল্ড ষ্টেপ গ্ৰহণ কৰিব বুলি অই আশা ৰাখিলো। নহলে অসমৰ যিটো ভয়াবহ পৰিস্থিতি হৈছে সেইটো চম্ভালা কঠিন হৈ পৰিব। আজি অসমৰ বহুতো বনাঞ্চলৰ পৰা শিমুল গছ কাটি সেইবোৰ পানীত ভুৰ বনাই অসমৰ বাহিৰলৈ উলিয়াই লৈ গৈছে। এই ক্ষেত্ৰত আমাৰ বন বিভাগৰে কিছুমান অসৎ বিষয়া আৰু কৰ্মচাৰী জড়িত হৈ আছে বুলি আমাৰ ধাৰনা হৈছে। গতিকে বন সংৰক্ষণৰ কাৰণে বৰ্ত্তমান আমাৰ যিটো স্কোৱাড আছে সেইটো আধুনিকৰণ কৰাৰ কাৰণেও ব্যৱস্থা গ্ৰহন কৰিব লাগে। এইখিনিতে মই আৰু এটা কথা উল্লেখ কৰিব খুজিছো যে যোৱাকালি হোজাইত এ,জি, পি,ৰ ৫ হাজাৰ কৰ্ম্মীয়ে হোজাই মহকুমাধিপতিৰ কাৰ্য্যালয় ঘেৰাও কৰিছে। তেওঁলোকে হোজাইত গছ কটা সম্পৰ্কে মেম'ৰেণ্ডাম চাবমিট কৰিছে। এইটো কোনোবা এজন বীৰাপ্পনৰ নিৰ্দ্দেশত কৰা হৈছে বুলি কৈছে আৰু এই বীৰাপ্পন জন তাৰেই স্থানীয় বিধায়ক বুলি উল্লেখ কৰিছে। গতিকে এই ঘটনাটো সঁচা নে মিছা সেই ক্ষেত্ৰত এটা প্ৰকৃত তথ্য উৎঘাটনৰ কাৰণে প্ৰয়োজন হৈ পৰিছে। বিভিন্ন সময়ত বাতৰি কাকতত এটা কথা প্ৰকাশ হৈছে যে তাত থকা অসৎ বিষয়াৰ লগ লাগি গছ কটা হৈছে বুলি। গতিকে এই ক্ষেত্ৰত এটা তদন্ত হোৱা উচিত প্ৰকৃততে এই বিধায়ক গৰাকী বীৰপ্পন হয় নে নহয় সেইটো বিচাৰ কৰি চাব লাগে। যদি এই কথাটো সত্য নহয় তেনেহলে এজন জন প্ৰতিনিধিৰ বিৰুদ্ধে হকে বিহকে বাতৰি প্ৰকাশ কৰাৰ ক্ষেত্ৰতো ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

অধ্যক্ষ মহোদয়, আমি আৰু এটা কথা দেখিবলৈ পাইছো যে আসাম ফৰেষ্ট ৰেগুলেচন ৰুলচ্, ১৮৯১ খন বহু পুৰণি হৈছে। এই আইনখনৰ জৰিয়তে যদি বন বিভাগৰ কেচ বিলাক নিস্পত্তি কৰোতে পলম হৈছে বা নিস্পতি কৰাত অসুবিধাৰ সৃষ্টি হৈছে তেনেহলে এইখন আমাৰ চৰকাৰে সংশোধনৰ ব্যৱস্থা গ্ৰহণ কৰিব নেকি সেই বিষয়ে চিন্তা কৰিব লাগে। লগতে আমাৰ বন বিভাগৰ মন্ত্ৰী মহোদয় বন সংৰক্ষণ ব্যবস্থাটো শক্তিশালি কৰাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত কিবা প্ৰস্তাৱ উত্থাপন কৰিছে নেকি সেই বিষয়েও জানিব পাৰিলে ভাল হয়। কাৰণ, আজিৰ যুগত এনলীয়া

বন্দুক বা ৩০৩ ৰাইফলেৰে ফৰেষ্ট প্ৰটেকচন ফৰ্চে চোৰাং চিকাৰী বা চোৰাং ব্যৱসায়ীৰ দলক কেতিয়াও কৰায়ত্ত কৰিব নোৱাৰে অলপতে মুখ্যমন্ত্ৰী আৰু আমাৰ মাননীয় অধ্যক্ষ ডাঙৰীয়াৰ লগত ময়ো ধেমাজীলৈ গৈছিলো আৰু আমি কাজিৰঙাৰ ওপৰেৰে যাওতে তাত থকা গড়, হাতী, পহুৰা চকী আদিবোৰ দেখিছিলো। তেতিয়া আমি এটা কথা উপলব্ধি কৰিছো যে আমাৰ বন সংৰক্ষণ ব্যৱস্থা যথোপযুক্ত হোৱা নাই। গতিকে এই ক্ষেত্ৰত অধিক পৰীক্ষা কৰি ব্যৱস্থা গ্ৰহণ কৰিব লাগে আৰু গছ কটা কাৰ্য্য কঠোৰ হাতে বন্ধ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশা কৰি মোৰ ভাষণৰ সামৰণি মাৰিলো।

***শ্ৰীখলিলুৰ ৰহমান চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীদিলীপ কুমাৰ শইকীয়া ডাঙৰীয়াই 'বনাঞ্চল ধ্বংস প্ৰতিৰোধ নকৰিলে উত্তৰ পাৰে পৰিস্থিতি ভয়াবহ হ'ব' শীৰ্ষক বাতৰিটো সদনত উৎথাপন কৰি যিখিনি বক্তব্য ৰাখিছে সেই ক্ষেত্ৰত 'আজিৰ বাতৰি' কাকতৰ আজিৰ সংখ্যাত এটা বাতৰিত মোৰ নামটো জৰিত কৰা হৈছে। গতিকে এই আত্ম পক্ষ সমৰ্থন কৰি দুষাৰ মান কবলগীয়া আছে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি আত্মপক্ষ সমৰ্থন কৰা ক্ষেত্ৰত আপোনাৰ বিৰুদ্ধে অভিযোগ আহিব লাগিব আৰু তেতিয়াহে আপোনাক কোৱাৰ সুবিধা দিয়া হ'ব। গতিকে আপুনি এই বিষয়ত এতিয়া একো কব নালাগে।

এতিয়া বন বিভাগৰ মন্ত্ৰী মহোদয়ে উত্তৰ দিব।

***শ্ৰীনগেন শৰ্মা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নম্বৰ নিয়মৰ অধীনত ১৯৯৭ চনৰ ১৩ ফেব্ৰুৱাৰী তাৰিখৰ 'দৈনিক অসম' কাকতত প্ৰকাশিত 'বনাঞ্চল ধ্বংস প্ৰতিৰোধ নকৰিলে উত্তৰ পাৰৰ পৰিস্থিতি ভয়াবহ হ'ব' মাননীয় সদস্য জনে উথাপন কৰা এই বাতৰিটোৰ প্ৰতি আমাৰ দৃষ্টিগোচৰ হৈছে। অধ্যক্ষ মহোদয় শ্ৰীৰামপুৰ গেটৰ পৰা আৰম্ভ কৰি সুৱনশিৰী অঞ্চললৈকে এই গোটেই অঞ্চলটোৰ গছ-গছনি কাটিছে। ১৯৬৫ চনৰ পৰাই ক্ৰমাগত ভাবে বনাঞ্চলৰ ধ্বংস কাৰ্য্য চলি আছে। ইতিমধ্যে অৰুনাচল গঠন হোৱাৰ পৰা অসম আৰু অৰুনাচল সীমান্তত অৰুনাচলৰ লোকে বহুটো সময়ত অসমৰ বনাঞ্চল ধ্বংস বাবে-দখল কৰিছে। এই সম্পৰ্কত আমি কেন্দ্ৰীয় চৰকাৰৰ

* Speech not corrected

ওচৰত সময়ে সময়ে প্ৰতিবাদ কৰিছো। অসমৰ বনাঞ্চলত বিশেষকৈ অসম আৰু অৰুণাচলৰ যিবিলাক ঠাইত বে-দখল হৈছে এই সম্পৰ্কত আমি বিশেষকৈ জিলাৰ দায়িত্ব থকা উপায়ুক্ত গৰাকী আৰু অ-সামৰিক প্ৰশাসনৰ সহযোগত উচ্ছেদ কৰিবলৈ জনাইছো। শ্ৰীৰামপুৰ আৰু কোকৰাঝাৰৰ হল্টুগাওঁত দেখিবলৈ পাইছো যে ১৯৯১ চনৰ পৰা ১৯৯৫ চনৰ সময় চোৱাত আগৰ চৰকাৰে পাৰ্মিট দিছে। এই পাৰ্মিটৰ পৰিপ্ৰেক্ষিততে এই অঞ্চল সমূহত বিশেষ ভাবে ধ্বংস কাৰ্য্য চলিছে। কচুগাঁওত যি শাল গছ আছিল আজি আৰু নাই। আত্মসংস্থাপন দিয়াৰ নামত গছ কাটি তহিলং কৰিছে আৰু তাৰোপৰি বেদখলো কৰিছে। কচুগাঁওৰ পৰা আৰম্ভ কৰি শোৰনসীৰিলৈ ধ্বংস যজ্ঞও চলিছে। মানাহ অভয়াৰণ্যকে আৰম্ভ কৰি বিশেষকৈ পানবাৰীলৈ বে-দখল আৰম্ভ হৈছে ১৯৯১চনৰ পৰা ১৯৯৫ চনৰ ভিতৰত। অধ্যক্ষ মহোদয়, ওৱাইল্ড লাইফ ফৰেষ্ট ৰুলৰ মতে ৩.১৫ ৰাইফলহে ব্যৱহাৰ কৰিব পাৰে। থ্ৰি নট থ্ৰি ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ অনুমতি পাব লাগে। আমাৰ ৬০০ মান প্ৰটেকচন ফোৰ্চ আছে তেওঁলোকৰ হাততহে থ্ৰি নট থ্ৰি ৰাইফল আছে। বহুত সংখ্যক বনাঞ্চল ৰক্ষা কৰিবৰ কাৰণে এই কম সংখ্যক আৰ্মচ যথেষ্ট নহয় চাৰিদুৱাৰ আৰু হুগ্ৰাজুলী বনাঞ্চলতো বে-দখল চলিছে। তাতো উচ্ছেদ কাৰ্য্য চলিছে। গহপুৰ বনাঞ্চলতো উচ্ছেদ হৈছে। গহপুৰ ১৯৯৭ চনৰ পিছত জনাঞ্চলত পৰিণত হৈছে। তাত দৈয়াং আৰু ৰেংমা অঞ্চলৰ পৰা মানুহ আহি বসবাস কৰিবলৈ লৈছে। সেই কাৰণে এই অঞ্চল বিলাক জনাঞ্চলত পৰিনত হৈছে। এই ক্ষেত্ৰত ৰাজহ বিভাগো জৰিত হৈ আছে। ৰাজহ বিভাগৰ লগত যোগা-যোগ ৰাখিছো। ৰাজহ বিভাগে এই মানুহখিনিক সংস্থাপিত কৰিলেহে বে-দখল কাৰ্য্য বন্ধ হব নহলে বে-দখল চলি থাকিব। এইটো কৰাৰ কাৰণে আমি ৰাজহ বিভাগক অনুৰোধ কৰিছো। কেন্দ্ৰীয় চৰকাৰৰ ওচৰত ৪৩৫ কোটি টকাৰ এখন আৰ্চনি দাখিল কৰিছো। অনুমোদন জনালে বন কৰ্ম্মী সকল আৰ্মচ এমুনেচৰ দিব পৰা হব আৰু তেতিয়া আমি বনাঞ্চাল ৰক্ষা কৰিব পাৰিম। আমাৰ চৰকাৰ অহাৰ পিছত গছ কটাতো বন্ধ কৰা হৈছে। দুই এঠাইত কাটিছে যদিও সৰহ ঠাইতে বন্ধ হৈছে। উচ্চ ন্যায়ালৰ ৰায়ৰ পিচত সম্পূৰ্ণ বন্ধ হৈ পৰিছে। অসমৰ বাহিৰলৈ গছ যোৱাটোও বন্ধ হৈছে। বনাঞ্চল ৰক্ষা কৰাৰ কাৰণে বন বিষয়া সকলকো নিৰ্দ্দেশ দিয়া হৈছে।

---

* Speech not corrected

যিসকল বিষয়া ইতিমধ্যে দুর্নীতিত লিপ্ত বুলি ওলাইছে তেওঁলোকৰ বিৰুদ্ধেও ব্যৱস্থা লোৱা হৈছে। ৪ জন বিষয়াক চাচপেন কৰা হৈছে। লগতে ১৬ জন ৰেঞ্জাৰকো চাচপেন কৰা হৈছে। বনাঞ্চল ৰক্ষাৰ কাৰণে আন্ত ৰাজ্যিক সীমাৰ ক্ষেত্ৰত আমাৰ মাননীয় মুখ্য মন্ত্ৰীয়ে অৰুনাচলৰ মুখ্য মন্ত্ৰীৰ লগত আলোচনা কৰিছে। এই ক্ষেত্ৰত সুফল পাম বুলি আমি আশা ৰাখিছো। অৰুনাচলৰ বন বিভাগৰ মন্ত্ৰীৰ লগতো আলোচনা হৈছে। দুয়োখন ৰাজ্যই সতভাবে থাকিলে এই সমস্যা সমূহ সমাধান কৰিব পৰা হব আৰু বনাঞ্চল ৰক্ষা কৰিব পৰা হব।

***Shri Sukhendu Shekhar Dutta :** Point of clarification, Sir. The issue has been raised by Hon'ble Member, shri Dilip Saikia and the Hon'ble Minister has given the reply. But I would like to ask one thing that if we fail to locate powerful lobby which has been operating behind the game, I personally feel no fruitful purpose will be served. In my areas there is a very powerful lobby who can very easily influence the transfer and posting and if that is not located and if proper action is not taken against that lobby, we cancot protect our forest. Simply by arming out forest personal with arms ammunition we cannot preserve our forest. Actually we are to find out where lies the ills. Everyday our forest are denuded and innumerable number of logs are being felled in a planned manner by the unscrupulous forest traders. Even the logs of Assam are giong to Bangladesh, bamboos are going to Bangladesh in an illegal manner. I can cite many instances of this nature, if wanted. May I request the Minister to look into the matter and locate the lobby which is operating behind all games.

***শ্ৰীখলিলুৰ ৰহমান চৌধুৰী :** মাননীয় অধ্যক্ষ মহোদয়, বনাঞ্চল ধ্বংসৰ সংক্ৰান্তৰ এটা ঘটনা মই সদনত অৱগত কৰিব বিচাৰিছো। যোৱা ২২/২/৯৭

* Speech not corrected

তাৰিখে আজিৰ বাতৰিত প্ৰকাশ কৰিছে যে ডবকা সংৰক্ষিত বনাঞ্চলত প্লেন কৰি ১ ট্ৰাক শেগুন কাঠ মইনুদ্দিন নামৰ এজন চোৰাং ব্যৱসায়ীয়ে বন বিষয়াৰ লগ লাগি বিক্ৰী কৰিছে। যমুনামুখৰ অৰাজনৈতিক সংগঠন এটাই এই কথাটো ধৰিছিল আৰু বিচাৰৰ কাৰণে আবেদন কৰিছিল। কিন্তু দুৰ্ভাগ্যৰ বিষয় যে বন বিষয়া জনে নিজকে বচাই ৰাখিবলৈ স্থানীয় বিধায়ক হিচাবে মোক জৰিত কৰিছে। এইটো বাতৰি কাকততো আলোচনা হৈছে যে স্থানীয় বিধায়ক জৰিত আছে। এই খবৰ সমষ্টিত পোৱাৰ লগে লগে চক খাই উঠিছে সমষ্টিৰ ৰাইজ। হোজাইৰ এচ, ডি, ওৰ ওচৰত প্ৰতিবাদ কৰিছে। মই এজন নিৰ্ব্বাচিত জন প্ৰতিনিধি মোৰ আত্ম সন্মানত আঘাট হানিছে। এই বিলাক কামত বন বিভাগৰ কোন বিষয়া জড়িত উলিয়াব লাগে। এই সংক্ৰান্তত এচ, ডি, ওই, শ্ৰীডি, ডি, শইকীয়াক তদন্ত কৰিবৰ কাৰণে পঠাইছিল। তদন্তৰ কালত বন বিষয়া গৰাকীয়ে মেজিষ্ট্ৰেটৰ আগত মোৰ বিৰুদ্ধে বাতৰি পৰিবেশন কৰা বুলি অস্বীকাৰ কৰিছে। আৰু বন বিভাগত মোৰ কোনো ব্যৱসায় নাই বুলি দণ্ডাধীশৰ আৰু ৰাইজৰ আগত লিখিত জবানবন্দী দিয়ে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি এটা 'কমপ্লেন' দাখিল কৰিব।

**শ্ৰীদিলীপ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত প্ৰতিবেদন বিচৰা হৈছে আৰু মই মন্ত্ৰী মহোদয়ৰ পৰা জানিবলৈ বিচাৰিছো যে উপগ্ৰহৰ জৰিয়তে যি চাৰ্ভে কৰিছে তাত আমাৰ প্ৰতিনিধি কোন কোন আছে অৰ্থাৎ 'চেয়াৰ মেন' কোন আৰু তাৰ সদস্য সকল কোন কোন।

* **ডাঃ দেৱকান্ত ৰামচিয়াৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰীশইকীয়া ডাঙৰীয়াই উৎথাপন কৰা বনাঞ্চল ধ্বংশৰ ওপৰত মাননীয় মন্ত্ৰী মহোদয়ে যি উত্তৰ দিলে তাৰ ওপৰত মোৰ কবলগীয়া কিছু কথা আছে। আমি দেখিবলৈ পাইছো বালীপাৰা ট্ৰাইবেল বেল্ট যি বনাঞ্চল আছে কোকৰাঝাৰ, হুগৰাজুলি চাৰিদুৱাৰ, নদোৱাৰ আদি বনাঞ্চলত ধ্বংস যজ্ঞ চলি আছে। যি বিলাক বনাঞ্চলত মানুহে বেদখল কৰিছে সেই বনাঞ্চল বিলাকত মুল্যবান গছগছনি নাই। মানুহ বসবাস কৰাৰ পিচত সেই বিলাক এতিয়া খেতিৰ মাটিত পৰিনত হৈছে। সকলো সময়তে তাত উচ্ছেদ চলি আছে কি ঠাণ্ডা কি গৰম। ১৯৯৪ চনৰ ফেব্ৰুৱাৰী মাহত তাত অসম চৰকাৰে পুলিচ লগাই বন কৰ্ম্মী সকলৰ সহযোগত উচ্ছেদ কৰিবলৈ গৈ

* Speech not corrected

গুলি চালনা কৰিছিল। তাৰ ফলত চত্ৰ ধৰ মুচাহাৰী আৰু চন্দীবৰ মুচাহাৰী নামৰ দুজন লোকৰ মৃত্যু হৈছিল আৰু লগতে পুলিচৰ গুলিত ৪ জন লোক আহত হৈছিল। সেই বিলাক আমাৰ ট্ৰাইবেল মানুহ তাত স্থায়ীভাবে বসবাস কৰি আছিল। এই অঞ্চল বিলাকত বসবাস কৰি থকা আমাৰ ট্ৰাইবেল মানুহখিনিয়েহে বনাঞ্চল ৰক্ষা কৰিব। আমাৰ জনজাতীয় মানুহ খিনিয়েহে এই গছ-পানী-মাটিৰ লগত জৰিত তেওঁলোকেহে জংঘলত বাস কৰে আৰু তেওঁলোকেহে এই বনাঞ্চল ৰক্ষা কৰিবলৈ চেষ্টা কৰিব। খালী ঠাই বিলাকত বসবাস কৰি থকা জনজাতীয় লোক সকলেহে ওচৰৰ বনাঞ্চল ৰক্ষা কৰিব পাৰিব। আজি আমি দেখিবলৈ পাইছো যে জনজাতীয় লোকসকলৰ ওপৰত মাধমাৰ পৰিছে। আমাৰ যি বিলাক বৰ্ডাৰ আছে যেনে অৰুনাচল বৰ্ডাৰত অৰুনাচল চৰকাৰে ৰাষ্টা সাজিছে, নাগালেণ্ড চৰকাৰে পুলিচ আউট পোষ্ট বনাইছে আৰু আৰু চাব ডিভিজন সাজিছে, নাগালেণ্ডৰ মানুহে আমাৰ মানুহক হত্যা কৰিব পাৰে অৰুণাচলে বৰ্ডাৰ পিলাৰ উঠাই নিব পাৰে অসম চৰকাৰে কিয় একো কৰিব নোৱাৰে। উচ্ছেদৰ নামত আমাৰ জনজাতীয় লোক সকল যাতে হাৰাশাস্তি নহয় তাৰ বাবে অনুৰোধ জনাইছো।

***শ্ৰীআলাউদ্দিন চৰকাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি আমি দেখিবলৈ পাইছো বনাঞ্চল বিলাক ধংস হৈ আছে। এই ধংস কাৰ্য্য এটা লবীয়ে কৰি আছে। ডিৰ্ফচটেশ্যন হোৱাৰ লগে লগে তাত বৃক্ষ ৰুপনৰ কাম চচিয়েল ফৰেষ্টি কিমান কৰি আছে আৰু অহা বছৰৰ কাৰণে এৰ্ফচটেশ্যনৰ দ্বাৰা কি কাম কৰিবলৈ হাতত লৈছে।

***শ্ৰীনগেন শৰ্ম্মা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যসকলে সদনত বৰ্ত্তমান উত্থাপন কৰা প্ৰশ্নৰ উত্তৰ দিবলৈ বিচাৰিছো। ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰৰ ওচৰৰ পৰা অসম চৰকাৰক কমিটি গঠন কৰিবলৈ দিছে আৰু প্ৰতিবেদন গৃহীত হৈছে। এইটো চুপ্ৰিম কৰ্টত দাখিল কৰা হৈছে আৰু মাননীয় সদস্য শইকীয়া ডাঙৰীয়াই যিটো কৈছে ইতিমধ্যে 'চেটেলাইত কভাৰেজ অব ইণ্ডিয়া'ৰ জৰিয়তে বনাঞ্চল ধংসৰ পৰ্য্যালোচনা কৰিছে সেয়ে এতিয়া গছ কটা বন্ধ কৰিছে। আমি দেখিবলৈ পাইছো ১৯৯১ চনৰ পৰা ১৯৯৫ চনলৈকে ফৰেষ্টৰ নামত এডালো গছ ৰক্ষা কৰা হোৱা নাছিল। গুৱাহাটিৰ ওচৰৰ ৰানী অঞ্চলত আৰু শৰাইঘাট অঞ্চলত সেই

* Speech not corrected

সময়ত গছ কাটি ধ্বংস কৰিছিল। মাননীয় সদস্যই এফৰ্চটেশ্যনৰ কথা কৈছে – এফৰ্চটেশ্যনৰ কাম কৰিব পৰা যাব। মাননীয় সদস্যই লবীৰ কথা কৈছে। এটা শক্তিশালী লবী আছে। গোজৰাটৰ এটা লবীয়ে অসমৰ কাঠ ব্যৱসায়ৰ লগত জৰিত হৈ আছে। তেওলোকে কাঠ কম দামত কিনি বেছি দানত বিক্ৰী কৰাৰ খবৰ আমাৰ হাতত আছে। আগতে নিবিদাৰ ব্যৱস্থা নাছিলে এতিয়া প্ৰত্যেক কাৰ্য্যালয়তে নিবিদা আহ্বান কৰাৰ ব্যৱস্থা কৰা হৈছে। যাতে পাৰ্মিট নোহোৱাকৈ গছ কাটিব নোৱাৰে। মাননীয় সদস্য গৰাকীয়ে ডবকাৰ কথা যিটো কৈছে তাৰ বিষয়ে তদন্ত কৰিবলৈ যুটীয়া সচিব এগৰাকীক দিয়া হৈছে। তদন্তৰ ৰিপ'ৰ্ট সোনকালে পাম বুলি ভাবিছো।

## LAYING OF NOTIFICATION AND REPORTS

**Mr. Speaker :** Now, Hon'ble Chief Minister to lay.

**Shri Prafulla Kumar Mahanta Chief Minister :** Sir, I beg to lay the Notification No. FTX.98/95/66 dated 28/6/96.

**Mr. Speaker :** Now, Hon'ble Chief Minister to lay.

**Shri Prafulla Kumar Mahanta (Chief Minister) :** Sir, I beg to lay the Notification No. FTX.98/95/67 dated 28/6/96.

**Mr. Speaker :** Now, Hon'ble Chief Minister to lay.

**Shri Prafulla Kumar Mahanta, (Chief Minister) :** Sir, I beg to lay the Notification No.FTX. 98/95/103 dated 7/12/96.

**Mr. Speaker :** Now, Hon'ble Chief Minister to lay.

**Shri Prafulla kumar Mahanta (Chief minister) :** Sir, I beg to lay the Notification Nos. FTX. 191/96/5 dated 10/12/96, No.FTX.191/96/6 dated 10/12/96 andNo. FTX. 191/96/7 dated 10/12/96.

**Mr. Speaker :** Now, Hon'ble Chief Minister to lay.

**Shri Prafulla Kumar Mahanta (Chief Minister) :** Sir, I beg to lay the Ninth Annual Report of the Assam Mineral Development Corporation Limited for the year 1991 - 92.

## DEBATE ON GOVERNOR'S ADDRESS.

**Mr. Speaker :** Now, debate on Governor's address. Shri Chandra Kanta Terang to continue his speech. But as Shri Terang is absent, Shri Holiram Terang to continue. He will complete his speech within six minutes.

**শ্ৰীহলিৰাম টেৰাং ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় ৰাজ্যপাল ডাঙৰীয়াই যোৱা ৭ মার্চ তাৰিখে যি ভাষণ এই সদনত ৰাখিছে এই ভাষণটোত যোৱা ডিচেম্বৰ অধিবেশনৰ ভাষণতকৈ অলপ বিস্তৃত কথা কিছুমান কৈছে। যোৱা ডিচেম্বৰ মাহত হোৱা অধিবেশনৰ ভাষণত কিছুমান কথা নোকোৱাকৈ ৰাখিছিল। জনজাতীয় সকলৰ স্বায়ত্ত শাসনৰ প্ৰশ্নটো আৰু বিশেষকৈ পাহাৰীয়া জিলা দুখনৰ প্ৰশাসনৰ প্ৰশ্নটো এই বক্তৃতাত উল্লেখ কৰাৰ কাৰণে ধন্যবাদ জনাইছো। ইয়াৰ লগতে অসম চৰকাৰে কিছুমান কথা উপলব্ধি কৰাৰ প্ৰয়োজন আছে যি বিলাক উপলব্ধি নকৰাৰ কাৰণে তেওঁলোক আগুৱাই যাব পৰা নাই। লগতে এই চৰকাৰ খনো যথেষ্ট অসুবিধাৰ সন্মুখীন হব। চাৰ, ১৯৪৭ চনৰ ভাৰত স্বাধীন হোৱাৰ পিচত যিখন সংবিধান গ্ৰহণ কৰা হৈছে সেই সংবিধানৰ মৰ্ম্মে এই পবিত্ৰ সদন গঠিত হৈছে। অসমত চৰকাৰ বিলাক গঠিত হৈছে আৰু চৰকাৰ বিলাকৰ নীতি আৰু কৰ্ম্মৰাজিৰ ওপৰত আমাৰ সমাজ খন আৰু আমাৰ অসমৰ ৰাইজৰ ভবিষ্যত নিৰ্ভৰ কৰে। বৰ্ত্তমান আমি যি পৰিস্থিতিত আছো সেই পৰিস্থিতি এটা নিৰ্দ্দিষ্ট কিছুমান ঘটনা ইয়াৰ আগৰ অতীতৰ ঘটনা কিছুমানৰ পৰিস্থিতিৰ পৰিণতি মাথোন। গতিকে অতীতৰ যি বিলাক কাৰণ আৰু ঘটনাৰ কাৰণে, যি বিলাক সমস্যাৰ কাৰণে বৰ্ত্তমান এনে ধৰণৰ পৰিস্থিতি আহি পৰিছে সেই কাৰণ সমূহ যদি নিৰ্দ্দিষ্ট ভাবে আঙুলিয়াই দিব নোৱাৰি আৰু সেইবিলাক দূৰ কৰাৰ যদি প্ৰচেষ্টা লোৱা নহয় তেতিয়াহলে ভবিষ্যতলৈ এনে পৰিস্থিতিৰ হাত সাৰিব পৰা নহব।

**(Mr. Speaker Vacated his chair and Mr. Deputy Speaker occupied it.)**

মাননীয় উপাধ্যক্ষ মহোদয়, মই দুটা বিশেষ কথা উল্লেখ কৰিব খোজো। সেয়া হৈছে উগ্ৰপন্থী আৰু কিছুমানে কোৱাৰ দৰে সন্ত্ৰাসবাদী সমস্যাটো চৰকাৰে ৰাজনৈতিক সমস্যা বুলি কৈ আছে আৰু সেই কাৰনে এই সমস্যা ৰাজনৈতিক ভাবে সমাধান কৰিব লাগিব। সৈন্য বাহিনী আছে

কিছুদিনৰ কাৰণে। ইউনিফাইড কামাণ্ড তিনিমাহৰ কাৰণে মাণে মাত্র, মার্চ মাহৰ ভিতৰত শেষ কৰিব লাগিব নহলে এপ্রিলৰ পৰা পুনৰ আৰম্ভ কৰিব লাগিব। কিন্তু এটা কথা ঠিক যে পৰিস্থিতিৰ সামৰিকীৰনৰ কৰা উচিত নহয়। আমি এখন সভ্য সমাজত আছো। এইখন গণতান্ত্রিক দেশ, ইয়াত গনতান্ত্রিক ভাবে জনসাধাৰণে নিৰ্বাচিত কৰি দিয়া চৰকাৰ এটা গণতান্ত্রিক ভাবে থকাৰ পিচতো এই সময়ত যদি দেশখন চলাবৰ কাৰণে যিটো ব্যৱস্থা আছে, আইন শৃংখলাৰ পৰা আৰম্ভ কৰি এই পৰিস্থিতি সমূহ চম্ভালিবৰ কাৰণে যদি সৈন্য বাহিনী প্ৰয়োগ কৰা হয় তেতিয়া হলে পৰিস্থিতিৰ শাম নাকাটিব। এটা সময়ত কোৱা হৈছিল পুলিচিৰাজ বুলি। এতিয়া আৰু বিপদজনক। পুলিচতকৈও বেছি। বহুতো গণতান্ত্রিক ব্যক্তি আৰু দলে বাৰে বাৰে এই কথা দোহাৰিছে। পুলিচৰ আতিশয্য বেছি হৈছে। এতিয়া সামৰিকৰাজ চলি আছে। এইটো আমি হব দিব নোৱাৰো। আৰু এইটো ঠিক যে পৰিস্থিতি অতীতৰ কিছুমান ঘটনাৰ পৰাই হৈছে। আগৰ কংগ্ৰেছ চৰকাৰৰ সময়ত আৰ্মি নামি পৰিল। সামৰিকীকৰণৰ যিটো সম্ভাৱনা কংগ্ৰেছ চৰকাৰৰ দিনত হৈছে সেইটোৱেই এতিয়াও চলি আছে। ইয়াৰ ওপৰত ইউনিফাইড কমাণ্ডৰ নামত নীতি ষ্ট্ৰেটেজি বা কৌশলসমূহ অসম চৰকাৰৰ মূখ্যসচিবৰ অধীনত ঠিক হব বুলি কোৱা হৈছে। কিন্তু নীতি আৰু ষ্ট্ৰেটেজি আৰু টেকটিচ্ এইটো মুখ্য সচিবে গ্ৰহণ কৰিলেও কাম কাজ বিলাক অৰ্থাৎ অপাৰেশ্বন বিলাক সামৰিক বাহিনীক কৰিবলৈ দিয়া হৈছে। প্ৰত্যেক গাওঁ বা অঞ্চলত নহব পাৰে কিন্তু বহুত ঘটনা সংঘটিত হৈছে এইটো সঁচা কথা। গতিকে আমাৰ এই মানসিকতা পৰিহাৰ কৰিব লাগে। আমি নতুন মানসিকতা গ্ৰহণ কৰা উচিত হব। সেনা বাহিনীক যদি বেছি বেছিকৈ ব্যবহাৰ কৰা হয় তেতিয়াহলে সমাজখনৰ গতি অন্য ফালে ঢাল খাই গুচি যাব। এটা কেওচ বা অৰাজকতাৰ সৃষ্টি হৈ গলে তাৰ কাৰণে দায়-দায়িত্ব আমিয়েই লব লাগিব। সেই কাৰণে মই কওঁ সামৰিক বাহিনী উঠাই লব লাগে। তাৰ উপৰিও অসম অশান্ত আইনকে আৰম্ভ কৰি যি বিলাক আইন আৰোপিত হৈ আছে সেই বিলাক উঠাই লব লাগে। তাৰ দ্বাৰাইহে এটা ৰাজনৈতিক প্ৰক্ৰিয়া আৰম্ভ কৰিব পৰা হব। ইতিমধ্যে অসম গণ পৰিষদ দলে দল হিচাবে ৰাজনৈতিক কৰ্ম্মসূচী হাতত লোৱা বুলি গম পাইছো। গতিকে সামগ্ৰিক ভাবে উগ্ৰপন্থী বা সন্ত্ৰাসবাদীৰ সমস্যাৰ সতে মোকাবিলা কৰিবৰ কাৰণে তেনে ধৰণৰ কাৰ্য্যকৰী ব্যবস্থা প্ৰধান শাসকীয়

দল হিচাবে গ্ৰহণ কৰিলে তাঁলৈ আমি আদৰণি জনাম।

আমি এই সমস্যাটো অকল পুলিচৰ হাতত বা আৰ্মিৰ হাতত গতাই দি বা আমি দিছপুৰত বহি আমাৰ মাজতে তৰ্ক বিতৰ্ক কৰি কেতিয়াও সমাধান কৰিব নোৱাৰো। আজি ১০-১৫ বছৰ ধৰি এই সমস্যা চলি আহিছে। উত্তৰ পূৰ্ব্বাঞ্চলতটো প্ৰায় ৪০-৫০ বছৰ ধৰি এই সমস্যা চলি আহিছে। ৰাইজে এই জলন্ত সমস্যাটো গণতান্ত্ৰিক পদ্ধতিৰে আশু সমাধান হোৱাটো বিচাৰে। আমিও বিচাৰো। তাকে নকৰিলে বা চৰকাৰে এই সমস্যা সমাধানৰ বাবে প্ৰচেষ্টা নচলালে অকল প্ৰসাশনিক ব্যৱস্থাৰে সমস্যাটোৰ সমাধানৰ ব্যৱস্থা চলাই থাকে দেশখন বচাব পৰা নাযাব একেবাৰে ৰসাতলে যাব। চৰকাৰো বিফল হব। প্ৰশাসনিক আৰু সকলোবিলাক উন্নয়নৰ কামকাজত সকলো শ্ৰেণীৰ ৰাইজে যাতে অংশ গ্ৰহণ কৰিব পাৰে তাৰ প্ৰতি লক্ষ্য ৰখাটো চৰকাৰৰ কাম্য। আকৌ বিভিন্ন জনজাতিক স্বায়ত্ব শাসন প্ৰদান কৰাৰ বিষয়ো চৰকাৰে জনসাধাৰণৰ ওচৰলৈ যোৱা উচিত বা তেওঁলোকৰ মতামত লোৱা উচিত হব বুলি ভাবোঁ। প্ৰশাসনিক উন্নয়নৰ বাবে যিবিলাক ব্যৱস্থা আছে সেইবিলাক চৰকাৰে সোনকালে হাতত লব লাগে। ক্ষমতা বিকেন্দ্ৰীকৰণৰ কথাত মই কব খুজিছোঁ ক্ষমতা বিকেন্দ্ৰীকৰণৰ নীতিৰ ভিত্তিতেই জনজাতি সকলৰ স্বায়ত্ব শাসন প্ৰদান কৰা হৈছে। কিন্তু ক্ষমতা বিকেন্দ্ৰীকৰণ আৰু জনজাতি সকলৰ স্বায়ত্ব শাসন এই দুয়োটা বস্তু একাকাৰ কৰি পেলোৱা উচিত নহয়। ক্ষমতা বিকেন্দ্ৰীকৰণ প্ৰথাক আমি সম্পূৰ্ণ সমৰ্থন কৰোঁ। কেন্দ্ৰক যি অধিক ক্ষমতা দি থকা হৈছে সেইটোৰ সকলো সলনি কৰি ক্ষমতা বিকেন্দ্ৰীকৰণ হব লাগে। ৰাজ্য সমূহৰ পৰা জিলা সমূহলৈ, জিলা সমূহৰ পৰা গাওঁ সমূহলৈ ক্ষমতা বিকেন্দ্ৰীকৰণ হব লাগে। এইটো হোৱা উচিত। আমি এইটো বিশ্বাস কৰোঁ। জনজাতি স্বায়ত্ব শাসন আৰু ক্ষমতা বিকেন্দ্ৰীকৰণ একেটা শ্ৰেণীতে পেলাই দিয়া উচিত নহয়। দুটা কথাৰ কাৰণে যি সকল জনজাতি তেওঁলোকক জনজাতি বুলি কোৱা হয় তেওঁলোকৰ সুনিৰ্দ্দিষ্ট সামাজিক ব্যৱস্থা আছে। সেই কাৰণেই তেওঁলোকক জনজাতি বুলি কোৱা হয়। ইয়াৰ এই ব্যৱস্থাৰ এটা গুৰুত্ব আছে, এইটো সাধাৰণ ক্ষমতা বিকেন্দ্ৰীকৰণৰ সৈতে মিলাই দিব নালাগে। সেই ধৰণৰ মানসিকতা অসম চৰকাৰে পৰিহাৰ কৰা উচিত। এইটো নকৰিলে জনজাতি সকলৰ সমস্যা কেতিয়াও সমাধান কৰিব নোৱাৰিব। চৰকাৰে কৈছে যে উচ্চ শিক্ষা মন্ত্ৰী শ্ৰীথানেশ্বৰ বড়ো দেৱক লৈ এখন

কমিটী গঠন কৰি দিয়া হৈছে জনজাতি সকলৰ স্বায়ত্ব শাসনৰ সমস্যাটো সমাধান কৰিবৰ কাৰণে। কিন্তু আজি মিচিং সংগঠন, তিৱা সংগঠন আৰু ৰাভা আদি সংগঠন সমূহে কৈছে যে তেওঁলোকে নাজানেই যে তেনে এটা কমিটী আছে। এই কমিটীয়ে কি কি কাম কৰিব বা কৰিছে একো নাজানে। সেয়েহে হয়তো অহা ১৪ মাৰ্চত তিৱা সংগঠনে অসম বন্ধৰ ঘোষণা কৰিছে। এই বন্ধ ঘোষণা কৰাৰ পিচত বন্ধৰ আগে আগে কালি নে পৰহি সেই সংগঠনক মাতি আনি অসম চৰকাৰে আলোচনা কৰিছে। এইটো এটা নিয়ম হৈ গৈছে। এনেয়ে আলোচনা নকৰে যেতিয়া বন্ধ হৈ কাম কাজ বন্ধ হৈ পৰে সকলো বন্ধ হৈ যোৱাৰ উপক্ৰম হয় তেতিয়াহে অসম চৰকাৰে আলোচনালৈ মাতে। এইবাৰ আলোচনাত তেওঁলোকক এই মাৰ্চ মাহৰ ভিতৰতে আলোচনা সকলো প্ৰক্ৰিয়া আৰম্ভ কৰা হব বুলি কৈছে, আমিও সেইটোক আদৰণি জনাইছোঁ আমাৰ সকলোৰে তাত সদিচ্ছা আছে। কিন্তু চৰকাৰৰ এই ক্ষেত্ৰত কিমান সদিচ্ছা আছে আমি নাজানো।

উপাধ্যক্ষ মহোদয়, মই বেছি সময় আৰু নলওঁ মাত্ৰ আৰু দুটা কথা কৈ মই মোৰ বক্তব্য ৰাখিম। তাৰে এটা হল কাৰ্বি লাংপি প্ৰজেক্টৰ কথা কৈছে যে ৰাজ্য চৰকাৰে অতি সোনকালে ইয়াক কাৰ্যকৰী কৰাৰ ব্যবস্থা লব। কিন্তু ভিতৰি ভিতৰি ইয়াত এটা ষড়যন্ত্ৰ চলিছে যেন পাইছোঁ। মূখ্যমন্ত্ৰী যি নেকি শক্তি মন্ত্ৰীও তেখেতক মই জনাব খুজিছোঁ যে ভিতৰি ভিতৰি কিবা এটা ষড়যন্ত্ৰ চলিছে। এ, এচ, ই, বিৰ পৰা আনি এই প্ৰজেক্টটো আন কোম্পানীক দিয়াৰ কথা বতৰা চলিছে। যদি সচাঁকৈয়ে এইটো হৈছে তেন্তে আগতে যি অৰ্ডিনেন্স হৈছিল, যি লিখিত আছিল বা এক্ট আছে সেই বিলাকৰ আইনমতে বিৰোধী হব। এচ, পি, এম, এল কোম্পানীয়ে কেচ কৰিব। সেই কাৰণে এ, এচ, ই, বিৰ বাহিৰে অন্য কোনো বেলেগ কোম্পানীক দিয়া কথাটো সপোনটো চিন্তা নকৰাই ভাল বুলি ভাবোঁ।

ছাৰ,আৰু এটা কথা কব খুজিছোঁ উদ্যোগীকৰণৰ ক্ষেত্ৰত। চৰকাৰে উদ্যোগীকৰণ কৰা হব বুলি কৈছে। কিন্তু আমি জানো যে :- ৪/৫ টা ৰাজহুৱা খণ্ডত অসমৰ যি উদ্যোগ আছে সেই বিলাক এনে এটা অৱস্থাত আছে যে তাৰ শ্ৰমিকে আত্মহত্যা পৰ্য্যন্ত কৰিব লগা হৈছে দুৰৱস্থাত পৰি। এইটো আমাৰ কাৰণে বা চৰকাৰৰ কাৰণে সৰু কথা হব পাৰে কিন্তু চন্দ্ৰপুৰত থকা অসম ফাৰ্টিলাইজাৰ কেমিকেলচ্‌ৰ মেনেজাৰজন চিকিৎসাৰ অভাৱত মৰিব লগা হল। তেনে ধৰনৰ ৰুগ্ন যি বিলাক উদ্যোগ আছে সেই

বিলাকক ৰিভাইভ কৰাৰ ব্যৱস্থাহে চৰকাৰে আগতে কৰিব লাগে। সেয়ে চৰকাৰে আগতে এই ৰুগ্ন প্ৰতিষ্ঠান সমূহক পুনৰজীৱিত কৰাৰ কথা চিন্তা কৰক পিচত উদ্যোগীকৰণৰ কথা চিন্তা কৰিব। অসম চৰকাৰে যোৱা ডিচেম্বৰ মাহত যি বক্তব্য ৰখিছিল তাতকৈ এইবাৰৰ বক্তব্য অধিক বিস্তৃতহোৱাৰ বাবে আমি আদৰণী জনাইছোঁ। ইয়াৰ লগতে কংগ্ৰেছ চৰকাৰে যি নীতি অনুসৰণ কৰিছিল সেই নীতিকেই যদি গণ পৰিষদ চৰকাৰেও অনুসৰণ কৰি থাকে তেন্তে দেশ খনক বচাব পৰা নাযাব। ধন্যবাদ।

**শ্ৰীদেৰহাগ্ৰা মুছাহাৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত যি কেইটা কথা কোৱা হৈছে তাৰ ওপৰত মই মাত্ৰ কেইটামান কথা কব খুজিছো। যোৱা কেইবা বছৰ ধৰি কৃষক ৰাইজে আন্দোলনৰ নামত ১৯৯৩ চনত চৰকাৰৰ লগত যি চুক্তি হ'ল সেই চুক্তি সাপেক্ষে বড়োলেণ্ড অটোনমাচ কাউন্সিলক দিয়া হৈছিল। চৰকাৰৰ লগত সীমা বিষয়লৈ বহুত বাৰ আলোচনাও কৰা হ'ল। সীমা নিদ্ধাৰণ কৰি দিব বুলি চৰকাৰেও আগবাঢ়ি আহিছে। কি কি এলেকা লৈ সীমা নিদ্ধাৰণ কৰা হ'ব এই লৈ আলোচনাও হৈছে। বহু বছৰ বহুতবাৰ আন্দোলন কৰা বাবে বহুত যুৱ-যুৱতীৰ প্ৰাণ নাশ হ'ল, সামাজিক ব্যৱস্থা বিপদাপন্ন হ'ল, শিক্ষাৰ পৰিবেশ নষ্ট হৈ গ'ল। এই পৰিবেশবিলাক পুনৰ সুস্থিৰ অৱস্থালৈ ঘূৰাই আনিবৰ বাবে মই চৰকাৰক অনুৰোধ কৰিম। বড়ো অটোনমাচ কাউন্সিলত বাউণ্ডাৰী দিয়াৰ নামত নোটিফিকেচন কৰিম বুলি কৈছিল। জনজাতি অঞ্চলবিলাকত নোটিফিকেচন কৰাৰ কাৰণে সিদ্ধান্তও কৰা হৈছে। এই সিদ্ধান্তৰ যোগেদি যাতে এই অঞ্চলবিলাকত শান্তিৰ বাতাবৰণ ঘূৰাই আনিব পৰা যায় তাৰ কাৰণে মই অনুৰোধ ৰাখিম। বড়োলেণ্ড অটোনমাচ কাউন্সিলৰ বাহিৰেও বিভিন্ন অঞ্চলত, বিভিন্ন এলেকাত জনজাতি লোক আছে বেছিঁকৈ ফৰেষ্ট এলেকা সমূহত সোমাই আছে। কি কাৰণত বনাঞ্চল বিলাকত সোমাবলগীয়া হৈছে সেইকথা চৰকাৰে সামগ্ৰিকভাৱে আলোচনা কৰি চাব লাগে। নানা ধৰণৰ পিচপৰা অঞ্চলত সোমাই ৰাইজ নানা ধৰণে ক্ষতিগ্ৰস্ত হৈ আছে। ইয়াৰ কাৰণে চৰকাৰৰ ফালৰ পৰা কোনো বিহিত ব্যবস্থা লোৱা নাই। বহুত বড়োলোকে সাৰুৱা মাটি বিচাৰি বনাঞ্চললৈ যাবলগীয়া হৈছে। বনাঞ্চল বিলাকত সোমাই নানা ধৰণৰ পৰিবেশত পৰি বহুতো নহবলগীয়া ঘটনা ঘটিছে। যোৱা ডিচেম্বৰ মাহৰ পৰা এতিয়ালৈকে শোণিতপুৰ,

বালিপাৰা ফ্ৰণ্টিয়াৰ বেল্টত উচ্ছেদ চলি আছে। এই উচ্ছেদ কাৰ্যত খেতিয়কৰ বহুত বস্তু নষ্ট হৈ গৈছে আৰু পুৰুষ মহিলাসকল জেল হাজোতলৈ যাবলগীয়া হৈছে। মানুহৰ সামাজিক ব্যৱস্থা বিপন্ন হৈছে। মানুহে জীৱন নিৰ্ব্বাহ কৰিবৰ কাৰণে তেনেকুৱা ধৰণৰ কোনো উপায় বিচাৰি পোৱা নাই। চৰকাৰে উচ্ছেদ কাৰ্য্য বন্ধ কৰিব লাগে। চৰকাৰে উপায় উৎঘাটন কৰি বিভিন্ন এলেকাত সামাজিক জীৱন যাপন কৰিবৰ কাৰণে ব্যৱস্থা কৰি দিব লাগে। অসম নাগালেণ্ড সীমান্ত অঞ্চল দয়াং, ৰেংমা বনাঞ্চলত যি সকল লোকে বসবাস কৰি আছে সেইবোৰ এলেকাত আজিলৈকে চৰকাৰৰ ফালৰ পৰা বনাঞ্চল সংৰক্ষণ তেওঁলোকৰ কাৰণে কোনো ব্যৱস্থা হাতত লব পাৰা নাই। যাৰ ফলত নগালেণ্ডৰ ফালৰ পৰা সেই বনাঞ্চল বিলাকত নগালোক সকল অবাধে প্ৰবজন হৈছে আৰু নগা চৰকাৰৰ ফালৰ পৰা তেওঁলোকক বিজুলীবাতি, খোৱাপানীৰ ব্যৱস্থা কৰি দিয়া হৈছে। লগতে উদ্যোগৰ ব্যৱস্থাও হাতত লোৱা হৈছে। অসম চৰকাৰৰ মাটিত নগালেণ্ড চৰকাৰে নগা লোক সকলৰ জীয়াই থকাৰ কাৰণে সা-সুবিধা কৰি দিব পাৰে। অসম চৰকাৰে অসমৰ লোক সকলৰ কাৰণে বিশেষকৈ বনাঞ্চলত থকা সকলৰ কাৰণে সুবিধা কৰি দিব নোৱাৰাৰ কোনো যুক্তি থাকিব নোৱাৰে। যি এলেকাত আমাৰ লোক সকল বনাঞ্চলত সোমাই আছে তেওঁলোকক তাতে সংস্থাপন কৰি দিলে নগালেণ্ডৰ লোক সকল আহি অশান্তিৰ পৰিবেশ সৃষ্টি কৰিব নোৱাৰিব বুলি মই ভাবো।

খেতিয়ক সকলে সাৰুৱা মাটি বিচাৰি অনাই বনাই ঘূৰি ফুৰি বনাঞ্চলবিলাকত সোমাই ফুৰিছে। সেইকাৰণে মই জোৰ দি কব খুজিছো যে বনাঞ্চলবিলাকত তেওঁলোকক ব্যৱস্থা কৰি দিব লাগে। অসম আৰু ভূটান সীমান্ত এলেকাবোৰত বসবাস কৰা লোক সকলে ভূটানক খাজনা দিহে খেতি পথাৰৰ বাবে পানী পাব পাৰে। এই ক্ষেত্ৰত অসম চৰকাৰে কোনো নজৰ দিয়া নাই। অসম চৰকাৰে এই বিষয়টো গুৰুত্ব সহকাৰে বিবেচনা কৰি চাব লাগে। যিহেতু তাত ইৰিগেশ্যন প্ৰজেক্ট আছে সেই প্ৰজেক্টটোৰ পৰা পানী আনিবৰ কাৰণেও অসম চৰকাৰে তেওঁলোকক খাজনা দিয়াৰ ব্যৱস্থা কৰিব লাগে। কাৰণ দুখীয়া খেতিয়ক সকলে তেনেধৰণৰ খাজনা দিব নোৱাৰে। মোৰ নিচেই ওচৰতে আমাৰ খেতিয়ক ৰাইজ আছে। পানীৰ কাৰণে ভূটান ৰাইজ আৰু আমাৰ খেতিয়ক ৰাইজৰ মাজত গণ্ডগোল

হৈছিল। দৰঙা নদীৰ ওপৰত অসম চৰকাৰে এখন জলসিঞ্চনৰ আচনি কৰিব লাগে। ইৰিগেশ্যনৰ কাৰণে ২০ বছৰ আগতে প্ৰজেক্ট কৰিবৰ কাৰণে চাৰ্ভেও কৰা হৈছিল। টেঙাৰ দিয়াৰ পিচত স্কীমৰ টকা লেপ্‌চ হৈ গল। অসম চৰকাৰে জলসিঞ্চনৰ আচঁনিৰ কোনো ব্যৱস্থা লোৱা হোৱা নাই। ১৯৯৪-৯৫ চনত দিয়াৰ পিচতো এতিয়ালৈকো জলসিঞ্চনৰ কোনো ব্যৱস্থা লোৱা নাই। তেনেস্থলত দেখা যায় খেতিয়ক ৰাইজৰ ওপৰত অৱমাননা কৰা হৈছে। সেইকাৰণে এই উত্তপ্ত পৰিবেশৰ সৃষ্টি হৈছে। এই পিচপৰা এলেকাত বসবাস কৰা খেতিয়ক ৰাইজ আৰু সাধাৰণ ৰাইজৰ ওপৰত যিমানখিনি নজৰ দিব লাগিছিল সিমানখিনি দিয়া নাই। শান্ত পৰিবেশ ঘূৰাই আনিবৰ কাৰণে এই খেতিয়ক ৰাইজৰ ওপৰত গুৰুত্ব দিব লাগিব। তেতিয়াহে দেশখনত শান্ত পৰিবেশ ঘূৰি আহিব। উপাধ্যক্ষ মহোদয়, শিক্ষা বিভাগৰ ক্ষেত্ৰত মই কব খুজিছো যে শিক্ষা বিভাগ যি ধৰণে চলি আছে তাৰ পৰা অনুমান হয় যে টাউন, চহৰৰ মাজতহে শিক্ষা চলি আছে। ভিতৰুৱা গাওঁ সমূহত দেখিব গছৰ তলত শিক্ষা চলিছে। দুশ জন ছাত্ৰৰ মাজত মাত্ৰ এজন শিক্ষক, স্কুল ঘৰ বিলাকত কৰবাত খিড়িকী আছে, বেৰ নাই। শিক্ষক সকলৰ দৰমহা নাই। এনেকুৱা ধৰণৰ পৰিস্থিতিত শিক্ষা চলাই আছে। উঠি অহা লৰা-ছোৱালী, বৰ্ত্তমানৰ নাগৰিক সকলৰ চৰিত্ৰ বেয়া হৈ আহিছে। আমি যদি দেশৰ সুনাগৰিক সৃষ্টি কৰিব বিচাৰো তেতিয়া হলে শিক্ষা বিভাগে গুৰুত্ব দিব লাগিব। আৰু কৃষিৰ কাৰণে খেতিয়ক ৰাইজক গুৰুত্ব দিব লাগিব। আজি শিক্ষক সকলে দৰমহা নোপোৱাৰ কাৰণে হাহাকাৰ কৰিব ধৰিছে। শিক্ষক স্কুললৈ নোযাৱা হৈছে, ক্লাচ নহয়, ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষা সমূহত নকল কৰিব ধৰিছে। এই বিলাক বিবেচনা কৰি চোৱা উচিত। কাৰণ আজি এই বিষয়ৰ কাৰণে ধৰ্ণা দি আছে। এম, ই, স্কুল সমূহ প্ৰাদেশিকৰণ কৰিব লাগে। যিহেতু ধৰ্ণা দি আছে সেয়ে আমি এই সমূহ বিষয় সমূহ চালি জাৰি চাব লাগিব। মই বেছি কব খোজা নাই। আজি আমাৰ ইয়াত ল এন্ড অৰ্ডাৰৰ পৰিবেশ সৃষ্টি কৰিছে। আৰ্মী কিমান দিন পুহি ৰাখিব, টকাৰ কথা আছে। যদি আৰ্মী যিমান দিন আছে, এই কেই দিনতে পৰিস্থিতি ঠিক কৰিব নোৱাৰে, তেতিয়া হলে সমস্যা আগৰ দৰেই থাকিব। আমি ৰাইজৰ মাজত সোমাব লাগিব। আৰ্মী সোনকালে উঠাই দিব লাগে। আৰ্মীৰ কাৰণেই বহুত ৰাইজে অহা যোৱাত কষ্ট ভোগ কৰিব লগা হৈছে।

* Speech not corrected

ৰাজ্যপাল মহোদয়ৰ ভাষনৰ ওপৰত বহুতেই কব লগা আছিল, কিন্তু সময় কম, সেয়েহে নকওঁ। এইখিনি কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**Mr. Dy. Speaker : Thank you Mr. Muchahary. Now, I request Hon'ble Member, Shri Pulakesh Burua.**

***শ্রীপুলকেশ বৰুৱা ঃ** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, অসম বিধান সভাত ৰাজ্যপাল মহোদয়ে যি ভাষণ দিছিল তাৰ সমৰ্থনত মই এটা কথা কবলৈ বিচাৰিছো। আজি অসমৰ যি সমস্যা হৈছে, সেই সমস্যাই সকলোকে বেৰি ধৰিছে। এই সমস্যাটো হৈছে উগ্ৰপন্থী সমস্যা, সন্ত্ৰাসবাদ সমস্যা। আজি অসমৰ বৰ্ত্তমান পৰিস্থিতিৰ সম্পৰ্কে ৰাজ্যপাল মহোদয়ে কৈছে বৰ্ত্তমান পৰিস্থিতিত হিংসাত্মক কাৰ্য্যকলাপৰ উপশম ঘটোৱাৰ বাবে মোৰ চৰকাৰে সন্ত্ৰাসবাদী, উগ্ৰপন্থী গোট সমূহে সৃষ্টী কৰা সমস্যা সমূহ কেৱল আইন শৃংলাৰ সমস্যা হিচাবে নলৈ এক ইতিবাচক প্ৰচেষ্টাৰে ইয়াক আলাপ-আলোচনাৰ মাধ্যমেৰে সমাধান কৰিব পৰা বিষয় হিচাপেহে গণ্য কৰিছে। এই প্ৰচেষ্টাৰে চৰকাৰে খোলা মনেৰে আলফা, এন, এছ, চি, এন, এন, ডি, এফ, বি, আৰু বি, এল, টি, এফ,ৰ সৈতে আলোচনাত বহাৰ সপক্ষে ইচ্ছা প্ৰকাশ কৰিছে। ৰাজ্য চৰকাৰৰ উদ্যোগত কেন্দ্ৰৰ সংযুক্ত মৰ্চ্চা চৰকাৰে উমৈহতীয়া নূন্যতম আঁচনিত অসমৰ সন্ত্ৰাসবাদীৰ সমস্যাটো আলাপ-আলোচনাৰ মাধ্যমেৰে সমাধানৰ বিষয়টো সন্নিবিষ্ট কৰি ইয়াৰ সমাধানৰ বাবে উগ্ৰপন্থী সংগঠন সমূহক আলোচনাৰ মেজলৈ আহিবৰ বাবে আহ্বান জনাইছে। প্ৰধান মন্ত্ৰী শ্ৰী এইচ, ডি, দেবেগৌড়াই নিজেই উগ্ৰপন্থী সংগঠন সমূহক বিনা চৰ্ত্তে আলোচনাৰ বাবে আগ বাঢ়ি আহিবলৈ মুকলিকৈ আহ্বান জনাইছে। শেহতীয়া ভাবে এন-এছ চি-এনে চৰকাৰৰ সৈতে আলোচনাত বহিবলৈ তেওঁলোকৰ ইচ্ছা প্ৰকাশ কৰিছে।

উপাধ্যক্ষ ডাঙৰীয়া, উগ্ৰপন্থী সমস্যা কিয় উত্তৱ হৈছে, উত্তৱ হোৱাৰ কাৰণ এটা। ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পৰাই এই সমস্যা আৰম্ভ হৈছিল। নাগালেণ্ডত আজিও সেই সমস্যা শেষ হোৱা নাই। আজি সমগ্ৰ উত্তৰ পূৰ্ব্বাঞ্চলতে এই সমস্যাই বেৰি ধৰিছে। ইতিমধ্যে সেনাৰ মুখ্য অধীক্ষক গৰাকীয়ে সাংবাদিক মেলত কৈছে যে এই সমস্যা অস্ত্ৰৰে সমাধান কৰিব নোৱাৰি। আমাৰ চৰকাৰে কৈছে ই এক ৰাজনৈতিক সমস্যা। আলাপ-আলোচনাৰ প্ৰয়োজন। এতিয়া সমগ্ৰ অসমত যি সন্ত্ৰাসবাদ হৈছে, উগ্ৰপন্থী

সকলে যি হিংসাত্মক পন্থা লৈছে তাক প্ৰতিহত কৰিবলৈ সেনা লগোৱা হৈছে। এতিয়া কথা হৈছে সমস্যা সমাধান কৰিব পৰা যাব নেকি, সেনাই কৈছে সমস্যা সমাধান কৰিব পৰা নেযাব। যি সকলে বন্দুক হাতত লৈছে সেই সকল আমাৰ দেশৰ শত্ৰু নেকি? দেশৰ শত্ৰুকহে প্ৰতিহত কৰিবলৈ বন্দুক লয়। কিন্তু আমাৰ আজি কিয় এনে পৰিস্থিতি হবলৈ পালে। ভাৰতবৰ্ষৰ আন আন ৰাজ্য সমূহ সকলো ক্ষেত্ৰতহ আগ বাঢ়ি গৈছে, কিন্তু আমাৰ অসমখন পিচ পৰি আছে।

উপাধ্যক্ষ ডাঙৰীয়া, অনগ্ৰসৰতাৰ কাৰণে আজি অসমত একোটা সমস্যাই দেখা দিছে। নিবনুৱা সমস্যাই ভয়ঙ্কৰ ৰূপ লৈছে, প্ৰতিখন গাঁওত আমি কি দেখিবলৈ পাইছো - ডেকা ল'ৰা শিক্ষিত হৈছে, কোনোবাই বি, এ, এম, এ, আৰু আৰু হয়তো ওপৰলৈ পাছ কৰি গৈছে। এই খিনি ডেকা লৰাৰ কাম কি? বহুত ডেকা লৰাই পুৱাই ঘৰৰ পৰা ওলাই আহে, অত-তত মেল মাৰি থাকে। চাকৰীৰ আশাত বিধায়ক মন্ত্ৰীৰ ওচৰলৈ আহে। ৰাজ্যপাল মহোদয়ে তেখেতৰ ভাষনত কৈছেই যে ১৯৯৬ চনৰ ৩০ চেপ্তেম্বৰৰ পৰ্য্যন্ত ৰাজ্যখনৰ নিয়োগ বিনিময় কেন্দ্ৰ সমূহৰ চলন্ত পঞ্জিত চাকৰি বিচৰা প্ৰাৰ্থীৰ সংখ্যা ১২,৮৩,১৯৪ জন। ইয়াৰোপৰি পঞ্জীয়ন নোহোৱাকৈ বহুত নিবনুৱা আছে। নিবনুৱাৰ বাবে পদ পূৰণৰ কাৰণে শিক্ষা বিভাগে আঠ হেজাৰ সাতশ পদ সৃষ্টি কৰিছে। এই শিক্ষকৰ কাৰণে প্ৰায় সাত লাখ দৰখাস্ত পৰিছে। যদি চোৱা যায় শতকৰা ডেৰ জনকৈ নিবনুৱা ভাগত পৰিব। বাকী ডেকা লৰা সকলে কি কৰিব। তেওঁলোক সাংঘাটিক হতাশগ্ৰস্ত হৈছে। এই ক্ষেত্ৰত অন্য ৰাজ্যত বেলেগ ধৰণে মোকা-বিলা হৈছে। এই নিবনুৱা সমস্যা সমাধানৰ কাৰণে ব্যৱস্থা লব লাগিব ক্ষমতা বিকেন্দ্ৰীকৰণৰ যোগেদি। চৰকাৰৰ যিবিলাক আঁচনি, এই আঁচনিসমূহ ফলপ্ৰসু কৰাৰ যোগেদি সমস্যা সমাধান কৰিব লাগিব। পশ্চিমবঙ্গত সমস্যা সমাধানৰ পথ লৈছে, তাৰ আৰ্হি লোৱাৰ প্ৰয়োজন হৈছে। চৰকাৰে কি ব্যৱস্থা লৈছে তাৰ আভাস ৰাজ্যপালৰ ভাষণত থাকিলে ভাল হ'লহেতেন।

তেতিয়াহলে অন্ততঃ এই হতাশগ্ৰস্ত যুৱকখিনিৰ আশাৰ ছবি থাকিলেহেঁতেন। গতিকে এই বিষয়টো চৰকাৰে গুৰুত্বৰ সহকাৰে লব বুলি আশা কৰিলো। আজি উগ্ৰপন্থী সমস্যা সমাধান কৰাৰ কাৰণে সেনা বাহিনী নামিছে। এই সেনাবাহিনিৰ সামৰিকীকৰণৰ দ্বাৰা এইটো সমস্যা সমাধান

কৰিব নোৱাৰি। ৰাজনৈতিক ভাৱে সমাধান কৰাটো গভীৰ ভাৱে আমি চিন্তা কৰিব লাগিব। আজি বিধান সভাৰ মজিয়াত বহি শাসক দলে বিৰোধী দলক, বিৰোধী দলে শাসক দলক এনেধৰণে জগৰীয়া কৰি থাকিম। যদি এই পৰিস্থিতি এইদৰে চলি থাকে তেতিয়াহলে এই গণতান্ত্রিক ব্যবস্থা ভবিষ্যতে কি হব সেইটো সন্দেহ হয়। এই গণতান্ত্রিক ব্যৱস্থা বাচি থাকিবনে নাই এই বিষয়ে চিন্তাৰ বিষয় হৈ পৰিছে। আজি উন্নয়ন মূলক কাম-কাজ হোৱাৰ কোনো পৰিবেশ নাই। বিভিন্ন বিভাগৰ বিষয়া সকলে যিবিলাক উন্নয়ন মূলক বিভাগৰ লগত জৰিত তেওঁলোকে কাম কৰিব নুখুজে থাকিব নোৱাৰে, এনেকুৱা পৰিস্থিতি সৃষ্টি হৈছে। আনকি আৰু কিছু দিনৰ পিচত বিধায়ক সকলক বিধায়কৰ আবাস-গৃহতে আবদ্ধ হৈ পৰিব লাগিব। গতিকে এই পৰিস্থিতি মোকামিলা কৰিবৰ কাৰণে আলাপ-আলোচনাৰ কথা কৈছে, এন, এছ, চি, এনেও আলোচনা হোৱাটো আশা কৰিছে। পূৰ্বৰ চৰ্ত্ত নোহোৱাকৈ আলোচনা বাবে প্ৰধান মন্ত্ৰীয়ে আহ্বান জনাইছে। উগ্ৰপন্থী সন্থাই নিশ্চয় এইটো বিবেচনা কৰিব। কেৱল সন্ত্ৰাস আৰু অস্ত্ৰৰ দ্বাৰাই ইয়াক সমাধান কৰিব নোৱাৰি। ৰাজনৈতিক ভাবে আলাপ-আলোচনা যোগেদি সমাধান যে হব সেই কথাটো তেওঁলোকে নিশ্চয় বিশ্বাস কৰিব। পূৰ্বৰ স্বৰ্ত্তনোহোৱাকৈ আলোচনা কথা কৈছে প্ৰধানমন্ত্ৰী ডাঙৰীয়াই আৰু সেইটো আজিও আশা কৰিছো। কুটনৈতিক ব্যৱস্থাৰ দ্বাৰা তেওঁলোকক আলোচনাৰ মেজলৈ আনিব পাৰি নেকি এই বিষয়ে নিশ্চয় চৰকাৰে বিবেচনা কৰিব। যদি ভাৰতৰ প্ৰধানমন্ত্ৰী মোৰাজী দেশাইয়ে ফিজুৰ লগত কথা হব পাৰিছিল, আৰু লালডেংগাৰ লগত ফান্সত কথা হব পাৰিছিল তেনেহলে আমাৰ বৰ্ত্তমান চৰকাৰে উগ্ৰপন্থী সকলৰ লগত বিনা সৰ্ত্তে তৃতীয় দেশত কথা পতাত কি অসুবিধা থাকিব পাৰে। পূবৰ সৰ্ত্ত নোহোৱাকৈ যদি আলোচনা হব লাগে তেতিয়াহলে তৃতীয় ৰাষ্ট্ৰত এই আলোচনাৰ ব্যবস্থা কৰিব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, আজি উগ্ৰপন্থীয়ে কিয় হাতত বন্দুক লৈছে? নিতৌ ন-ন ল'ৰা গৈ আছে। নল মেলা গজালিৰ দৰে ওলাই আছে। এইটো খবৰ আমি সকলোৱে জানো, কিয় তেওঁলোক গৈ আছে। তেওঁলোকৰ সন্মুখত আজি হতাশগ্ৰস্ত ছবি ফুটি উঠিছে, তেওঁলোকে হাতত বন্দুক ললে অৱস্থা ভাল হব বুলি ধৰি লৈছে। আমাৰ যি কাৰ্য্যসূচীত আছে সেইটো যদি ভালদৰে ৰূপায়িত কৰিব পাৰো তেতিয়াহলে নিশ্চয় সমাধনৰ

পথ ওলাব। অসম ৰাজ্যখন অৰ্থনৈতিক ভাবে অনগ্ৰসৰ ৰাজ্য। এই ৰাজ্যখনত যিখিনি আছে তাক যদি সঠিক ভাৱে ব্যৱহাৰ কৰো, হতাশগ্ৰস্ত ডেকা ল'ৰাক আগবঢ়াই আনিব পাৰো তেতিয়াহলে উগ্ৰপন্থী নেথাকিব বুলি ভাবো। আমাৰ কেইটামান গুৰুত্বপূৰ্ণ বিভাগ আছে সেই কেইটাত টকা-পইচা থাকে বুলি আমি জানো। সেইটো হৈছে 'গ্ৰামিক বিকাশ অভিকৰণ'। আমাৰ ৰাজ্যখনৰ সমষ্টি বিলাকত যি উদ্যেশ্যৰে টকা খৰচ কৰা হয় সেইটো যদি ভাল আচঁনি লৈ আমাৰ ডেকা সকলৰ জৰিয়তে কৰিব পাৰো তেতিয়াহলে কিছু সমস্যা সমাধান হব বুলি ভাবো। মই আগতেই কৈছো যে পশ্চিমবঙ্গ আৰু মহাৰাষ্ট্ৰৰ আৰ্হিৰে আমি আগবাঢ়ি গলে সফল হম। আজি আমাৰ ডেকা চামে ভাবিছে স্বাধীন হলে আমাৰ উন্নতি হব। বিশ্বত স্বাধীন বোলা কিবা এটা আছে নেকি ? অৰ্থনৈতিক ভাৱে কোনো স্বাধীন নহয়। এখন দেশে আন এখন দেশৰ ওপৰত আত্ম নিৰ্ভৰশীল হব লগীয়া হৈছে। চীন এখন আত্ম নিৰ্ভৰশীল দেশ আছিল। তেওঁলোকেও এতিয়া আমেৰিকাৰ লগত বাণিজ্যৰ ক্ষেত্ৰত আদান-প্ৰদান কৰিব লগীয়া হৈছে। সেইকাৰণে ভাৰতবৰ্ষৰ সংবিধানৰ গণ্ডীৰ ভিতৰত কি ভাবে ইয়াৰ সমাধান আনিব পাৰি তাক আমি নিশ্চয় কব পাৰিব লাগিব। সংবিধানৰ যি ব্যৱস্থা এই ব্যৱস্থাত ৰাজ্যখনৰ অধিকাৰ কি ? ৰাজ্যখনৰ সম্পদৰ ওপৰত ৰাজ্য চৰকাৰৰ কিবা ক্ষমতা আছে নেকি এই প্ৰশ্নটো আজি সকলোৱে গুৰুত্ব সহকাৰে বিবেচনা কৰিব লাগিব। আমাৰ মননীয় সদস্য শ্ৰীজগদীশ ভূঞা ডাঙৰীয়াই কেইটামান ভাল পৰামৰ্শ দিছে আৰু তেখেতৰ মন্তব্যৰ ওপৰত মই সমৰ্থন জনাইছো।

উপাধ্যক্ষ মহোদয়, আজি সেনা সন্ত্ৰাসৰ কথা কোৱা হৈছে, সেই গোটেই কথাবিলাক মিছা নোহোৱা নহয়। গোটেই কথা বিলাকে এনেকুৱা এটা পৰিবেশ সৃষ্টি কৰিছে কোনেও কাৰো ওপৰত বিশ্বাস নোহোৱা হৈছে। সেইকাৰণে মই উপাধ্যক্ষৰ জৰিয়তে চৰকাৰক অনুৰোধ কৰিছো ৰাজ্যপাল মহোদয়ৰ ভষণত যি কথা উল্লেখ আছে, নিবনুৱা সমস্যা সমাধান কৰিবৰ কাৰণে, উগ্ৰপন্থী সমস্যা সমাধান কৰিবৰ কাৰণে আলাপ-আলোচনা যিখিনি স্ব-নিযুক্তিৰ কথা কোৱা হৈছে সেইখিনি সঠিক ভাবে কৰিব বুলি আশা ৰাখি ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত সমৰ্থন কৰি মোৰ বক্তব্য সামৰণি মাৰিলো।

**Mr. Dy. Speaker : Thank you Mr. Baruah. Now, I request Hon'ble Member, Shri Misbahul Islam Laskar.**

**শ্রীমিসবাহুল ইসলাম লস্কর :** মাননীয় উপাধ্যক্ষ মহোদয়, গত ৭ ই মার্চ রাজ্যপাল মহোদয় বিধান সভায় যে ভাষন দিয়েছেন এবং তার উপর মাননীয় সদস্য শ্রী হিতেন্দ্র নাথ গোস্বামী মহোদয় যে ধন্যবাদ সূচক প্রস্তাব এনেছেন আমি তার বিরোধীতা করে আমাদের পক্ষ থেকে যে সংশোধনী প্রস্তাব আনা হয়েছে সেটা সমর্থন করে আমার বক্তব্য তুলে ধরছি।

মহোদয়, সংবিধানের ১৭৬ (১) ধারা মতে বিধান সভায় রাজ্য পাল মহোদয়ের ভাষন দেবার প্রভিশন আছে। রাজ্যপাল মহোদয় যে ভাষন দেন তাতে একটা সরকারের আগামী বৎসরের বিভিন্ন বিভাগের উন্নয়নমূলক কাজকর্মের হিসাব বা কর্মপন্থা তুলে ধরা হয়। কিন্তু আমাদের রাজ্যপাল মহোদয় যে ভাষন এই সদনে দিয়েছেন সেই ভাষনে তিনি যে সব কথা উল্লেখ করেছেন তা কি ভাবে রূপায়ন করা হবে তার কোন স্পষ্ট নীতি তিনি উল্লেখ করেন নি। গত অধিবেশনেও আমরা রাজ্যপাল মহোদয়ের ভাষন শুনেছিলাম। কিন্তু তিনি যেসব উন্নয়ন মূলক কাজের কথা বলেছিলেন তার কিছুই এই সরকার পালন করেন নি।

মহোদয়, রাজ্যপাল মহোদয়ের ভাষনে আমাদের রাজ্যের আইন শৃংখলার কথা বলা হয়েছে। উগ্রপন্থীর সমস্যা ছাড়া চুরি, ডাকাতি, ধর্ষণ লুণ্ঠন এইসব কার্য্য আজ সর্বত্রই অনায়াসে চলছে। কিন্তু এইসব প্রতিরোধ করার কোনস্পষ্ট নীতি এই ভাষনে উল্লেখ করা হয়নি। এই ব্যাপারে আমি বরাক উপত্যকার ২/১ টি বিক্ষুব্ধ ঘটনার উল্লেখ করছি। মহোদয়, আপনার নিশ্চয় জানা আছে যে কয়েকদিন আগে শিলচরের মালুগ্রামে একজন লোককে থানায় ধরে নিয়ে আটক করে নানা ধরনের 'টরচার' করার জন্য তার মৃত্যু হয়েছিল। তার পর এই ঘটনার পরেরদিন সেখানকার জনসাধারন প্রতিবাদ করার জন্য ২ জন নিরীহ লোককে পুলিশ গুলিকরে মেরে ফেলেছিল। কিন্তু আজ পর্য্যন্ত এরকোন বিচার হয়নি। নিরীহ জনসাধারন যাদেরে টরচার করে, গুলিকরে মেরে ফেলা হলো তাদের আজপর্যন্ত কোন ক্ষতিপূরণ দেওয়া হয়নি। এছাড়া, বদরপুরে একজন পুলিশ কর্মকর্তা একজন মহিলাকে ধর্ষণ করেছে। এই মহিলা ১৬৪ ধারায় মেজিস্ট্রেটের সামনে এই পুলিশ বিষয়ার বিরুদ্ধে অভিযোগও দিয়েছে। কিন্তু আজ পর্যন্ত

এর কোন একশন নেওয়া হয়নি। এই ধরনের ঘটনা যে শুধু বরাক ভেলীতে ঘটে চলেছে তা নয় - সারা আসামেই এই ঘটনা ঘটে চলেছে। আজ আমাদের রাজনীতি শহর গুয়াহাটীরই অবস্থা কি? চুরি, ডাকাতি, লুণ্ঠন এইসব শহরের দৈনন্দিন ঘটনা। কিছুদিন আগে এই শহরে একজন যুবককে গুলি করে মেরে ফেলা হলো। ব্যবসায়ীদের কাছ থেকে জোর করে হামেশাই টাকা আদায় করা হচ্ছে। কিন্তু ভয়ে কোন ব্যবসায়ীই কোন থানায় রিপোর্ট লিখাতে সাহস পান না। এই হলো আমাদের রাজ্যের আইন শৃঙ্খলার প্রকৃত চিত্র। সুতরাং এই ব্যাপারে নজর দেওয়ার জন্য আমি সরকারকে অনুরোধ করছি।

মহোদয়, কিছুক্ষন আগে মাননীয় সদস্য, শ্রীপুলকেশ বরুয়া মহোদয় তার ভাষনে রাজ্যের ভয়াবহ বেকার সমস্যার কথা উল্লেখ করেছেন। রাজ্যপাল মহোদয়ের ভাষনে এ ব্যাপারে উল্লেখ থাকলেও আমাদের রাজ্যে যে সব লোক বিলো প্রোভার্টি লাইনে বসবাস করছে তাদের সম্মন্ধে কিছুই উল্লেখ করা হয়নি। এই ব্যাপারে আমি বলতে চাই যে বিলো প্রভার্টি লাইনে যারা আছেন তাদেরে কিভাবে উন্নতি করা যায় তা খতিয়ে দেখার জন্য কিছুদিন আগে প্ল্যানিং কমিশন একটি কমিটি গঠন করে দিয়েছিল। এই কমিটি ইতিমধ্যে এর রিপোর্ট পেশ করেছেন। এই রিপোর্টে আমরা দেখেছি যে উত্তর-পূর্বাঞ্চলে বিলো প্রভার্টি লাইনে বসবাস করা লোকের সংখ্যা হলো শতকরা ৩৫.৯৭ ভাগ যা সারা ভারতবর্ষের তুলনায় মাত্র '৩৮ শতাংশ বেশী। আসামের সংখ্যা হলো ৪০.৮৬ শতাংশ। অর্থাৎ আমাদের পার্শ্ববর্তী রাজ্য মেঘালয়, নাগালেণ্ড বা মিজোরামের চেয়ে অনেক বেশী। কিন্তু এই বিরাট সংখ্যক জনসাধারনের মানদণ্ড উন্নতি করার ব্যাপারে সরকারের হাতে কোন স্পষ্ট নীতি নেই। আমার ধারনা - একমাত্র ডি আর ডি এ'র মাধ্যমে এদের উন্নতি করা সম্ভব। আর এটা করতে হলে স্থানীয় বিধায়কদেরে ডি আর ডি এ'র ই এ এস সঙ্গে জড়িত করতে হবে। যদি বিধায়কদেরে এই স্কীমের সঙ্গে জড়িত করা না হয় তাহলে এই স্কীমের সুফল গরীব জনসাধারন লাভ করতে পারবে না। এই স্কীমের টাকা কি ভাবে অপচয় করা হচ্ছে তার উদাহরন আমি তুলে ধরছি। আমার সমষ্টি বরখোলার অন্তর্গত এই ই এ এস স্কীমে ১৯৯৬-৯৭ ইংতে আই টি আই বিল্ডিং রং করা এবং রিপেয়ারিং করার জন্য টাকা খরচ করা হয়েছে। অথচ ই এ এস গাইড লাইন মত এই ধরনের কোন কাজ করা সম্ভব নয়। সুতরাং

গ্রামের জনসাধারনের যাতে উপকৃত হতে পারে তার প্রতি লক্ষ্য রেখে বিধায়কদেরে এই স্কীমের সঙ্গে জড়িত করা জন্য বিভাগীয় মন্ত্রী মহোদয়কে অনুরোধ করছি।

এরপর শিক্ষা বিভাগ সম্বন্ধে আমি ২/১ টি কথা বলতে চাই। মহোদয়, এই ব্যাপারে ইতিমধ্যে অনেক আলোচনা হয়েছে। গত অধিবেশনে আমাদের মাননীয় শিক্ষা মন্ত্রী, শ্রীযতীন মালি মহোদয় ঘোষনা করেছিলেন যে এই বৎসর থেকে শিক্ষা বিভাগে তিনি এক নুতন যুগের সৃষ্টি করবেন। কিন্তু রাজ্যপাল মাহাদয়ের ভাষনে এব্যাপারে কোন নতুন পলিসি উল্লেখ করেন নি। কিন্তু হাইলাকান্দিতে এই বিভাগ শিক্ষক নিযুক্তির ক্ষেত্রে ইতিমধ্যে নতুন যুগের সূচনা করে ফেলেছেন। সেখানে শিক্ষা বিভাগের এক কর্মকর্তাকে এই সংক্রান্তে গ্রেপ্তার করা হুকুম জারী করা হয়েছে। এই কর্মকর্তা এখনও পলাতক অবস্থায় আছেন এবং তাকে গ্রেপ্তার করা সম্ভব হয় নি। ইতিমধ্যে অন্য এক কর্ম কর্তার বাড়ী তল্লাসী চালিয়ে প্রায় ২/৩ শত চাকরীর নিযুক্তি পত্র পুলিশ বাজেয়াপ্ত করেছে। এইসব নিযুক্তি পত্রে শুধু নাম বত্তি ছাড়া সব কিছুই রেডি অবস্থায় ছিল। এই ধরনের অনিয়ম শিক্ষা বিভাগে এখনও চলছে। তাছাড়া, আজ থেকে ১৫/২০ বৎসর আগে যেসব হাইস্কুল, হাইয়ার সেকেণ্ডারী স্কুল এম ই বা এল পি রিকগনিশন পেয়েছিল সেগুলি সরকারীকরনের কোন প্রস্তাব এই ভাষনে নেই। এইসব স্কুলে যারা চাকুরী করছেন তাদের অনেকেরই অন্য চাকরী পাবার সুযোগ নেই। কারন তাদের চাকরীর পাবার বয়স আর নেই। এমতাবস্থায় তাদের চাকরী সরকারীকরন করা না হলে এইসব স্কুলের শিক্ষকদের অবস্থা কি হবে তা একবার ভেবে দেখা দরকার বলে আমি মনে করি। শিক্ষা বিভাগ থেকে প্রয়োজনীয় পার্মিশন নিয়েই এইসব স্কুল খোলা হয়েছিল। সুতরাং যেসব স্কুল ১৫/২০ বৎসর যাবৎ রিকগনিশন পেয়েছে সেইসব স্কুল অনতিবিলম্বে সরকারী করন করার জন্য আমি দাবী করছি।

মহোদয়, স্বাস্থ্য বিভাগের উপর ২/১ টা কথা বলছি। বিগত রাজ্যপাল মহোদয়ের ভাষনে জি এম সি, এ এম সি এবং সি এম সির উন্নয়নের জন্য বলা হয়েছিল। জি এম সি - এ এম সি উন্নয়নের জন্য কিছু করা হয়ে থাকলের শিলচর মেডিকেল কলেজের উন্নয়নের জন্য কোন পদক্ষেপ নেওয়া হয় নি। শিলচর মেডিকেল কলেজে একটি শিশুর জন্ম হতে গেলে যতটুকু মিনিমাম এমিনিটির প্রয়োজন সেটাও এই কলেজে নেই। এই

কলেজে ন্যূনতম সুযোগ সুবিধা না থাকার জন্য ইণ্ডিয়ান মেডিকেল কাউন্সিল এই কলেজের রিকগনিশন কেটে দেওয়ার হুমকি দিয়েছে। সুতরাং এস পার টার্মস অব মেডিকেল কাউন্সিল যে সব ন্যূনতম সুযোগ সুবিধা থাকা দরকার তার ব্যবস্থা অনতি বিলম্বে করার জন্য বিভাগীয় মন্ত্রী মহোদয়কে অনুরোধ করছি। এছাড়া বরাক উপত্যকার লোকদের বাইরে গিয়ে চিকিৎসা করানো সম্ভব নয়। কারন যাতায়াতের তেমন কোন সুবিধা এই এলাকায় নেই। যদিও প্রধানমন্ত্রী মহোদয় ঘোষনা করেছেন যে বরাক ভেলীতে ব্রডগেজ কাজ শুরু হবে। তবুও এটা আমরা সঠিক বলতে পারবো না যে এই কাজ কবে শেষ হবে। কিন্তু অবস্থা যাই হোক এর মধ্যেই আমাদের বাঁচতে হবে। তাই, মহোদয় আমি সরকারের নিকট আপনার মাধ্যমে পুনরায় আবেদন করব যাতে শিলচর মেডিকেল কলেজের উন্নয়ন করা হয়, যাতে ন্যূনতম সুযোগ সুবিধা সেখানে প্রপ্ত হয় এবং ইণ্ডিয়ান মেডিকেল কাউন্সিলের রিকগনিশন বহাল থাকে। আশাকরি সরকার এই দিকে নজর দিবেন।

মহোদয়, রাজ্যপালের ভাষনে এখানে আরও ২/১ টি লাইন লেখা রয়েছে ওয়াটার সাপ্লাই'র বিষয়ে। কিন্তু বর্তমানে ওয়াটার সাপ্লাই'র স্কীমগুলি যে অবস্থায় রয়েছে আমি জানি না অন্যান্য সদস্যদের এই ব্যাপারে কি অভিজ্ঞতা রয়েছে। কিন্তু আমার সমষ্টি বরখলাতে একটাও পাইপ ওয়াটার স্কীম চালু নেই। এগুলো রিপেয়ারিং'র পর্যন্ত টাকা নেই। এমন কি দিনে ২ বেলা জল সরবরাহ করতে পারছে না। বড়জোর সপ্তাহে ২/৩ দিন জল সরবরাহ করা হয়। সেজন্য মহোদয়, আমি আপনার মাধ্যমে সরকারকে অনুরোধ করি যে নতুন স্কীম নেওয়ার আগে পুরনো স্কীমগুলিকে চালু করার ব্যবস্থা যেন সরকার করেন। কারন বিশুদ্ধ জল পেলে জনসাধারনের অনেক রোগ কমে যায়। অনেক সমস্যার সমাধান হয়। কিন্তু দুঃখের বিষয় আমার সমষ্টি বরখলায় পাইপ ওয়াটার স্কীম অকেজো হয়ে পড়ে আছে। এগুলোকে সংস্কার করে পুরোপুরি চালু করার জন্য আমি সরকারকে অনুরোধ করছি। এই বলে আমি আমার দলের পক্ষ থেকে যে সংশোধনী প্রস্তাব আনা হয়েছে তা সমর্থন করে আমার বক্তব্য শেষ করছি।

**শ্রীহেমেন দাস ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই মাননীয় সদস্য গোস্বামী ডাঙরীয়াই

অনা ধন্যবাদ সূচক প্ৰস্তাৱটো সমৰ্থন কৰি ৰাজ্যপালৰ ভাষনৰ ওপৰত দুষাৰ মান কথা কবলৈ আগবাঢ়িছো। ৰাজ্যপালৰ ভাষনত এইবাৰ কিছুমান দৰকাৰী কথা সন্নিবিষ্ট কৰা হৈছে। বিশেষকৈ ৰাজ্য খনৰ পৰিবিৰ্ত্তিত পৰিস্থিতিত, ৰাজ্যপালে উল্লেখ কৰিছে যে সকলো দলৰ লোক লগ-লাগি এইবাৰ ৰাজ্য খনৰ সমূহীয়া স্বাৰ্থত কাম কৰাৰ কাৰণে চেষ্টা কৰিছে। এইটো স্বাভাবিক কথা ৰাজ্যখনৰ বৃহত্তৰ স্বাৰ্থত আমাৰ কোন ধৰণৰ পাৰ্থক্য নাই কিন্তু ৰাজনৈতিক ক্ষেত্ৰত কিছু পাৰ্থক্য থাকিব পাৰে কিন্তু যেতিয়াই ৰাজ্য খনৰ সমূহীয়া স্বাৰ্থৰ কথা আহিব তেতিয়া আমাৰ মাজত কোন ধৰনৰ পাৰ্থক্য নাথাকিব। ৰাজ্য খনৰ সমূহীয়া স্বাৰ্থত আমি এক, সেয়েহে এতিয়া কাম আৰম্ভ কৰা হৈছে। এই খিনিতে এতিয়া প্ৰশ্ন উঠিছে সেইটো হ'ল 'ইউনিফাইড ষ্ট্ৰাকচাৰ'ৰ প্ৰস্তাৱ লোৱাৰ লগে লগে কাগজে - পত্ৰে আৰু গাওঁ অঞ্চলত বহু ধৰণৰ কথাৰ অৱতাৰণা হৈছে যে সামৰিক বাহিনীৰ সন্ত্ৰাস কেউফালে চলিছে গতিকেই সামৰিক বাহিনী প্ৰত্যাহাৰ কৰক। ৰাজ্য পালৰ ভাষনত কৈছে এইটো নীতিগত ভাৱে সমাধান কৰিব নোৱাৰি, সেনাবাহিনী প্ৰত্যাহাৰ কৰা এইকথাবিলাক ৰাজনৈতিক বিষয়, এতিয়া কথা হ'ল এই ৰাজনৈতিক বিষয়টো নো কি? মূল ৰাজনৈতিক বিষয়টো হৈছে অসমৰ স্বাধীনতা, আমি স্বাধীন অসম বিচাৰিম নে নিবিচাৰিম? এই বিষয়টোৰ ওপৰত আলোচনা কৰাতো উচিত বুলি মই ভাবো। অসমৰ জনসাধাৰণৰ কিমানজন লোকে, অসমৰ কিমান মানুহে অসমৰ স্বাধীনতা বিচাৰে আৰু কিমানে নিবিচাৰে এইটো আমি প্ৰথমতে বিচাৰি উলিয়াব লাগিব। মই পাৰ্টিৰ ফালৰ পৰা কব বিচাৰো আমি কিন্তু ভাৰতবৰ্ষৰ পৰা বিশ্চিন্ন হব নিবিচাৰো। এতিয়া প্ৰশ্ন হ'ল কিয় নিবিচাৰো। এতিয়া মানুহ বিলাকে কৈছে যে এই বিষয়টো স্পষ্ট হব লাগে যে ভাৰতবৰ্ষৰ পৰা অসম ওলাই আহি স্বাধীন হোৱাতো বিচাৰেনে নিবিচাৰে সেইটো থিৰাং হব লাগে। মই ভাবো অসমৰ বেচিভাগ মানুহে ভাৰতবৰ্ষৰ পৰা ওলাই আহি স্বাধীন হোৱাতো নিবিচাৰে। ইতিমধ্যে যোৱা কালি যিটো ৰাজ্যখনৰ বিকাশৰ ওপৰত আলোচনা হৈছিল আৰু সেইমতে ৰাজ্যখনৰ বিকাশ হোৱা নাই বুলি কব নোৱাৰি কিন্তু যি পৰিমাণৰ বিকাশ অন্যান্য ৰাজ্যৰ তুলনাত হব লাগিছিল সেই পৰিমাণৰ হোৱা নাই। সাধাৰণ এটা উদাহৰণৰ পৰাই আমি বুজিব পাৰিম সেইটো হ'ল আজি অসমৰ ক্ষেত্ৰত যি সময়ত আজি অসমত ২৭ লাখ হেক্টৰ মাটিত খেতিৰ পানী যোগান ধৰিব পাৰিব

লাগিছিল যে ঠাইত আমি মাত্ৰ ৬ লাখ হেক্টৰ মাটিত পানী যোগান ধৰা হৈছে। এই সময়ত আজি অসমত আমি যদি বছৰত এডৰা মাটিত তিনিটা খেতি কৰিব নোৱাৰা তেতিয়াহলে আমাৰ ৰাজ্যখনৰ অৰ্থনৈতিক উন্নতি সাধিব নোৱাৰিম। গতিকেই বিকাশৰ ক্ষেত্ৰত ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যৰ তুলনাত আমাৰ ৰাজ্যখনৰ যি ধৰণৰ বিকাশ হব লাগিছিল সেই ধৰণে হোৱা নাই, এই ক্ষেত্ৰত বৈষম্য হৈছে, এই বৈষম্য ক'ত ক'ত হৈছে সেইটো চাবলগীয়া হৈছে। এই বৈষম্যৰ কাৰণেই এচাম লোকে, বিশেষকৈ যুৱক শ্ৰেনীয়ে বিশ্চিন্নতাৰ মনোভাব লৈছে বা লবলৈ বাধ্য হৈছে। অন্যান্য ৰাজ্যৰ তুলনাত আজি আমি কেন্দ্ৰীয় বা ভাৰত চৰকাৰৰ পৰা যিখিনি সহায় - সুবিধা পাব লাগিছিল সেই খিনি সুবিধাৰ পৰা সততে বঞ্চিত হৈ আহিছো। সেয়ে আজি যুৱক সকলৰ অন্তৰত ক্ষোভ সৃষ্টি হৈছে আৰু তাৰ ফলস্বৰূপে স্বাধীন অসমৰ দাবী আহিছে। গতিকে আজি অসমৰ উন্নয়নৰ দাবীত বিশেষকৈ যুৱক সকল অসমৰ স্বাধীনতাৰ দাবীত ওলাই আহিছে। আৰু তেওঁলোক ক্ষুব্ধহৈ বিচিন্নতাবাদী মনোভাৱ দেখুৱাইছে। সেয়েহে ৰাইজে আলোচনা কৰি কেন্দ্ৰীয় চৰকাৰলৈ দাবী জনাইছে যে চাৰিটা বিষয় কেন্দ্ৰৰ হাতত ৰাখি বাকীখিনি ৰাজ্য চৰকাৰক গটাই দিয়ক। এইখিনিতে উল্লেখ কৰিব পাৰি যে আগতে বনাঞ্চল বিভাগটো অসমৰ হাতত আছিল, আৰু তেতিয়া চি, চি, এফ জন অসমৰ পৰা বচা হৈছিল। কিন্তু আজিকালি আই, এফ, এছ, লোকক বাহিৰৰপৰা আমন্ত্ৰণ কৰি অনা হয়, যাৰ ফলত আমাৰ কিছুমান অসমীয়া ল'ৰা ক্ষুব্ধ হোৱা দেখা যায়। কিয়নো আগতে অসমৰ যুৱকসকলৰ কাৰণে এই ক্ষেত্ৰত আসন সংৰক্ষিত আছিল আৰু তেওঁলোকে সুবিধা পাইছিল। তাৰোপৰি আগতে ই, এছ, ব্লকলৈ টকা দিওঁতে দিছপুৰলৈকে আহিছিল কিন্তু এতিয়া কেন্দ্ৰৰ পৰা পোনেই জিলা ভিত্তিত যায়গৈ। গতিকে ৰাজ্য চৰকাৰখন ইয়াত বহি থাকিলে কি হ'ব? আজি অসমৰ যুৱকসকল প্ৰত্যেক বিভাগতেই বিমুখ হ'বলগীয়া হৈছে। বাননিয়ন্ত্ৰণ, উদ্যোগ আদি বিভাগত হতাশ জনক অৱস্থা পৰিলক্ষিত হৈছে। জলসিঞ্চন আদি বিভাগতো আমাৰ ল'ৰা-ছোৱালীয়ে কাম কৰিবলৈ পোৱা নাই। গতিকে তেওঁলোকে ভাবিছে, ইয়াত এনেকৈ থাকিলে নহ'ব, ওলাই অহাই ভাল বুলি তেওঁলোকে স্বাধীন অসমৰ দাবী তুলিবলৈ বাধ্য হৈছে। তেওঁলোকে হাতত অস্ত্ৰ তুলি লৈছে। তাকে নিয়ন্ত্ৰণ কৰিবলৈ, আইন-শৃংখলা ৰক্ষা কৰিবলৈ পুলিচ-চি, আৰ, পিক নিয়োগ কৰিছে। কিন্তু সেইটো

কোনো স্থায়ী ব্যৱস্থা নহয়। গতিকে আজি সকলোৱে লগ হৈ এক উচিত সিদ্ধান্ত গ্ৰহণ কৰক আৰু অসমৰ উন্নতিৰ বাট উলিয়াবৰ কাৰণে উপায় উদ্ভাৱন কৰক। ৰাইজ, চৰকাৰ আৰু বিক্ষুব্ধ যুবক সকল মুকলিভাবে আলোচনা কৰিবলৈ আগবাঢ়ি আহক। সৈন্য প্ৰত্যাহাৰ কৰক। ১৯৬৪ চনতে কোৱা হৈছিল যে আমাৰ সমাজত এনে কিছুমান জন-জাতীয় লোক আছে, তেওঁলোক এহেজাৰ নহয়, দুহেজাৰ নহয়, পাচঁ হেজাৰ বছৰ ধৰিয়েই বঞ্চিত হৈ আহিছে। তেওঁলোকে জানিব, বুজিব পাৰিলে ক্ষুব্ধত গৰ্জি উঠিব। আজি তেওঁলোকৰ শিক্ষা-দীক্ষা নাই, ৰাষ্টা-ঘাট নাই বেমাৰ আদি চিকিৎসা কৰিবৰ কাৰণে হস্পিটেল নাই। সেয়েহে আজি ৩০ বছৰৰ পিছত এই ভৱিষ্যৎ বানী ফলৱতী হৈছে। তেওঁলোক প্ৰত্যেক জনগোষ্ঠী লগ হৈ কমিটি গঠন কৰিছে। আৰু আজিকালি তেওঁলোকৰ কাৰণে বি, এ, চি এখন চৰকাৰে গঠন কৰি দিছে। বড়ো সকলৰ মাজত বিভিন্ন দল আছে। তেওঁলোকে সকলোৱে দলীয় সমস্যা সমাধান কৰিবলৈ বিভিন্ন দাবী উৎথাপন কৰিছে। বড়ো সমস্যা সমাধান কৰিবলৈ হলে তেওঁলোকে নিৰ্ব্বাচন ঘোষনা কৰক। ইয়াৰ লগত আৰছু লগ হৈ আলোচনা কৰক আৰু নিৰ্ব্বাচন পাতি তেওঁলোকৰ উন্নয়নৰ কাৰণে আগবাঢ়ি আহিব পৰাকৈ প্ৰতিনিধি নিৰ্ব্বাচন কৰক, আৰু তেওঁলোকৰ নৈতিক অধিকাৰ সাব্যস্ত কৰক।

উপাধ্যক্ষ মহোদয়, এটা বিষয় ৰাজ্যপালৰ ভাষণত উল্লেখ নাই। যিটো আজিৰ কাৰণে অত্যন্ত প্ৰয়োজন আছিল। সেইটো হৈছে, কৃষিৰ সমস্যা। মানে ভূমিৰ সংস্কাৰৰ সমস্যা। কাৰণ যেতিয়ালৈকে ভূমিসংস্কাৰ নহয়, তেতিয়ালৈকে কৃষিৰ সমস্যা সমাধান কৰিব নোৱাৰে। এই ক্ষেত্ৰত এজন ৰঙীয়াৰ মানুহৰ কথা কব পাৰো। তেওঁ আহি কৈছিল যে তেওঁ খেতি কৰা পথাৰত পানীযোগানৰ সমস্যাটো বৰ জটিল। কাৰণ তেওঁৰ যিহেতু পট্টা পোৱা নাই, সেয়েহে টিউবওৱেল বা পাম্প বহুৱাই পানী যোগান ধৰাটো আইনে দিয়া নাই। কাৰণ তেওঁ মাটিখিনি চিলিং আইনত যোৱা। সেই মাটিবোৰ দৰভাংগা, মহাৰাণাৰ দিনতে চিলিঙত গৈছে, মাটিৰ পট্টা নাই। আজি অসমৰ ১০ লাখ বিঘা মাটিৰ পট্টা নাই। ধেমাজী, সদিয়া, জুনাই আদিত হেজাৰ হেজাৰ মানুহে মাটিৰ পট্টা নোপোৱাকৈ আছে যাৰ ফলত দীপ টিউবওৱেল, আৰু পাম্প আদি বহুৱাবনোৱাৰে আৰু ফলতখেতি

কৰিব নোৱাৰে। আচলতে তেওঁলোকে পানী থাকিলে বছৰত তিনিটাকৈ খেতি কৰিব পাৰে। প্ৰতিটো খেতিত ৩০ মোনকৈধান পালেও এবছৰত ৯০ মোন ধান উৎপন্ন কৰিব পাৰে। কিন্তু আজি পট্টা নোপোৱাৰ কাৰণেই খেতিয়ক সকল বঞ্চিত হৈছে। গতিকে মই কব বিচাৰোঁ পথমে ভূমিসংস্কাৰ, পিছতহে খেতিৰ উন্নতি আৰু কৃষিৰ উন্নতিৰ কথা ভাবিব পৰা হ'ব। আৰু কৃষিৰ উন্নত পদ্ধতিৰ আশাকৰিব পাৰিম। এইখিনি কৈ মোৰ বক্তব্য সামৰনি মাৰিলোঁ।

**Mr. Dy. Speaker : Now Shri Munin Mahanta to Speak.**

***শ্ৰীমুনিন মহন্ত ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, অসমৰ মহামান্য ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণৰ ওপৰত ধন্যবাদ সূচক প্ৰস্তাৱ আনিছে, এই পস্তাৱৰ সমৰ্থনত মই কেইটামান কথা উল্লেখ কৰিব বিচাৰিছোঁ যে যদিও ৰাজ্যপালৰ ভাষণত চৰকাৰৰ পৰা ৰাজ্যখনৰ পৰিস্থিতি প্ৰকাশ পাইছে যদিও জনজাতিৰ সমস্যাৰ কথা ইয়াত উল্লেখ থকাৰ উপৰিও শোষণৰ কথাও ইয়াত উত্থাপিত হৈছে আৰু এই সমস্যাৰ সমাধানৰ কাৰণে এক কমিটি গঠন কৰা হৈছে।

ৰাজ্যপালৰ ভাষনত অসমৰ জনজাতীয় সমস্যা আৰু তাৰ স্বায়ত্ব শাসনৰ প্ৰশ্নটো উৎথাপিত হৈছে। এই সমস্যা সমাধানৰ কাৰণে যথেষ্ট গুৰূত্ব আৰোপ কৰা হৈছে। এই সন্দৰ্ভত মই এটা কথা উল্লেখ কৰিব বিছাৰিছো যে অসমত জনজাতীয় লোক সকলে স্বায়ত্ব শাসনৰ অধিকাৰৰ কাৰণে আমাৰ পাৰ্টিয়েই প্ৰথমে স্বায়ত্ব শাসনৰ প্ৰশ্নটো দাঙি ধৰিছিল। আৰু এই প্ৰশ্নটোত মই একমত হৈছো। মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা সময়ছোৱাত স্বায়ত্ব শাসনৰ প্ৰশ্নটো কাৰ্য্যকৰী কৰিবলৈ গৈ বিগত বছৰ কেইটাত অসমৰ জনজাতীয় সকলে বহুতো সংঘাত আৰু বিৰোধৰ সংঘতিত হৈছে। আমাৰ মৰিগাওঁ অঞ্চলত টিৱা সকলে বিভাজন কৰি স্বায়ত্ব শাসনৰ নামত ৰাজনৈতিক জটিলতা সৃষ্টি কৰিছে। এই স্বায়ত্ব শাসনৰ প্ৰশ্নটো স্থায়ী ভাৱে সমাধান কৰিবলৈ যিবিলাক চুক্তি আছিল সেই বিলাক ব্যাপকভাৱে আলোচনা কৰি বৰ্ত্তমান স্বায়ত্ব শাসন গঠন কৰোতে যি দৃষ্টিভঙ্গি লব সেই বাবে মই মাননীয় বিভাগীয় মন্ত্ৰী আৰু অন্যান্য সকলক অনুৰোধ জনাইছো। এই স্বায়ত্ব শাসনৰ সমস্যা সমাধান কৰিবলৈ যাওতে বিভিন্ন জনজাতি সকলৰ প্ৰশ্ন আহে। আৰু এই সকলো জনগোষ্ঠীৰে সমস্যা সমূহ সমাধান কৰিব লাগিব। এই সমস্যা সমূহ সমাধান কৰাৰ লগতে মই এটা কথা কব খোজো যে অসম ৰাজ্য খন যাতে বিভাজন নহয়

* Speech not corrected

তাৰ কাৰণে সজাগ থাকিব লাগিব। মই জনা মতে নগাঁও জিলাৰ মৰিগাওঁৰ কাৰ্বি, টিৱা লগতে কোচ প্ৰস্ত লৈ কাৰ্বি আলং জিলা আৰু নৰ্থকাছাৰকে সীমা কৰি এখন অসম ৰাজ্য গঠন কৰা এটা প্ৰৱণতা প্ৰকাশ পাইছে। এতিয়া কথা হৈছে আমাৰ ৰাজ্যখন বিভাজন হোৱাটো আমি সমৰ্থন নকৰো। আজি ৰাজ্যখনত কোচৰাজবংশী সকলক জনজাতীয় কৰা লৈ জনজাতি সকলে বিৰোধ কৰে আৰু কিছু সংখ্যকে ইতিমধ্যে হাই কোৰ্ট পৰ্য্যন্ত গৈছে। প্ৰশ্নটো হ'ল সমস্যা সমাধান হব লাগে। জনজাতীয় সকলক শতকৰা ১০ তকৈ বেচি সংৰক্ষণ দি এই সমস্যাটো যাতে জটিলতা নহয় তাৰবাবে চাব লাগে। মাননীয় অধ্যক্ষ মহোদয়, অসমীয়া জাতিটো যাতে ভাগ ভাগ নহয় সেইটো আমি বিছাৰো। ভাগ ভাগ হোৱাটো নিবিছাৰো আহোম, টাই, চুটীয়া সকলোকে ধৰি অসমৰ ৮০ ভাগ শতকৰা মানুহেই জনজাতীয় প্ৰকিয়া তৈয়াৰ কৰিছে। এই কথাটো লৈ লক্ষ্য ৰাখি সমগ্ৰ অসম খনকে জনজাতীয় ৰাজ্য হিচাবে ঘোষণা কৰি আৰু লগতে স্বাধীন অসম বিচৰা সকলোকো আলোচনাৰ মেজলৈ আনি এটা আলোচনাৰ পটভূমি তৈয়াৰ কৰিব পাৰে। ত্ৰিভূবন প্ৰসাদৰ নেতৃত্বত নেলি হত্যাকাণ্ডৰ যিটো কমিচন হৈছিল তেতিয়া তেখেতে মত প্ৰকাশ কৰিছিল যে অসমৰ ৰাইজ, অসমৰ খেতিয়কৰ যি বিক্ষোভ সেইটো ভাৰতবৰ্ষৰ ভিত্তিত তিষ্ঠিব নোৱাৰে। মাটি চাকৰী এই সকলো আনলৈ হস্তান্তৰ হৈছে। কেৱল যে বাংলাদেশৰ পৰা অহা লোকসকলেই আমাৰ ৰাজ্যৰ সকলো কাঢ়ি নিছে এনে নহয় ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যসমূহৰ পৰা অহা লোকসকলে মাটি, চাকৰি সকলো হস্তান্তৰ কৰিছে। যদি ৩৭১ ধাৰা মতে অসমখন এখন বেলেগ বা বিশেষ কেটেগৰিৰ ৰাজ্য হিচাবে ধৰা হয় তেন্তে ভাৰতবৰ্ষৰ ভিতৰত থাকিও জনজাতীয় সকলে যি সুবিধা পায়, তেনে সুবিধা আমাৰ ৰাজ্যখনেও পাব। সেই পৰিপ্ৰেক্ষিতত অসমীয়া কোনো মানুহহে অনা অসমীয়া মানুহক মাটি হস্তান্তৰ কৰিব নোৱাৰিব। অসমৰ যি ভূমি সম্পদ আছে তাৰ মালিকীস্বত্ব থাকিলেও অসমৰ ভূগৰ্ভত থকা খনি সমূহৰ মালিকীস্বত্ব নাই। কিন্তু ৩৭১ ধাৰা মতে অসমৰ তেল, কয়লা, চাহপাত এই সকলোৰে মালিকীস্বত্ব পাব এই ৩৭১ ধাৰা মতে অসমীয়া মানুহৰ হাতত ৰাজনৈতিক স্বীকৃতি থকাটোও পৰিলক্ষিত হব। যিবিলাক জনজাতীয় লোক অসমত বসবাস কৰে তেওঁলোকৰ কাৰণে ৮০ ভাগ শতকৰা আসন সংৰক্ষিত হব আৰু আৰু অসমীয়া সকলৰ কাৰণে ১০ শতকৰা সংৰক্ষন কৰা হব। গতিকে

ইয়াৰ জৰিয়তে এই সমস্যা সমূহৰ সমাধানৰ অৰ্থে যি সকল স্বাধীন অসমৰ কথা কয় এই বিষয়টো আলোচনা হব পাৰে। আজি ৰাজ্যখনত উন্নয়নমূলক কাম-কাজ হোৱাতো সকলোৱে বিচাৰে। এই উন্নয়নমূলক কাম-কাজ কৰিবলৈ ৰাজ্যখনত যি পৰিস্থিতিৰ প্ৰয়োজন সেই পৰিস্থিতি আজি নাই। ভাতৃ ঘাটি বিৰোধৰ কাৰণে প্ৰতি দিনে ৪৪ লাখ টকা খৰচ কৰিব লগা হয়। গতিকে এই উন্নয়নমূলক কাম-কাজ কৰিবলৈ সকলোৱে সহাৰি জনাব লাগে। সকলোৱে আলোচনাৰ মেজত বহি সমস্যা সমাধান কৰিবলৈ সহাৰি জনাব লাগে। এই বিষয়ে মুখ্য মন্ত্ৰী মহোদয়ে আগতেও কৈছে আৰু আশা কৰো এতিয়াও কব।

উপাধ্যক্ষ মহোদয়, এই ব্যৱস্থাটো লোৱাৰ আগতে মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে সকলো সংবাদ পত্ৰৰ সাংবাদিকৰ লগত আলোচনা কৰিছিল। আৰু আজিও এই কথাটো মুখ্যমন্ত্ৰী মহোদয়ে কব আৰু আমিও জানো এখন সংবাদ পত্ৰৰ বাহিৰে সকলোৱে আইন-শৃংখলা কঠোৰ ভাবে পালন কৰিবলৈ মত প্ৰকাশ কৰিছে। আমাৰ এখন সৰ্ব্বভাৰতীয় ভিত্তিক মিটিং পতা হৈছিল আৰু তাত কংগ্ৰেছৰ নেতা সকলো আছিল আৰু আমি সকলো দিল্লীলৈ গৈ এই পৰিস্থিতি চম্ভালিবৰ কাৰণে ব্যৱস্থা লোৱাৰ কাৰণে কৈছিলো। আজি বিভিন্ন জনে বিভিন্ন ধৰণে আলোচনা কৰিছে। ইউনিফাইদ কমাণ্ডৰ সম্পৰ্কতো যেতিয়া উত্তৰ পূৰ্ব্বাঞ্চলৰ কংগ্ৰেছ কো-অৰ্দিনেচন কমিটি হয় তেতিয়া সন্তোষ মোহন দেৱেও এইটো সমৰ্থন কৰিছিল। যেতিয়া ৰেলৰ লাইনত, অইলৰ পাইপ লাইনত বোমা দিব তেতিয়া চৰকাৰে নিয়ন্ত্ৰণ কৰিব লাগিব আৰু চৰকাৰে নিয়ন্ত্ৰণ কৰাৰ চেষ্টা কৰিলে চৰকাৰক সমালোচনা কৰিব। গতিকে দুই মুখীয়া ৰাজনীতিৰ স্বাৰ্থ বাদ দিব লাগে। আমাৰ ৰাজ্যৰ জলন্ত সমস্যা বিলাকৰ লগত, উন্নয়নৰ সকলো প্ৰশ্নৰ লগতে আমি জৰিত হৈ আছো। উপাধ্যক্ষ মহোদয়, আমি অস্বীকাৰ নকৰো যে, আমি নিৰ্ব্বাচনৰ সময়ত কৈছিলো যে, আমাৰ ৰাজ্যৰ পৰা সৈন্য বাহিনীক আতৰাই পাথাম। কিন্তু আজি আমাৰ ইচ্ছা থকা স্বত্বেও আমি এই পৰিৱেশ সৃষ্টি কৰিব পৰা নাই। ৰাজ্যখনৰ মানুহৰ জীৱনক নিৰাপত্তা দিয়াৰ প্ৰাথমিক দায়িত্ব আমাৰ চৰকাৰে পালন কৰিছে। আৰু এটা কথা ৰাজ্যখনৰ উন্নয়নমূলক কাম-কাজৰ ক্ষেত্ৰত আমি গ্ৰামোন্নয়ন বিভাগৰ বান নিয়ন্ত্ৰন বিভাগৰ এই দুটা বিভাগৰ কাম যোৱা সময়ছোৱাত আৰম্ভ কৰিব পাৰিছো। আজি গ্ৰাম্য উন্নয়ন বিভাগৰ যিখিনি আৱন্টন আহিছে আৰু আমাৰ যিবিলাক ই, এ, এচ ব্লক সমূহৰ আচনি

বিলাক কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত যি আৱন্টন আহিছে সেই ধৰণে খৰচ কৰাৰ বাবে চেষ্টা কৰিছে। যোৱা চৰকাৰৰ দিনত বান নিয়ন্ত্ৰন বিভাগটো বিশেষ কাম হোৱা নাছিল। আজি এই সম্পৰ্কে আলোচনা কৰা হৈছে আৰু মৰিগাঁও জিলাৰ বানপানী সমস্যা সম্পৰ্কত আলোচনা কৰা হৈছে। যাতে ৰাজ্যখনৰ সকলোবিলাক বান নিয়ন্ত্ৰন আচনি কাৰ্য্যকৰী হয় তাৰ বাবে আবেদন জনাই উপাধ্যক্ষ মহোদয়ক ধন্যবাদ জ্ঞাপন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**Mr. Dy. Speaker : Now, Smti Pranati Phukan to Speak.**

**শ্ৰীমতী প্ৰণতি ফুকন ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় ৰাজ্যপালৰ ভাষণৰ ওপৰত মাননীয় সদস্য হিতেন্দ্ৰনাথ গোস্বামী দেৱে যি ধন্যবাদসূচক প্ৰস্তাৱ আগবঢ়াইছে মই তাৰ বিৰোধীতা কৰিছো। ৰাজ্যপালৰ ভাষণত কোৱা হৈছে যে, অসমৰ আইন শৃঙ্খলাৰ পৰিস্থিতি সম্পূৰ্ণ নিয়ন্ত্ৰনাধীন। যদিহে অসমৰ আইন শৃঙ্খলা নিয়ন্ত্ৰনাধীন অৱস্থাত আছে তেনেহলে অসমত সেনা বাহিনীৰ প্ৰয়োজন কত বুজি নাপাও। বাৰে বাৰে সদনত আলোচনা হৈছে যে, কংগ্ৰেছৰ দিনতে অসমলৈ সেনা বাহিনী অনা হৈছিল। ১৯৯০ চনত যেতিয়া এ, জি, পি চৰকাৰক শাসন ভাৰৰ পৰা অব্যাহতি দিয়া হৈছিল আৰু ৰাষ্ট্ৰপতিৰ শাসন হৈছিল তেতিয়াই সেনা অনা হৈছিল পুনৰ যেতিয়া ১৯৯৬ চনত অসম গণ পৰিষদৰ হাতলৈ চৰকাৰ আহে তেতিয়াও সেনা অব্যাহত হৈ আছে। গতিকে সেনা বাহিনী কংগ্ৰেছে অনা নাই আনিলে অ, প, পই। আইন শৃঙ্খলাৰ পৰিস্থিতি নিয়ন্ত্ৰণত আছে বুলি কোৱাৰ পিচতো দেখা গৈছে গুৱাহাটীত য'ত ৰাজধানী আছে তাতো বিভিন্ন ঠাইত ডকাইটি হৈছে, নিৰীহ যুৱকক হত্যা কৰা হৈছে, চালফা হত্যা কৰা হৈছে মহিলাক ধৰ্ষন কৰা হৈছে। এতিয়া এনে অৱস্থাতো আইন-শৃঙ্খলা নিয়ন্ত্ৰণত আছেনে তাৰোপৰি অসম ৰাজ্যৰ ৮/৯ খন ৰাজ্যিক কাৰাগাৰত আইন-শৃংখলাৰ পৰিৱেশ আছে বুলি কোৱা হৈছে। কিন্তু দেখা গৈছে যে, কেইটামান ৰাজ্যিক কাৰাগাৰত অধীক্ষক নাই, কাৰাগাৰ কেনেকৈ চলিছে, কয়দী সকলে সম্পূৰ্ণ নিৰাপত্তা পাইছেনে? ৩ দিন মান আগতে 'দৈনিক জনমভূমি কাকতত' দেখা গৈছে যে, যোৰহাট কাৰাগাৰত অমৰজ্যোতি কটকী নামৰ ল'ৰা এজনক হত্যা কৰা হৈছে। তেনেহলে আইন-শৃংখলাৰ পৰিস্থিতি নিয়ন্ত্ৰনত আছে বুলি কেনেকৈ কব পাৰিলে? এটা কথা উল্লেখ কৰিলে ভাল হব যে, আমাৰ ৰাজ্যখনত গণতন্ত্ৰ চলিছেনে আমোলাতন্ত্ৰ চলিছে? গণতন্ত্ৰই যদি আছে তেনেহলে আমোলাসকলে শাসন কৰিছে কিয়? আমি

এচ, পি, দি, চিৰ মিটিং বিলাকত দেখিছো ৰাজ্য চৰকাৰৰ আমাৰ মাননীয় সদস্য সকল আৰু মন্ত্ৰী সকল সভাপতি হিচাবে নিযুক্তি পাইছে। এই মিটিং বিলাকত ৰাষ্টাঘাট, স্কুল কলেজ আদি ভালকৈ নিৰ্ম্মাণ কৰাৰ কথা আলোচনা হয়। কিন্তু দেখা গৈছে আজি কোটি কোটি টকা আৰ, দিত গুচি গৈছে। পইচা কামৰ বাবে নাই আৰ, দিত গৈছে আৰু দৰমহা দিয়াত খৰচ হৈছে। যদি এইটোৱে হয় তেনেহলে ৰাজ্য চৰকাৰে কব লাগে যে এম, এল, এ/এম, পি আৰু দি, চি সকলক আনটাইদ ফান্দৰ বাবে টকা দিয়া আৰু এম, এল, এ সকলক যি ১০ লাখ টকা দিয়া হয় সেই টকা ১ কোটিলৈ বৃদ্ধি কৰিব লাগে। সেই টকাৰে আমি সমষ্টিৰ উন্নয়নৰ কাম কৰিব পাৰিম এই খিনিতে আৰু এটা কথা উৎথাপন কৰিব বিচাৰিছো যে, আজি আন্তঃ ৰাষ্ট্ৰীয় মহিলা সন্মিলনৰ কথা হৈ আছে সেই সম্পৰ্কত কোনো কথাই ৰাজ্যপালৰ ভাষনত উল্লেখ নাই। অকল অসমৰেই নহয় পৃথিবীৰ মহিলা সন্মিলনৰ জৰিয়তে আমি অসমৰ ভৈয়ামৰ জনজাতি আৰু অনান্য পিচপৰা সম্প্ৰদায়ৰ মহিলা সকলৰ উন্নয়নৰ কাৰণে বিভিন্ন আচনিৰ যোগেদি তেওঁলোকৰ লগত সাব্যস্ত কৰিব বিচৰা কোনো কথাই ৰাজ্যপালৰ ভাষণত নাই।

ইয়াৰোপৰি কোকৰাঝাৰ জিলাত গোষ্ঠীগত সংঘৰ্ষত হাজাৰ হাজাৰ মানুহ গৃহহীন হ'ল, বহুতৰ মৃত্যু হল। কিন্তু এই চৰকাৰে তাত এক লাখতকৈও অধিক গৃহহীন লোকক পুনৰ সংস্থাপন ব্যৱস্থা কৰিব পৰা নাই। তেওঁলোক আজিও ৰাস্তাত থাকিব লগা হৈছে। গতিকে তেওঁলোকৰ নিৰাপত্তাৰ ব্যৱস্থা চৰকাৰে কৰিব পাৰিছে নে? এই চৰকাৰে শাসন ভাৰ লোৱা আজি প্ৰায় ১০ মাহ হল। ১০ মাহ সময়ত এটা সন্তান ভূমিষ্ঠ হয়। কিন্তু এই ১০ মাহেও এইখন চৰকাৰে গৃহহীন লোক সকলৰ পুনৰ সংস্থাপন ব্যৱস্থা কৰিব পৰা নাই। আন এটা কথা হ'ল - ৰাস্তা পদুলি মেৰামত, শিক্ষা, চিকিৎসা ব্যৱস্থা আদি কোনো ক্ষেত্ৰতে এই চৰকাৰে কোনো কাম হাতত লোৱা আমি দেখিবলৈ পোৱা নাই। মোৰ সমষ্টিত বাৰিষা ৰাস্তা আৰু পথাৰ একাকাৰ হৈ থাকে। গাভৰু ছোৱালী বিলাকে মেখেলা দাঙি স্কুল কলেজলৈ যাব লগা হয়। তাত চাইকেল চলোৱাৰো প্ৰশ্ন নুঠে। এইবোৰ অতি দুখ লগা কথা। আজি গড়কাপ্তানি বিভাগে যদি সচাঁকৈয়ে কিবা কাম কৰিব বিচাৰিছে তেনেহলে গাঁৱৰ ৰাস্তা সমূহ উন্নয়নৰ কাৰণে মনোযোগ দিয়া উচিত। ৰাজ্যিক চিকিৎসালয় সমূহৰো অৱস্থা একেবাৰে বেয়া। ৩০ খন বিচনাযুক্ত হস্পিতেল সমূহৰ বহুতৰে ক্ষেত্ৰত দেখা যায় যে ঘৰতো

হয়তো বনোৱা হৈছে কিন্তু তাত বিজুলি যোগান ব্যৱস্থা হোৱা নাই। কৰবাত আকৌ পানী যোগান নাই। কিছুমানত ডাক্তৰ, নার্চ আদি একোৱেই নাই। গতিকে তাত ৰোগী থাকিব কেনেকৈ বা ৰোগীয়ে তাত কি চিকিৎসা পাব? গতিকে আমি আশা ৰাখিছো আৰু ৰাজ্য পাল মহোদয়ৰ ভাষনৰ ওপৰত হোৱা আলোচনাত ভাগ লৈ উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে মই এই চৰকাৰক অনুৰোধ জনাম যাতে এইবোৰ ক্ষেত্ৰত চৰকাৰে গভীৰ ভাবে মনোযোগ দিয়ে আৰু তাৰ বাবে উপযুক্ত ভাবে টকা পইচা যোগান ধৰে তাৰ বাবে মই অনুৰোধ জনালো।

উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত নিবনুৱা সমস্যা সম্পৰ্কে কোনো কথা উল্লেখ কৰা হোৱা নাই। আজি আমাৰ ৰাজ্য খনত নিবনুৱা সমস্যাই এনে ধৰণে গা-কৰি উঠিছে যে বহুত যুৱক যুৱতীৰ কৰ্ম্ম সংস্থান নাই। ইয়াৰ আগৰ কংগ্ৰেছ চৰকাৰৰ দিনত হায়াৰ চেকেণ্ডাৰী লেভেলত এটা বৃত্তি মূলক শিক্ষা আচনি প্ৰৱৰ্ত্তন কৰা হৈছিল। কিন্তু এই চৰকাৰ অহাৰ পিচৰ পৰা এই শিক্ষা সংক্ৰান্তত কোনোধৰণৰ ব্যৱস্থা নোলোৱাৰ কাৰণে এই আচনিটো লুপ্তপ্ৰায় হৈ পৰিছে। এই আচনিৰ যোগেদি নেচিং, উইভিং, কাটিং, ৰেডিঅ আৰু টি, ভি, মেৰামতি আদি শিক্ষা দিয়া হৈছিল আৰু তাৰ দ্বাৰা বহুতো যুৱক যুৱতীয়ে আত্ম নিয়োগৰ পথ বিচাৰি পোৱাৰ থল আছিল। গতিকে এই ব্যৱস্থাটা পুনৰ প্ৰচলন কৰাৰ কাৰণে মই চৰকাৰক অনুৰোধ জনালো। আন এটা কথা হ'ল - ব্ৰহ্মপুত্ৰৰ গৰা খহনীয়া। আজি ব্ৰহ্মপুত্ৰৰ বানপানী আৰু গৰাখহনীয়াই অসমৰ ৰাইজক একেবাৰে কোঙা কৰি পেলাইছে। মোৰ সমষ্টিৰ উৰিয়ামগুৰিৰ গৰাখহনীয়া প্ৰত্যক্ষ ভাবে চোৱাৰ কাৰণে কেইদিন মান আগতে বান নিয়ন্ত্ৰণ মন্ত্ৰী যোৱা কথা আছিল। তেখেত যাব বুলি আমি তাত বৰ আগ্ৰেহেৰে বাট চাই আছিলো। কিন্তু ৰাস্তা বেয়া কাৰণে তেখেত তালৈ যাব নোৱাৰি ১ কিলোমিটাৰমান দুৰৰ পৰা ঘুৰি আহিল। আমি আশা কৰিছিলো তেখেতে সেই অঞ্চলৰ পৰিস্থিতি নিজে চাই অহা হলে তাত যিটো কাম কৰিবলৈ লোৱা হৈছে সেইটোৰ কিছু আভাস নিজে পালেহেতেন। তাত যিটো প্ৰজেক্ট হাতত লোৱা হৈছে সেইটো ৩ কোটি ৩১ লাখ টকাৰ আছিল। কিন্তু তাত ১ কোটি মান টকাৰো কাম হোৱা নাই। তাত যিবোৰ বন্ডাৰ দিয়া হৈছে সেইবোৰ বৰষুণ দিলেই ভাঁহি যায়। এইদৰে গৰাখহনীয়া কেনেকৈ প্ৰতিৰোধ কৰিব সেইটো আমি বুজি পোৱা নাই। নৈৰ পাৰ বিলাকত ঠায়ে ঠায়ে যি দুই এটা শ্লুইচ গেটৰ নামত ৰিং দিছে সেইবোৰ একেবাৰে সৰু হোৱাৰ কাৰণে পানী ওলাই যাব

নোৱাৰে। তাৰোপৰি হাবি বন কটাৰ নামত ২০ লাখ মান টকা দিয়া বুলি জানিব পাৰিছো। যদিও তাত কোনো কাম হোৱা নাই। এই কথা বিলাক ভালদৰে চোৱা চিতা কৰি ব্যৱস্থা লব লাগে। মই আকৌ এটা কথা কব খোজো যে অলপতে টিংখঙত এখন ও, বি, চি, মিটিং এটেগু কৰিবলৈ বান নিয়ন্ত্ৰণ মন্ত্ৰী গৈছেল। কিন্তু তেও সেই মিটিং খনলৈ এঘন্টা পিচত গৈও ওচৰৰ প্ৰজেক্টটোত কেনে ধৰণৰ কাম হৈছে সেইটো চাই যাব লাগিছিল। গতিকে এই কথা বিলাকৰ প্ৰতি মই মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিলো। ইয়াৰোপৰি মথাউৰি নিৰ্ম্মানিৰ কাৰণে যি সকল লোকৰ পৰা চৰকাৰে মাটি অধিগ্ৰহন কৰিছিল সেই মাটিৰ বাবদ লোক সকলে কোনো ধৰণৰ কমপেন্‌চেচন পোৱা নাই। এতিয়া তেওঁলোকৰ মাজত এটা কথা শুনা গৈছে যে আমি আৰু কেতিয়াও মাটি নিদিও। কোন আহে আহক - আমি তাৰ মুৰ ফালি দিম। গতিকে এই ধৰণৰ কথা বিলাকত চৰকাৰ আৰু বিষয়া সকলে উচিত ব্যৱস্থা গ্ৰহন কৰিব লাগে। মই মোৰ ভাষণ আৰু দীঘলীয়া নকৰো। এইখিনিকে কৈ গাঁৱৰ দুখীয়া ৰাইজৰ উন্নয়নৰ কাৰণে চৰকাৰে সময়োচিত ব্যৱস্থা গ্ৰহন কৰিব বুলি আশা ৰাখি মোৰ ভাষণৰ সামৰণি মাৰিলো।

**Mr. Dy. Speaker :** Now, I request Shri Dilip Kumar Saikia to speak.

**শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী দেবে অসমৰ ৰাজ্যপালৰ ভাষণৰ ওপৰত যি ধন্যবাদ সূচক প্ৰস্তাৱ এই সদনত উৎথাপন কৰিছে মই তাত সম্পূৰ্ণ সমৰ্থন আগবঢ়াইছো। অসম গণ পৰিষদ দলে ৫ দলীয় মৰ্চাৰে শাসনলৈ অহাৰ আগতে আমি নিৰ্বাচনী ইস্তাহাৰত অসমৰ ৰাইজক বিভিন্ন ধৰণৰ প্ৰতিশ্ৰুতি দিছিলো, অসমৰ ৰাইজৰ জীৱনৰ নিৰাপত্তা, সা-সম্পত্তিৰ নিৰাপত্তা দিম বুলি কৈছিলো। এতিয়া আমি প্ৰতিশ্ৰুতি মতে তেওঁলোকক নিৰাপত্তা দিব পাৰিছো। আজি বিৰোধী পক্ষৰ বিভিন্ন জনে ইউনিফাইড কমাণ্ড সম্পৰ্কত আলোচনা কৰিছে। কিন্তু আমি ইউনিফাইড কমাণ্ডক অসমৰ নিৰাপত্তাৰ কামত কিয় লগাব লগা হ'ল সেই বিষয়ে তেওঁলোকে উল্লেখ কৰা নাই। এই ক্ষেত্ৰত এখন চৰকাৰে কেতিয়াও হাত সাৱতি বহি থাকিব নোৱাৰে। আজি উগ্ৰপন্থীয়ে কোনো মানুহক হত্যা কৰিব, কাৰোবাৰ পৰা ৫/১০ লাখ টকা লৈ যাব সেই ক্ষেত্ৰত আমি চকু মুদি বহি থাকিব নোৱাৰো। কিন্তু ইউনিফাইড কমাণ্ডৰ নামত সামৰিক বাহিনীৰ লোকে নিৰীহ লোকৰ

ওপৰত, মহিলাৰ ওপৰত যাতে কোনো ধৰণৰ অত্যাচাৰ চলাব নোৱাৰে তাৰ কাৰণে চৰকাৰ সদা সতৰ্ক হৈ থাকিব লাগিব। উগ্ৰপন্থী সংগঠন সমূহে কাৰোবাৰ পৰা গাড়ী লৈ যায়, কাৰোবাৰ পৰা ধন আদায় কৰে, কাৰোবাক হত্যা কৰে সেইটো বেলেগ কথা। কিয়নো - এই বিলাক বেআইনি সংগঠন। কিন্তু সামৰিক বাহিনীটো হ'ল আইন শৃংখলা ৰক্ষাৰ এটা ডিচিপ্লিনেৰী ফৰ্চ।

মাননীয় উপাধ্যক্ষ মহোদয়, সামৰিক বাহিনী হৈছে এটা ডিচিপ্লিনাৰী ফোৰ্চ। যাক বিশ্বৰ তৃতীয় শক্তি বুলি কোৱা হয়। আজি আমি বিভিন্ন সময়ত অভিযোগ পাইছো বাতৰি কাকততো দেখিবলৈ পাইছো সামৰিক বাহিনীয়ে বিভিন্ন সময়ত হাৰাশাস্তি আৰু অত্যাচাৰ চলাইছে। কেতিয়াবা কাৰ্য্যালয়লৈ গাড়ী লৈ যাওতেও গাড়ী লৈ যোৱা অভিযোগো পোৱা হৈছে। চৰকাৰে এই বিলাকৰ ব্যৱস্থা লব লাগে। যেতিয়া সামৰিক বাহিনীয়ে গাড়ী লয় তেতিয়া চৰকাৰক জনাব লাগে, জিলা প্ৰশাসনক জনাব লাগে, জিলাবিষয়া সকলক জনাব লাগে। কিন্তু যধে মধে গাড়ী ৰিকুইজিচন কৰাটো আমি মানি লব নোৱাৰো। আনকি আমাৰ প্ৰাক্তন বিধায়ক শ্ৰীহিতেশ ডেকাৰ গাড়ীখনো অৰুনাচলৰ পৰা আহি থাকোতে সামৰিক বাহিনীয়ে ৰিকুজিচন কৰিলে। এল, আই, চিৰ ডেভেলামমেন্ট বিষয়া এগৰাকীৰ নতুন গাড়ী ১৫ দিন চলাইছিল সেইখনো নি বেয়া কৰি ওভতাই দিছে আৰু কম দামতে ভাল কৰাৰ পিচত লৈ যাম বুলি কৈছে। মোৰ পৰিয়ালৰে নিজৰ সৰু ভাই লক্ষীমপুৰৰ পৰা ৩ জন লৰা ছোৱালি লৈ স্কুললৈ অহা যোৱা কৰে তেওঁৰ গাড়ীখনো ৰিকুজিচন কৰিব বিচাৰিছিল। পিচত যেনিবা কাবো কাকুতি কৰাত নিনিলে। সামৰিক বাহিনীয়েও বেয়া কাম কৰিলে তাৰ ব্যৱস্থা লব লাগে। আমি ৰাইজৰ প্ৰতিনিধি। ৫ বছৰৰ পিছত আমি আকৌ ৰাইজৰ ওচৰলৈ যাব লাগিব। আমি নিৰ্ব্বাচিত প্ৰতিনিধি সকলে দেশ শাসন কৰো ৰাইজৰ মাজত থাকি। কিন্তু বিষয়া সকলে দেশ শাসন কৰে ৰুমৰ ভিতৰত থাকি। এইটো আমি সকলোৱে উপলব্ধি কৰা উচিত। আমি অসমৰ উগ্ৰপন্থিৰ সমস্যাৰ কথা বিভিন্ন জনে কৈছো। এই সমস্যা ৰাজনীতিৰ উৰ্দ্ধত থাকি সমাধা কৰিব লাগিব। আমি বাতৰি কাকতত দেখিবলৈ পাইছো কেন্দ্ৰীয় চৰকাৰে এজন মিডিয়েতৰ পঠাইছে। অগ্ৰদূত কাকতত লিখিছে কলিকতাত থকা সাংবাদিক এজনক মিডিয়েটৰ হিচাবে পঠাইছে। চৰকাৰে ইয়াৰ এটা ব্যাখ্যা দিব লাগে। আজি উগ্ৰপন্থিৰ বিৰুদ্ধে কোনো মানুহে ভয়তে একো কব নোৱাৰে। আনকি বিধায়ক সকলেও ভয় কৰে আৰু বিষয়া সকলেও ভয় কৰে। মাননীয় উপাধ্যক্ষ মহোদয়, এই চলিত বিধান

সভাতে এখন চিক্রেট চেচন বহুৱাবলৈ মই আজি আপোনাৰ জৰিয়তে অনুৰোধ জনাইছো। এই চিক্রেট চেচনত বিধায়ক সকলে নিজৰ মনৰ কথা মুকলিভাবে কব পাৰিব। যাৰ দ্বাৰা উগ্ৰপন্থীৰ সমস্যাটো সমাধান কৰিব পৰা যাব। এই ক্ষেত্ৰত সকলো বিধায়কৰে দায়িত্ব আছে, অসমৰ ৰাইজৰো দায়িত্ব আছে। গতিকে আমি আশা ৰাখিছো আমি এই সমস্যা সমূহ সমাধান কৰিব পাৰিম। আমাৰ মাথোন লাগিব আন্তৰিকতা। অকল বাতৰি কাকতত ষ্টেটমেন্ট দিলে নহ'ব। উগ্ৰপন্থীৰ সৃষ্টি কেতিয়া হয় —কেতিয়াবা চৰকাৰে তেওঁলোকক উগ্ৰপন্থী হ'বলৈ বাধ্য কৰাইছে আৰু কেতিয়াবা সমাজে কৰাইছে। এইটো মাননীয় সদস্য সকলে স্বীকাৰ কৰিব লাগিব। অসমত আজি যিঁ শোষন নীতি চলিছে তাত আমি দেখিছো, চাকৰীৰ নামত ৪০ হাজাৰ টকা আৰু বদলিৰ নামতো পইচা লৈছে। ইয়াৰ ব্যৱস্থা চৰকাৰে কৰিব লাগে। এটা সৰু চাকৰী ডেমনেষ্ট্ৰেটৰ তাতো টকা লৈছে। আজি উগ্ৰপন্থী কিয় হৈছে? যদি আজি নিজৰ ভনীয়েক এজনীক ধৰ্ষণ কৰে তেতিয়াহ'লে কোনে সহ্য কৰিব। নিজৰ পৰিবাৰক স্বামীৰ আগতে উলঙ্গ কৰিলে কোনোৱো সহ্য নকৰে বা কৰিব নোৱাৰে। সেই কাৰণে ডু অৰ ডাই বদ্ধতি লৈছে। সেই কাৰণে আন্তৰিকতাৰে উগ্ৰপন্থীৰ সমস্যা সমাধান কৰিব লাগিব। আমাৰ চৰকাৰে আলোচনা কৰিছে, আমাৰ চৰকাৰে বিভিন্ন সময়ত যত্ন কৰিছে চেষ্টা কৰিছে আৰু আগবাঢ়ি গৈছে। আমি বিশেষকৈ এই কথা বিলাক আলোচনা কৰিব লাগিব। আজি কোৰ্টত কেইবাজনো উগ্ৰপন্থীৰ বিৰুদ্ধে ট্ৰায়েল হৈছে। কেউজনকে কোৰ্টে গিল্টি কৰিছে। এজনকো কৰিব পৰা নাই। তেওঁলোক আলফা, এন, এচ, চি, এন, বি, এল, টি নে কোন। এইবিলাক আলোচনা প্ৰয়োজন। ৰাচিয়া ধ্বংস হৈছে বিভিন্ন কাৰণত। এটা সময়ত আমেৰিকা আৰু ৰাচিয়া চুপাৰ পাৱাৰ আছিল। ৰাছিয়া ধ্বংস হ'ল। ভাৰতবৰ্ষৰো একে অৱস্থা হ'ব যদিহে কেন্দ্ৰীয় চৰকাৰে এই সমস্যা সমূহ সমাধান কৰিবলৈ চেষ্টা নকৰে। আজি অসমৰ জনজাতি বিলাকৰ অনুভূতিক যদি সন্মান নকৰে তেতিয়া হলে অসমখন ভাগ ভাগ হোৱাৰ উপক্ৰম হব। মেডিকেল কলেজত এডমিচন হ'ল। ৪২ জনৰ ভিতৰত ৯ জন অৰিজিনেল এচ, টিয়ে পাইছে। এইটো আমাৰ মনত ক্ষোভ। ক্ষোভ হোৱাটো স্বাভাৱিক। কাৰণ আমাক শোষণ কৰি আমাক মখিমুৰ কৰিবলৈ চেষ্টা কৰিছে। এইটো অসম চৰকাৰে চিন্তা কৰিব লাগে। আমাক জনসাধাৰণে নিৰ্ব্বাচিত কৰি পঠাইছে। বিভিন্ন সমস্যা আছে। চাহ জনজাতিৰ সমস্যা, কোছ ৰাজবংশীৰ সমস্যা আৰু মাইন'ৰিতিৰ সমস্যা আছে। এই

বিলাক এশ এবুৰি সমস্যা আছে। আজি কেন্দ্ৰৰ দেৱে গোড়া চৰকাৰে উত্তৰ পূৰ্বাঞ্চলৰ কাৰণে যথেষ্ট কৰিছে।

মাননীয় উপাধ্যক্ষ ঃ ১৩/৩/৯৭ ইং তাৰিখৰ পুৱা ৯-০০ বজালৈ সদন স্থগিত ৰখা হয়।

# ADJOURNMENT

The House stood adjourned at 1.30 P.M. till 9.00 A.M. on Thursday, the 13th March, 1997.

DISPUR ঃ
The 12th March, 1997.

D. TALUKDAR,
Secretary,
Assam Legislative Assembly.

## Annexure - I

# গড়াখহনীয়াত গৃহহীন হোৱা পৰিয়ালৰ তালিকা

| | | | | | |
|---|---|---|---|---|---|
| ১। | তিনিচুকীয়া জিলাত | ১০০ টা | পৰিয়াল | গৃহহীন | হৈছে। |
| ২। | সদিয়া মহকুমাত | ৫০ টা | ,, | ,, | ,, |
| ৩। | ধুবুৰী জিলাত | ৫,৫৯৫ টা | ,, | ,, | ,, |
| ৪। | বৰপেটা জিলাত | ১,১৫২ টা | ,, | ,, | ,, |
| ৫। | মংগলদৈ জিলাত | ৫৮৬ টা | ,, | ,, | ,, |
| ৬। | যোৰহাট জিলাত | ১৯৫ টা | ,, | ,, | ,, |
| ৭। | গোৱালপাৰা জিলাত | ১,১৫৮ টা | ,, | ,, | ,, |
| ৮। | শিৱসাগৰ জিলাত | ১০ টা | ,, | ,, | ,, |
| ৯। | ধেমাজী জিলাত | ৬১ টা | ,, | ,, | ,, |
| ১০। | গোলাঘাট জিলাত | ১৯ টা | ,, | ,, | ,, |
| ১১। | উত্তৰ লক্ষীমপুৰ জিলাত | ৫৪৫ টা | ,, | ,, | ,, |
| ১২। | শোণিতপুৰ জিলাত | ৬০ টা | ,, | ,, | ,, |
| ১৩। | কোক্ৰাঝাৰ জিলাত | ২৫ টা | ,, | ,, | ,, |
| ১৪। | মৰিগাওঁ জিলাত | ২৬১ টা | ,, | ,, | ,, |

৯,৮১৭ টা পৰিয়াল গৃহহীন হৈছে।

# Annexure - II

## পরিশিষ্ট 'ক'

পরিকল্পনা ও উন্নয়ন বিভাগের চিঠি নং PD/ DCP/ 17/ pt-II / 46 Dtd 14-03-96 এর দ্বারা অনুমোদিত স্কিম গুলির মধ্যে রুপায়নের স্তর নিম্নে উল্লেখ করা হয়েছে ঃ

| স্কিম | | স্থিতি |
|---|---|---|
| | ১৯৯৪-৯৫ | |
| ১। গুরুক্ষনাথ সাংস্কৃতিক সংঘের পাঠাগার ভবন নির্ম্মন, পালাদাহার ডাকঘর ঃ বাজারঘাট। | | সম্পূর্ণ টাকা দেওয়া হয়েছে। কাজ সম্পূর্ণ হয়েছে। |
| ২। বাজারঘাট ভকেসনেল ট্রেনিং ইন্সটিটিউটের নির্ম্মণ কার্য. | | বর্ত্তমান বিধায়ক শ্রী এ, এন, চৌধুরী স্কিমটি পরিবর্ত্তন করেন। |
| | ১৯৯৫-৯৬ | |
| ১। বাজারঘাট ও ফাকুয়াগ্রাম রাস্তার M. T. ও B. T. (দ্বিতীয়া স্তর) | | কাজ আরম্ভ করার জন্যে ৫০ % টাকা দেওয়া হয়েছে। |
| ২। কায়স্তগ্রাম এম, ডি, স্কুল নির্ম্মাণ - | | সম্পূর্ণ টাকা দেওয়া হয়েছে, কাজ সম্পূর্ণ হয়েছে। |
| ৩। পল্লী উন্নয়ন বালিকা বিদ্যালয়ের - বিশ্রাম কোঠা নির্ম্মাণ। | | সম্পূর্ণ টাকা দেওয়া হয়েছে। এবং কাজ সম্পূর্ণ হয়েছে। |
| ৪। কৃষ্ণমোহন নাথের বাড়ীর নিকট Ring well / Mark - II নির্ম্মান ইষ্ট বরোদা। | | ৫০ % টাকা দেওয়া হয়েছে। |
| ৫। প্রভাত বিশ্বাসের বাড়ীর নিকট Ring well / Mark - II নির্ম্মাণ, পিরের চক্গ্রাম। | | ৫০ % টাকা দেওয়া হয়েছে। |
| ৬। রাধারমন মিউজিক স্কুল - নির্ম্মাণ, বারেগ্রাম। | | সম্পূর্ণ টাকা দেওয়া হয়েছে এবং কাজ সম্পূর্ণ হয়েছে। |
| ৭। বিভিন্ন জায়গায় ২৫ টি পাঠাগার নির্ম্মাণ - | | (ক) ১৫ টি পাঠাগার নির্ম্মনের কাজ সম্পূর্ণ করার জন্যে সম্পূর্ণ টাকা দেওয়া হয়েছে। (খ) বাকী ১০ টি পাঠাগার নির্ম্মানের জন্য ৫০ % টাকা দেওয়া হয়েছে। |

বাকী থাকা স্কীমগুলির ব্যবহারিক প্রমান-পত্র এবং কাজের অগ্রগতির স্থিতি পাওয়ার পর অবশিষ্ট টাকা দেওয়া হবে।

# Annexure - III

তৰা বিহীন প্ৰশ্ন নং ৮১ ৰ সন্দৰ্ভত গড়াখহনীয়াত গৃহহীন হোৱা শালাটাৰী আৰু খুদনা মাৰী গাওঁৰ তালিকা।

১/ গাওঁ - শালটাৰী ১৯৯২ চন।

ক্ৰমিক নং নাম, পিতাৰ নাম ঃ

১/ প্ৰফুল্ল কুমাৰ দাস
পিতা ঃ বৰদা কান্ত দাস।

২/ হৰেকৃষ্ণ দাস,
পিতা ঃ ক্ষমাকান্ত দাস।

৩/ কমোদ চন্দ্ৰ দাস,
পিতা ঃ ৰজনী দাস।

৪/ প্ৰভাত চন্দ্ৰ দাস,
পিতা ঃ হৰকিশোৰ দাস।

৫/ পূৰ্ণ চন্দ্ৰ দাস,
পিতা ঃ সতীন্দ্ৰ দাস।

৬/ গনেশ চন্দ্ৰ দাস,
পিতা ঃ দেৱেন দাস।

৭/ বিমলা বালা দাস,
পিতা ঃ ফনীন্দ্ৰ দাস।

৮/ প্ৰভাত দাস,
পিতা ঃ তাৰা দাস।

৯/ কৰেন্দ্ৰ দাস,
পিতা ঃ

১০/ দিলীপ কুমাৰ দাস,
পিতা ঃ মনীন্দ্ৰ দাস।

১১/ ভৈৰৱ দাস,
পিতা ঃ বিশ্ব দাস।

১২/ টিকেন্দ্ৰ দাস,
পিতা ঃ

১৩/ ক্ষীৰোদ দাস,

১৪/ নিত্যানন্দ দাস,
পিতা ঃ দিপেন দাস।

১৫/ প্ৰতুল কুমাৰ দাস,
পিতা ঃ গজেন দাস।

১৬/ শৈলেন্দ্ৰ দাস,
পিতা ঃ সুৰেন্দ্ৰ দাস।

১৭/ ৰমেশ দাস,
পিতা ঃ ৰামচৰণ দাস।

১৮/ বঙ্কিম দাস,
পিতা ঃ ৰোহিনী দাস।

১৯/ সমিন্দ্ৰ দাস,
পিতা ঃ ফনিন্দ্ৰ দাস।

২০/ প্ৰিয় নাথ দাস,
পিতা ঃ কাশী নাথ দাস।

২১/ জয়ন্তী বালা দাস,
স্বামী ঃ ৰূপ নাথ দাস।

২২/ বিৰাজ চন্দ্ৰ দাস,
পিতা ঃ বিনোদ দাস।

২৩/ সৰেন্দ্ৰ দাস,
পিতা ঃ শশী মোহন

২৪/ চন্দ্ৰেশ্বৰ দাস,
পিতা ঃ শশী মোহন

২৫/ মন মোহন দাস,
পিতা ঃ ৰামেশ্বৰ দাস।

২৬/ হৰি নাথ দাস,
পিতা ঃ মহেশ্বৰ দাস।

২৭/ প্ৰেম নাথ দাস,

পিতা ঃ- শুধাংশু দাস,

২৮/ অনূল্য দাস,
পিতা ঃ- মঠন দাস।

২৯/ শ্যামা চৰণ দাস,
পিতা ঃ শুকচৰণ দাস।

৩০/ নগেন দাস,
পিতা ঃ ভাগ্য দাস।

৩১/ মদন দাস,
পিতা ঃ নিলকান্ত দাস।

৩২/ ভেলা ৰাম দাস,
পিতা ঃ জেলেং দাস।

৩৩/ ভোগী ৰথ দাসং
পিতা ঃ নঁগৰ চান দাস।

৩৪/ হেমেন দাস,
পিতা ঃ নগৰ চান দাস।

৩৫/ কালি মোহন দাস,
পিতা ঃ নগৰ চান দাস।

৩৬/ দণ্ডধৰ দাস,
পিতা ঃ ভাগ্য দাস।

৩৭/ গোলাপ দাস,
পিতা ঃ ৰত্নেশ্বৰ দাস।

৩৮/ শংকৰ দাস,
পিতা ঃ দুৰ্গেশ্বৰ দাস।

৩৯/ খৰেন্দ্ৰ দাস,
পিতা ঃ মহেশ্বৰ দাস।

৪০/ আচৰাব আলী,
পিতা আচৰাব আলী।

৪১/ আলিয়া সেখ,
পিতা ঃ মাধ সেখ।

৪২/ নিল সেখ,
পিতা ঃ মহেশ্বৰ দাস।

৪৩/ ননী দাস,
পিতা ঃ মহেশ্বৰ দাস।

৪৪/ অনুকূল দাস,
পিতা ঃ টকাৰাম দাস।

৪৫/ নুৰ মামুদ সেখ,
পিতা ঃ বেৰা ভাঙ্গন।

৪৬/ খৰিয়া সেখ,
পিতা ঃ বেৰা ভাঙ্গন।

৪৭/ মছিয়ালী সেখ,
পিতা ঃ গুল মামুদ।

৪৮/ জহুৰুল হক,
পিতা ঃ ফৰেদ মামুধ।

৪৯/ ধীৰ মামুধ ডৈসখ
পিতা ঃ বেৰা ভাঙ্গন।

৫০/ কান্দু সেখ,
পিতা ঃ বেৰা ভাঙ্গন।

৫১/ ছোলেমন বিবি,
পিতা ঃ অহাদি সেখ।

৫২/ কেইশৰ আলী,
পিতা ঃ হাদেৰ আলী।

৫৩/ নুৰ সেখ,
মহাদি সেখ।

৫৪/ মজিবৰ সেখ,
পিতা ঃ কিসামত সেখ।

৫৫/ খালেক সেখ,
পিতা ঃ মোছলেম।

৫৬/ জমিবিল বিবি,
পিতা ঃ কেইশৰ সেখ।

৫৭/ ইন্দ্ৰীচ আলী,

পিতা ঃ ছোট হাবেৰ।
৫৮/ সহৰ আলী,
পিতা ঃ এনাতুলা।
৫৯/ নুৰুল হক,
পিতা ঃ মহৰুদ্দিন।
৬০/ মজিবৰ আলী,
পিতা ঃ ৰজৰা সেখ।
৬১/ আয়জান বিবি,
স্বামী ঃ জসতুল্যা।
৬২/ ইয়াজ উদ্দিন,
পিতা ঃ সাহাবুদ্দিন।
৬৩/ নাজিমুদ্দিন,
পিতা ঃ ককদি সেখ।
৬৪/ বিলাত আলী,
পিতা ঃ মহৰদ্দিন সেখ।
৬৫/ নওসাদ আলী,
পিতা ঃ ষোট হাবেজ।
৬৬/ আনোৱাৰ আলী
পিতা ঃ হাবেজ।
৬৭/ ছুৰত আলী,
পিতা ঃ মহম্মদ আলী।
৬৮/ জয়নাল সেখ,
পিতা ঃ খাৰিয়া সেখ।
৬৯/ ছাত্তাৰ আলী,
পিতা ঃ জোমাৰ আলী।
৭০/ কৰেন্দ্ৰ দাস,
পিতা ঃ অভয় দাস।
৭১/ পানীন্দ দাস,
পিতা ঃ সুৰেন্দ্ৰ দাস।
৭২/ অনিল দাস,
পিতা ঃ যতীন্দ্ৰ দাস।

পিতা ঃ ইউছুখ আলী।
৭৩/ সৰদিম আলী জামিৰ আলী

৭৪/ কয়জুৰ ৰহমান,
পিতা ঃ আবুল হুসেন।
৭৫/ আহানুদ্দিন গং
পিতা ঃ হোসেন সেখ।
৭৬/ গোবিন্দ দাস,
পিতা ঃ উমাচৰণ দাস।

<u>গাওঁ খুদনা মাৰী ১ম খণ্ড</u>

৭৭/ দিজেন দাস,
পিতা ঃ পূৰণ দাস।
৭৮/ লাদুৰাম দাস,
পিতা ঃ ৰামমোহন দাস।
৭৯/ দিপাংকৰ দাস,
পিতা ঃ পুলুৰাম দাস।
৮০/ নন্দকিশোৰ দাস ,
পিতা ঃ নবৰান দাস।
৮১/ সুৰেন দাস,
পিতা ঃ নবৰাম দাস।
৮২/ ঘনশ্যাম দাস,
পিতা ঃ যোগেশ দাস।
ৰত্নেশ্বৰ দাস
পিতা ঃ শোভানন্দ
পিতা ঃ কছেৰ আলী
৮৩/ আকবৰ আলী
পিতা ঃ আলী হুসেন
পিতা ঃ বিনাৰুদ্দিন
৮৪/ আয়জা আলী
পিতা ঃ ছেয়দা আলী

৮৫/ কালী দাস,
পিতা ঃ প্ৰফুল্ল দাস।
৮৬/ হৰকিশোৰ দাস
পিতা ঃ প্ৰফুল্ল দাস।
৮৭/ দামোদৰ দাস
পিতা ঃ কমলা দাস
৮৮/ টনৰাম দাস
পিতা ঃ ৰামপ্ৰসাদ
৮৯/ মনেশ দাস
পিতা ঃ পূৰ্ণ দাস
৯০/ সজীতেন্দ্ৰ দাস
পিতা ঃ মনিৰাম দাস
চন্দ্ৰ মোহন দাস
৯১/ গীৰেন্দ্ৰ দাস
পিতা ঃ গৌৰী প্ৰসাদ দাস
৯২/ বীৰেন্দ্ৰ নাৰায়ণ দাস
পিতা ঃ গৌৰীপ্ৰসাদ দাস
৯৩/ জমসেৰ আলী
পিতা ঃ বিনাৰ আলী
৯৪/ পনেদি সেখ
পিতা ঃ হাপাল সেখ
৯৫/ টগৰু সেখ
পিতা ঃ ইছমাইল
৯৬/ দিলদাৰ সেখ
পিতা ঃ কছেৰ আলী
পিতা ঃ হাপাল সেখ
৯৭/ আকবৰ আলী
পিতা ঃ আফিজুদ্দিন
৯৮/ উমৰ আলী
পিতা ঃ খবিৰুদ্দিন
৯৯/ ওমেদ আলী ডেখ
পিতা ঃ আইনুদ্দিন
১০০/ ছকিয়াল আলী
পিতা ঃ সোনাবাদি সেখ
১০১/ দাৰিকা নাথ দাস
পিতা ঃ ৰজনী দাস
১০২/ মহিয়াল দাস
পিতা ঃ সোনাবাদি সেখ
১০৩/ নীৰেন্দ্ৰ দাস
পিতা ঃ হৰেশ্বৰ দাস
১০৪/ বিমল দাস
পিতা ঃ হৰেশ্বৰ দাস
১০৫/ অনন্ত দাস
পিতা ঃ হৰেন্দ্ৰ দাস
১০৬/ জীতেন দাস
পিতা ঃ ব্ৰজমোহন দাস
১০৭/ ভেবৰ দাস
পিতা ঃ ব্ৰজমোহন দাস
১০৮/ সন্তোষ দাস
পিতা ঃ ব্ৰজমোহন দাস।

পিতা ঃ ছোট হাবেৰ।

৫৮/ সহৰ আলী,
পিতা ঃ এনাতুলা।

৫৯/ নুৰুল হক,
পিতা ঃ মহৰুদ্দিন।

৬০/ মজিবৰ আলী,
পিতা ঃ ৰজৰা সেখ।

৬১/ আয়জান বিবি,
স্বামী ঃ জসতুল্যা।

৬২/ ইয়াজ উদ্দিন,
পিতা ঃ সাহাবুদ্দিন।

৬৩/ নাজিমুদ্দিন,
পিতা ঃ ককদি সেখ।

৬৪/ বিলাত আলী,
পিতা ঃ মহৰদ্দিন সেখ।

৬৫/ নওসাদ আলী,
পিতা ঃ ষোট হাবেজ।

৬৬/ আনোৱাৰ আলী
পিতা ঃ হাবেজ।

৬৭/ ছৰত আলী,
পিতা ঃ মহম্মদ আলী।

৬৮/ জয়নাল সেখ,
পিতা ঃ খাৰিয়া সেখ।

৬৯/ ছাত্তাৰ আলী,
পিতা ঃ জোমাৰ আলী।

৭০/ কৰেন্দ্র দাস,
পিতা ঃ অভয় দাস।

৭১/ পানীন্দ দাস,
পিতা ঃ সুৰেন্দ্র দাস।

৭২/ অনিল দাস,
পিতা ঃ যতীন্দ্র দাস।

পিতা ঃ ইউছুখ আলী।

৭৩/ সৰদিম আলী জামিৰ আলী

৭৪/ কয়জুৰ ৰহমান,
পিতা ঃ আবুল হুসেন।

৭৫/ আহানুদ্দিন গং
পিতা ঃ হোসেন সেখ।

৭৬/ গোবিন্দ দাস,
পিতা ঃ উমাচৰণ দাস।

গাওঁ খুদনা মাৰী ১ম খণ্ড

৭৭/ দিজেন দাস,
পিতা ঃ পূৰণ দাস।

৭৮/ লাদুৰাম দাস,
পিতা ঃ ৰামমোহন দাস।

৭৯/ দিপাংকৰ দাস,
পিতা ঃ পুলুৰাম দাস।

৮০/ নন্দকিশোৰ দাস ,
পিতা ঃ নবৰান দাস।

৮১/ সুৰেন দাস,
পিতা ঃ নবৰাম দাস।

৮২/ ঘনশ্যাম দাস,
পিতা ঃ যোগেশ দাস।
ৰত্নেশ্বৰ দাস
পিতা ঃ শোভানন্দ
পিতা ঃ কছেৰ আলী

৮৩/ আকবৰ আলী
পিতা ঃ আলী হুসেন
পিতা ঃ বিনাৰুদ্দিন

৮৪/ আয়জা আলী
পিতা ঃ ছেয়দা আলী

৮৫/ কালী দাস,
পিতা ঃ প্ৰফুল্ল দাস।
৮৬/ হৰকিশোৰ দাস
পিতা ঃ প্ৰফুল্ল দাস।
৮৭/ দামোদৰ দাস
পিতা ঃ কমলা দাস
৮৮/ টনৰাম দাস
পিতা ঃ ৰামপ্ৰসাদ
৮৯/ মনেশ দাস
পিতা ঃ পূৰ্ণ দাস
৯০/ সজীতেন্দ্ৰ দাস
পিতা ঃ মনিৰাম দাস
চন্দ্ৰ মোহন দাস
৯১/ গীৰেন্দ্ৰ দাস
পিতা ঃ গৌৰী প্ৰসাদ দাস
৯২/ বীৰেন্দ্ৰ নাৰায়ণ দাস
পিতা ঃ গৌৰীপ্ৰসাদ দাস
৯৩/ জমসেৰ আলী
পিতা ঃ বিনাৰ আলী
৯৪/ পনেদি সেখ
পিতা ঃ হাপাল সেখ
৯৫/ টগৰু সেখ
পিতা ঃ ইছমাইল
৯৬/ দিলদাৰ সেখ
পিতা ঃ কছেৰ আলী
পিতা ঃ হাপাল সেখ
৯৭/ আকবৰ আলী
পিতা ঃ আফিজুদ্দিন
৯৮/ উমৰ আলী
পিতা ঃ খবিৰুদ্দিন
৯৯/ ওমেদ আলী ডেখ
পিতা ঃ আইনুদ্দিন
১০০/ ছকিয়াল আলী
পিতা ঃ সোনাবাদি সেখ
১০১/ দাৰিকা নাথ দাস
পিতা ঃ ৰজনী দাস
১০২/ মহিয়াল দাস
পিতা ঃ সোনাবাদি সেখ
১০৩/ নীৰেন্দ্ৰ দাস
পিতা ঃ হৰেশ্বৰ দাস
১০৪/ বিমল দাস
পিতা ঃ হৰেশ্বৰ দাস
১০৫/ অনন্ত দাস
পিতা ঃ হৰেন্দ্ৰ দাস
১০৬/ জীতেন দাস
পিতা ঃ ব্ৰজমোহন দাস
১০৭/ ভেবৱ দাস
পিতা ঃ ব্ৰজমোহন দাস
১০৮/ সন্তোষ দাস
পিতা ঃ ব্ৰজমোহন দাস।

## Annexure - IV

GOVERNTMENT OF ASSAM

HOME (B) DEPARTMENT

* * * *

ORDERS BY THE GOVERNOR

NOTIFICATION

Dated Dispur, the 9th Aug/ 96

NO. HMB. 243/93/pt/345 : In pursuance of the order dated 3.10.94 & 5.9.95 of the Hon'ble Supreme Cuort of India in WP (CRL) 237/89 accepting entirity the recommendations of the Commissioner, Shri Gopal Subramaniam appointed by the Hon'ble Supreme Court, the Governor of Assam is pleased to close down the'Nari Sadan' at Barpeta with immediate effect.

Sd/- D.C. Bhattacharyya,
Joint Secy. to the Govt.of Assam
Home (B) Deptt.

Memo NO. HMB. 243/93/pt/345-A, Dated Dispur, the 11st March/97.
Copy to:-

1. The Inspector Genereal of Prisons, for information and necessary actoin.
2. The Deputy Commissoner, Barpeta.
3. The Superintentendent, District Jail, Barpeta.
4. The Superintendent Govt. Press, Bamunimaidan, Guwahati-21 for publicetior in the next issue of Assam Gazette.

By order etc.,
Sd/-
Joint Secy. to the Govt.of Assam
Home (B) Deptt.

# Annexure - V

বাননিয়ন্ত্ৰণ বিভাগৰ বিভিন্ন জিলাৰ অধীনস্থ বিস্তৰ ক্ষতিগ্ৰস্ত মথাউৰী বোৰৰ নাম।

| ক্ৰমিক নং | জিলা | ক্ষতিগ্ৰস্ত মথাউৰীৰ নাম |
|---|---|---|
| ১ | ধেমাজী জিলা | ব্ৰহ্মপুত্ৰ ঃ- |
| | | ১। ডেউজী ঘাটৰ পৰা চিচি কলঘৰ। |
| | | ২। চিচিকল ঘৰৰ পৰা টেকলীফুটা। |
| | | ৩। গাই নদীৰ মথাউৰী। |
| | | ৪। জীয়াঢল কুমতীয়া মথাউৰী। |
| | | ৫। মৰিধল নদীৰ মথাউৰী। |
| | | ৬। ডিজেমোৰৰ পৰা সোনাৰী গাৱলৈ। |
| ২ | নৰ্থ লক্ষীমপুৰ জিলা | ১। বগানদী সোঁ আৰু বাওঁ পাৰৰ মথাউৰী। |
| | | ২। সোৱনশিৰী মথাউৰী। |
| | | ৩। ব্ৰহ্মপুত্ৰৰ বদতি জামুগুৰী মথাউৰী। |
| | | ৪। মৰি দিক্ৰৰ মথাউৰী। |
| | | ৫। দিক্ৰঙৰ দুয়োপাৰে। |
| | | ৬। দুবপাং নদীৰ মথাউৰী। |
| | | ৭। পাভ নদীৰ মথাউৰী। |
| | | ৮। কৰহা নদীৰ মথাউৰী। |
| | | ৯। টেঙা আম মথাউৰী। |
| ৩ | ধুবুৰী জিলা | ১। ব্ৰহ্মপুত্ৰৰ ধুবুৰী পাটামাৰী মথাউৰী। |
| | | ২। গংগাধৰ নকনদীৰ গোলাকগঞ্জৰ পৰা বিশানদৈৰ মথাউৰী। |
| ৪ | কোকৰাঝাৰ জিলা | ১। আই নদীৰ মথাউৰী। |
| | | ২। সবল ভঙ্গা নদীৰ মথাউৰী। |
| ৫ | ডিব্ৰুগড় জিলা | ১। কচুৰী দিহিংৰ সোঁ আৰু বাওঁপাৰৰ মথাউৰী। |
| | | ২। ন-দিহিংৰ মথাউৰী। |
| ৬। | বৰপেটা জিলা | ১। মৰা চাউলখোৱা মঠাউৰী (এগু/পইন্টৰ পৰা |

| | | |
|---|---|---|
| | | জে. কে. গড়কাপ্তানী পথলৈ। |
| | | ২। পহুমৰা মথাউৰী ৰেলৱে আলিৰ পৰা ডাউনষ্ট্ৰিমলৈ। |
| | | ৩। মানস মথাউৰী (ডাকানদিয়াৰ পৰা ল লৈ) |
| | | ৪। ৰেকী মথাউৰী (মথন গুৰিৰ পৰা বাশবাৰীলৈ) |
| | | ৫। বেকী মথাউৰী (বাশবাৰীৰ পৰা ৰেলৱে লাইনলৈ) |
| ৭। | শোনিতপুৰ জিলা | ১। বেলশিবি মথাউৰীৰ সোঁ পাৰে (বৰ্তমান চিঙা অৱস্থাত) |
| | | ২। গাভৰু মথাউৰী দুয়োপাৰে ( দৈৰ্ঘ্য ৩১'৮০ কিঃ মিঃ) |
| | | ৩। ব্ৰম্মপুত্ৰ মথাউৰী। |
| ৮। | গোৱালপাৰা জিলা | ১। ব্ৰম্মপুত্ৰ মথাউৰীৰ খৰ মৌজাৰ পৰা ফকিৰগঞ্জলৈ। ব্ৰম্মপুত্ৰ মথাউৰীৰ শিকলি ০ পৰা ২৩'৮০ কিঃ মিঃ লৈ আৰু বালিকুছিৰ পৰা শিকলি ২৮'৪০ কিঃ মিঃ পৰা ৫৫'৬৮ কিঃ মিঃ ফকিৰগঞ্জলৈ। |
| | | ২। দুধনৈ মথাউৰী নয়াপাৰৰ পৰা বামুমপাৰালৈ ৯৪০ কিঃ মিঃ |
| | | ৩। কৃষ্ণাই মথাউৰী চি ডি বলকৰ মাতিয়াত ৩'৫০ কিঃ মিঃ দৈৰ্ঘ্য |
| | | ৪। কালো মথাউৰী (মানকাচাৰ এলেকা) |
| ৯। | শিৱসাগৰ জিলা | ১। জাজী মথাউৰী (এ টি ৰোডৰ পৰা তামুলি চিঙালৈ ) |
| | | ২। নামতি মথাউৰীনামতি এলেকাৰ দুয়োপাৰে। |
| | | ৩। দিখৌ দুয়োপাৰে মথাউৰী নামদাংৰ পৰা দিখৌ মুখলৈ। |
| | | ৪। দিচাং মথাউৰী দুয়োপাৰে পাট-সাকোৰ পৰা দিচাং মুখলৈ। |
| ১০। | মৰিগাওঁ জিলা | ১। ৰহা জাগী মথীউৰীৰ তেলাহী অঞ্চল। |
| | | ২। ব্ৰম্মপুত্ৰ মথাউৰী ধিঙৰ পৰা হিলৈ-খুন্দালৈ। |

| | |
|---|---|
| ১১। নলবাৰী জিলা | ১। পাগলাদিয়া নদীৰ সোঁপাৰৰ মথাউৰী গোসাই কমল ৰাস্তাৰ পৰা আদাবাৰীলৈ। |
| | ২। পাগলাদিয়া নদীৰ বাওঁপাৰাৰ মথাউৰী বণ্ডিয়া ধমধমা ৰাস্তাৰ পৰা ৰাষ্ট্ৰীয় পথলৈ আৰু বগলচ্ ৰোদৰ পৰা বিজুলী ঘাটলৈ। |
| | ৩। ব্ৰম্মপুত্ৰৰ সোঁপাৰৰ আদাবাৰীৰ পৰা কুকাৰ জানলৈ। |
| | ৪। নোনা নদীৰ দুইপাৰৰ মথাউৰী গোসাই-কমল ৰাস্তাৰ পৰা ৰেলৱে লাইনলৈ আৰু বাওঁপাৰে ৰেলৱে লাইনৰ পৰা বৰলিয়া নৈ লৈকে। |
| | ৫। বৰলিয়া নৈৰ মথাউৰী (সোপাৰক) বাহাৰঘাটৰ পৰা দুচুটি মুখলৈ। |
| | ৬। মৰা পাগলা দিয়া নদীৰ দুই পাৰৰ মথাউৰী ৰাষ্ট্ৰীয় পথৰ পৰা গেব্ৰাদল টিহু গড়কাপ্তানী পথলৈ। |
| | ৭। নদলা ড্ৰেইনেচ চেনেলৰ দুই পাৰৰ মথাউৰী ৰেলৱে লাইনৰ পৰা বুঢ়াদিয়ালৈ। |
| ১২। নগাওঁ জিলা | ১। ব্ৰহ্মপুত্ৰ মথাউৰী শিলঘাটৰ পৰা খিঙলৈ থকা মথাউৰী। |
| | ২। কলং মথাউৰী সোপাৰৰ ফুলগুৰিৰ পৰা মোনান কাটালৈ আৰু বহাৰ পৰা চাপক মুখলৈ। |
| | ৩। কপিলী মথাউৰী সোপাৰৰ থাকিখানাৰ পৰা যোগী জানলৈ থকা মথাউৰী। |
| | ৪। ননৈ সোপাৰৰ মথাউৰী। |
| ১৩। যোৰহাট জিলা | ১। ভোগদৈ মথাউৰী বাওঁপাৰ শ্মশান ঘাটৰ পৰা চেঙেলীআটি লৈ। |
| | ২। ভোগদৈ মথাউৰী সোঁপাৰ (জে বি ৰোডৰ পৰা চেঙেলী আটীলৈ (৯'৬ কিঃ মিঃ ) |
| | ৩। ব্ৰম্মপুত্ৰ মথাউৰী (জাঁজী মুখৰ পৰা নিমাতী লৈ) |

৪। জাঁওজী মথাউৰী বাওঁপাৰ (এ, টি ৰোডৰ পৰা তামুলী ছিগালৈ)

৫। জাঁজী মথাউৰী, বাওঁপাৰ (তামুলী ছিগাৰ পৰা মদৈ জান গড়কাপ্তানী পথ)

৬। ধনশিৰী মঠাউৰী (এ, টি, ৰোডৰ পৰা মৰিয়া হোলালৈ ৬ কিঃ মিঃ ত)

৭। ব্ৰহ্মপুত্ৰ মথাউৰী (মৰিয়াহোলাৰ পৰা কে, আৰ এফ সীমালৈ ৯ কিঃ মিঃ ত)

৮। ব্ৰহ্মপুত্ৰ মথাউৰী (ন হটিয়াৰ পৰা খুটিয়া পোতালৈ, মালো বান্ধ)

৯। ব্ৰহ্মপুত্ৰ মথাউৰী (বহিখোৱা চেক বান্ধৰ পৰা নেঘেৰিটিং ৰঙাগড়া মথাউৰী)

১০। ব্ৰহ্মপুত্ৰ মথাউৰী (নিমাতী গড়কাপ্তানী পথৰ পৰা গোহাঁই গাঁৱলৈ থকা মথাউৰী

১১। ব্ৰহ্মপুত্ৰ মথাউৰী (খুটিয়াপোতা চেকবান্ধৰ পৰা নেঘেৰেটিং ৰঙাগড়া মথাউৰীৰ ব খন্ড - ১ আৰু ২)

১২। ব্ৰহ্মপুত্ৰ মথাউৰী (ককিলামুখ খহনীয়া প্ৰতিৰোধ ব্যৱস্থাৰ অন্তৰ্গত ৬ নং বুকুজৰ উজনি আৰুনামনি অংশ)

১৩। ব্ৰহ্মপুত্ৰ মথাউৰী (কমিচনাৰ আলি আৰু গোহাই গাওঁ ৰিটায়াৰমেন্ট)

১৪। ব্ৰহ্মপুত্ৰ মথাউৰী (মালো বান্ধৰ পৰা ৮ নং বুকুজলৈ থকা মথাউৰী, টাইবান্ধ)

১৫। ব্ৰহ্মপুত্ৰ মথাউৰী (গোহাই গাৱৰ পৰা নহটিয়ালৈ থকা মথাউৰী)

১৬। জাঁজী মথাউৰী, সোঁপাৰ (তামুলী ছিগাৰ পৰা আউটফল (out fall) লৈ।

১৪। কামৰূপ জিলা

১। পুঠিমাৰী নদীৰ ৰাওপাৰৰ মুকালবংগাৰ পৰা ৰঙিয়া গোৰেশ্বৰ ৰেলৱে লাইন মথাউৰী।

২। পুথিমাৰী নদীৰ ৰাওপাৰৰ ৰঙিয়া গোৰেশ্বৰ

ৰেলওৱে লাইনৰ পৰা ৰঙিয়া আমিন গাওঁ ৰেল লাইন মথউৰী।

৩। পুথিমাৰী নদীৰ সোপাৰৰ হাবিবাৰিৰ পৰা ৰঙিয়া গোৰেশ্বৰ ৰেল লাইন মথউৰী।

৪। পুথিমাৰী নদীৰ সোপাৰৰ ৰঙিয়া গোৰেশ্বৰ ৰেললাইনৰ পৰা ৰঙিয়া আমিন গাওঁ মথাউৰী।

৫। পুথিমাৰী নদীৰ সোপাৰৰ ৰঙিয়া আমিন গাওঁ ৰেল লাইনৰ পৰা বৰমবৈ মথাউৰী।

৬। পুঠিমাৰী নদীৰ সোপাৰৰ বৰমবৈৰ পৰা পুঠিমাৰীৰ মুখলৈ মথাউৰী।

৭। ব্ৰহ্মপুত্ৰ নদীৰ বাওঁপাৰৰ গুমিৰ পৰা কালাতলী মথাউৰী।

৮। পাগলাদিয়া নদীৰ বাওপাৰৰ পৰা দুসুতিমুখৰ পৰা আদাবাৰী মথাউৰী।

৯। বৰলীয়া নদীৰ বাওপাৰৰ ৰঙিয়া আমিনগাওঁ ৰেল লাইনৰ পৰা দুসুতিমুখ মথাউৰী।

১০। বৰলীয়া নদীৰ সোপাৰৰ এন টি ৰোডৰ পৰা নোনা নদীৰ মুখলৈ মথাউৰী।

১১। ব্ৰহ্মপুত্ৰ নদীৰ সোপাৰৰ হাতীমুৰাৰ পৰা আদাবাৰী মথাউৰী।

১২। ব্ৰহ্মপুত্ৰ পলাশবাৰী গুমি মথাউৰী পানী খাইটি অঞ্চলত শিকলী ২০.৪০ কিঃ মিঃ পৰা ২১.২০ কিঃ মিঃ

# Annexure - VI

## অনুবন্ধ

## তালিকা

| | | |
|---|---|---|
| ১। | কামৰূপ | - ২৭৬২৪ |
| ২। | ধুবুৰী | - ৬৮৫৭ |
| ৩। | গোৱালপাৰা | - ২৯০০ |
| ৪। | কোকৰাঝাৰ | - ২৭৬৭ |
| ৫। | বঙাইগাওঁ | - ৫৫৬৪ |
| ৬। | বৰপেটা | - ১০৫২৯ |
| ৭। | নলবাৰী | - ৩৮১৩ |
| ৮। | নগাওঁ | - ১৩৭৫৬ |
| ৯। | মৰিগাওঁ | - ২৯১৩ |
| ১০। | দৰং | - ৫৭৫৯ |
| ১১। | শোনিতপুৰ | - ৬১৫৩ |
| ১২। | শিৱসাগৰ | - ৪২৪৫ |
| ১৩। | যোৰহাট | - ৫৯০১ |
| ১৪। | লক্ষিমপুৰ | - ৩৩৭৩ |
| ১৫। | ধেমাজি | - ৬৭৩ |
| ১৬। | গোলাঘাট | - ৫৬৩৪ |
| ১৭। | ডিব্ৰুগড় | - ৮৭৬৩ |
| ১৮। | তিনচুকীয়া | - ৩১৫৭৭ |
| ১৯। | কাছাৰ | - ১৫৬০৭ |
| ২০। | কৰিমগঞ্জ | - ১৪৪৫৭ |
| ২১। | হাইলাকান্দি | - ৬২৭৬ |
| ২২। | কাৰ্বি আংলং | - ৪৭৮২ |
| ২৩। | উত্তৰ কাছাৰ | - ৮১৩ |
| | মুঠ - | ১,৯০,৭৩৯ |

# Annexure - VII

ARREAR STATEMENT OF GOVERNMENT DEPARTMENT AS ON 30.11.96

| SL. NO. | DEPARTMENT | (RUPEES IN LAKH ) |
|---|---|---|
| 1. | IRRIGATION | 3262.34 |
| 2. | PUBLIC HEALTH ENGINEERING | 2523.25 |
| 3. | FOREST | 19.58 |
| 4. | POLICE | 115.67 |
| 5. | EDUCATION | 166.39 |
| 6. | DEPUTY COMMISSIONER/SUB- DIVISIONAL OFFICER/BLOCK DEVELOPMENT OFFICER | 85.89 |
| 7. | VETERINARY DEPARTMENT | 77.55 |
| 8. | SPORTS | 10.11 |
| 9. | GOVT.PRESS AND PRINTING | 4.07 |
| 10. | SECRETARY GAT/DISPUR | 1572.72 |
| 11. | PUBLIC WORKS DEPARTMENT | 37.05 |
| 12. | SERICULTURE & HANDLOOM | 6.20 |
| 13. | AGRICULTURE | 12.99 |
| 14. | JAIL AND PRISON | 10.03 |
| 15. | MEDICAL DEPARTMRNT | 252.16 |
| 16. | E. & D. AND FLOOD CONTROL | 1.05 |
| 17. | DIRECTORATE OF TOURISM | 3.94 |
| 18. | SOIL CONSERVATION | 1.91 |
| 19. | CO-OPERATIVE | 6.35 |
| 20. | INDUSTRY | 9.97 |
| 21. | DIRECTORATE OF GEOLOGY& MINING | 0.31 |
| 22. | DIRECTORATE OF CULTURE | 0.62 |
| 23. | TOWN AND COUNTRY PLANNING | 1.50 |
| 24. | DIRECTORATE OF MUSEUM | 0.28 |
| 25. | LABOUR | 0.06 |
| 26. | TRANSPORT | 1.77 |
| 27. | FISHERY | 3.12 |
| 28. | JUDICIARY | 4.29 |
| 29. | SOCIAL WELFARE | 27.65 |
| 30. | DIRECTOR RURAL DEVELOPMENT | 8.33 |
| | TOTAL :- | 8231.97 |

***(Rupees Eight thousand two hundred thirty one lakh ninety seven thousand) only.***

STATEMENT OF OUTSTANDING DUES PAYABLE TO A.S.E.B.BY DIGFFERENT GOVT. DEPARTMENT / GOVT. UNDERTAKING / MUNICIPAL MEDICAL BOARD ETC.AS ON 30.11.96.

| | | | |
|---|---|---|---|
| 1. | Govt.Department :- | Rs. | 8231.97 lakh |
| 2. | Govt. Undertaking/ Municipal Board etc.:- | Rs. | 6407.41 lakh |
| | | Rs. | 14639.38 lakh |
| | Say | Rs. | 146.40 Crore. |

(Rupees One hundred forty six crore forty lakh) only.

# Annexure - VIII

## Release of fund for Karimhanj District/sub-division 1995-96

| Sl. NO. | Department | Fund Released (Rs. in lakhs) |
|---|---|---|
| 1. | P. W. D (R) | 3.37 |
| 2. | Agricul ture | 14.05 |
| 3. | Hand-Loom & Textile | 4.96 |
| 4. | Irrigation | 70.74 |
| 5. | Industry | 6.71 |
| 6. | Sericul ture | 9.15 |
| 7. | Library Services | 2.162 |
| 8. | Fishery | 13.04 |
| 9. | Craftsman Training | 8.40 |
| 10. | Employment | 2.22 |
| 11. | Social Forestry | 20.71 |
| 12. | PHE | 99.23 |
| 13. | Secondary Education | 132.49 |
| 14. | Adult Education | 1.25 |
| 15. | A.H. Vety. | 6.24 |
| 16. | Flood Control | 1.70 |
| 17. | Co-Operation | 30.99 |
| 18. | Sports & Youth Welfare | 2.71 |
| 19. | P & RD | 10.81 |
| 20. | Boarder Area Developnent | 2.00 |
| 21. | MNP (House-Site) | 4.00 |
| 22. | KVIB | 5.55 |
| 23. | Social Welfare | 3.46 |
| 24. | Nutrition | - |
| 25. | Soil Conservation | Nil |
| 26. | Elementary Education | 238.55 |
| 27. | WPT & BC | 1.97 |
| 28. | Housing Board | 5.70 |
| 29. | Welfare of S/C | 3.68 |
| 30. | Health | 42.58 |
| 31. | IRDP etc. | 59.25 |
| 32. | JRY etc. | 70.02 |
| 33. | EAS | 70.00 |
| | Total | 947.69 |

RB/-

# Annexure - IX

## DISTRICT WISE/SUBDIVISION WISE LIST.

| DCs/SDos | Question Nos. | (A) | (B) | (C) | (D) | (E) | (F) | (G) | Remarks. |
|---|---|---|---|---|---|---|---|---|---|
| 1. Tinsukia | Yes | 249 | Nil | Yes | No | Yes | 73 | | |
| 2. Marghrita | None | None | Nil | Does not arise | -do- | 55 | 55 | | |
| 3. Sadiya | Yes | 112 | 112 | Nil | Nil | Nil | Nil | | |
| 4. Sibsagar | Yes | 25 | Nil | Nil | No | No | 5 | | |
| 5. Dhubri | Yes | 35019 | 5278 | Yes | - | No application received from any individuals. | - | | |
| 6. Goalpara | Yes | 1471 | Nil | Yes | Does | Nil not aries | Nil | | |
| 7. Darrang | Yes | 1998 | Nil | Yes | No | Yes | 586 | | |
| 8. Dhemaji | No displaced families due to erosion of river Erahmaputra | | Nil | Nil | Nil | Nil | Nil | Nil | Does not arise |
| 9. Barpeta | Yes | 6205 | 1114 | Yes | No | Yes | 182 | | |
| 10. Morifaon | Yes | 8467 | 871 | Yes | No | Yes | 238 | | |
| | | 53546 | 7375 | | | 55 | 1139 | | |

## Annexure - X

DISTRICT WISE BREAK UP OF ALLOCATION OF FUND FOR REPAINING OF F.D.R. SCHEMS IN THE FLOOD CONTROL DEPARTMENT DURING THE CURRENT YEAR 1996-97.

Unstarred Assembly Question No. 120 to be asked by Shri Abdur Rouf, M.L.A.

| | | | |
|---|---|---|---|
| 1. | Dibrugarh | Rs. | 7.172 L |
| 2. | Sibsagar | Rs. | 51.794 L |
| 3. | Jorhat | Rs. | 82.177 L |
| 4. | Golaghat | Rs. | 16.039 L |
| 5. | Dhemaji | Rs. | 378.381 L |
| 6. | Lakhimpur | Rs. | 125.8 L |
| 7. | Sonitpur | Rs. | 2.31 L |
| 8. | Nagaon | Rs. | 10.452 L |
| 9. | Morigaon | Rs. | 3.385 L |
| 10. | Barpeta | Rs. | 56.191 L |
| 11. | Darrang | Rs. | 109.23 L |
| 12. | Nalbari | Rs. | 69.271 L |
| 13. | Kamrup | Rs. | 186.107 L |
| 14. | Dhubri | Rs. | 28.109 L |
| 15. | Goalpara | Rs. | 37.793 L |
| 16. | Kokrajhar | Rs. | 7.535 L |
| 17. | Bangaigaon | Rs. | 16.18 L |
| 18. | Cachar | Rs. | 5.328 L |
| 19. | Karimganj | Rs. | 3.743 L |
| 20. | Hailakandi | Rs. | 3.623 L |
| | Total :- | Rs. | 1200.000 L |